
নিৰ্মল-হালৈ মহাবিদ্যালয়ৰ আলোচনী

৯৭-৯৮



# প্ৰাগজ্যোতি

সম্পাদক ঃ কঙ্কন শৰ্মা

# প্রাগজ্যোতি

## নির্মল হালৈ মহাবিদ্যালয়ৰ আলোচনী

১০ম বার্ষিক প্রকাশ

১৯৯৭-৯৮ বর্ষ

# PRAGJYOTI

Nirmol Haloi College Magazine

10th Annual Publication

1997-98 year

তত্বাবধায়ক
শ্রীঅনুপ শর্মা, প্রবক্তা

সম্পাদক
শ্রীকংকন শর্মা

সম্পাদনা সমিতি

সভাপতি ঃ
ড° ৰমেশ চন্দ্ৰ শৰ্মা

উপদেষ্টা ঃ
*অধ্যাপক* শ্ৰীপ্ৰবোধ গোস্বামী
*অধ্যাপিকা* শ্ৰীসাবিত্ৰী বেজবৰুৱা

তত্বাবধায়ক ঃ
*অধ্যাপক* শ্ৰীঅনুপ শৰ্মা

সম্পাদক ঃ
শ্ৰীকংকন শৰ্মা

সদস্য ঃ
কমল শৰ্মা
প্ৰণৱ শৰ্মা

বেটুপাত ঃ
হাৰুণ আলি


অংগসজ্জা ঃ
শ্ৰীঅনুপ শৰ্মা
শ্ৰীকংকন শৰ্মা

প্ৰকাশক ঃ

মুদ্ৰণ ঃ
চিত্ৰবন প্ৰিন্টাৰ্চ
ৰাধাগোবিন্দ বৰুৱা পথ
গুৱাহাটী-৩


# উছৰ্গা

যি সকল মহান ত্যাগীৰ দানেৰে নিৰ্মল হালৈ মহাবিদ্যালয় খন প্ৰতিষ্ঠা হৈছিল তেখেতসকলৰ পবিত্ৰ স্মৃতিত এই সংখ্যাৰ আলোচনীখন উছৰ্গা কৰা হ'ল।



গুপ্তঘাতক বাহিনীৰ নৃশংসতাৰ বলি
ইং ১৯৯৫-৯৬ বৰ্ষৰ
নিৰ্মল হালৈ মহাবিদ্যালয়ৰ
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক
জাতীয় শ্বহীদ
**নৃপেন শৰ্মাৰ**
পৱিত্ৰ স্মৃতিত

# শ্ৰদ্ধাঞ্জলি



"সাগৰত যেনেকৈ ঢৌ উঠে আৰু মাৰ যায়,
শুকাই নোহোৰা হয় যেনেকৈ ক্ৰমক্ষয়ী মান নদী
ঠিক তেনেকৈ এদিন শুই পৰে মানুহ,
জাগি নুঠে আৰু কোনোদিন।
মৃত্যুৰ পিছত মানুহে জানো ঘুৰাই পাব নৱ জীৱন?
যিসকলৰ মৃত্যুও হৈ পৰে এক অক্ষয় কীৰ্তি
হৈ পৰে জাতিৰ গৌৰৱ
সেই সকল ব্যক্তিৰ
পবিত্ৰ স্মৃতিত
গভীৰ
শ্ৰদ্ধাঞ্জলি"।।

## সম্পাদকৰ কলম



প্ৰায় একবিংশ শতিকাৰ দুৱাৰ দলিত ভৰি দিয়া, সভ্যতাৰ চূড়ান্ত শিখৰত আৰোহণ কৰা মানৱ সমাজৰ চৌপাশৰ পৰিৱেশলৈ চালেই মনত প্ৰশ্ন জাগে, আমি আকৌ আদিমতালৈ উভতি যোৱাৰ আয়োজন কৰিছো নেকি? আমাৰ চৌপাশে আজি আসুৰিকতাৰ তাণ্ডৱ। যান্ত্ৰিকতাৰ মোহত আৱদ্ধ হৈ আমি পাহৰি গৈছো নেকি; আমিয়েই জীৱ শ্ৰেষ্ঠ মানৱ? দয়া, মৰম, সহানুভূতি আদি মানৱীয় অনুভূতি জলাঞ্জলি দি আমি হৈ পৰিছো নেকি একো একোটা ৰবট?

প্ৰশ্নবোৰ নিৰাশাজনক হ'লেও আমি ধৈৰ্য্য সহকাৰে ইয়াৰ প্ৰতিকাৰ কৰিব লাগিব আৰু তাকে কৰিবলৈ প্ৰয়োজন আত্ম প্ৰত্যয়ৰ। লগতে আমি আহৰণ কৰিব লাগিব অনাহক লজ্জা আৰু অৱহেলা জয় কৰিব পৰা গুণ। অতীতৰ লগত বৰ্ত্তমানৰ তুলনা কৰি চালেই এইটো ওলাই পৰে যে অতীততকৈ বৰ্ত্তমান যথেষ্ট উন্নত। এই যুক্তিয়েই হওঁক প্ৰেৰণাৰ চাবিকাঠি। কাৰোবাৰ বাবে জীৱন যদিও মৰুভূমি হয়, আশা মৰীচিকা হয়, তথাপি তেওঁ ক্লান্ত নহৈ যাত্ৰা কৰিব লাগিব অদম্য সাহসেৰে, মৰুদ্যান ক'ৰবাত নিশ্চয় আছে এই বিশ্বাসেৰে। এখন ওখ পাহাৰৰ এটি টিলাত থিয় হৈ এটি মিঠা সুহুৰি মাৰিলে পাহাৰত ঠেকা খাই উভতি অহা সুৱদী সুহুৰিটো মোৰ নিজৰ সৃষ্টি বুলি চিনাকি দি আমি গৌৰৱ কৰো। অথচ সেই একেখন পাহাৰৰ টিলাত থিয় হৈ মৰা অশ্লীল কিৰিলিৰ প্ৰতিধ্বনিক কিন্তু নিজৰ বুলি চিনাকি নিদিওঁ। আমি সেই সত্যৰ প্ৰতিবাদ কৰি কওঁ সেয়া পাহাৰৰ সিপাৰে বাস কৰা কোনোবা অসভ্য বৰ্বৰৰ চিঞৰ। আমি সমাজখন নিকা কৰিবলৈ হলে প্ৰথমেই ত্যাগ কৰিব লাগিব এনে মানসিকতা।

আচলতে প্ৰত্যেক মানুহৰেই অন্তৰৰ গভীৰতম স্থানত অলপ কোমল ঠাই থাকে। য'ত সঞ্চিত থাকে তেওঁৰ মানৱীয় অনুভূতিবোৰ। সময়ৰ কুটিল আহ্বানত সঁহাৰি দিয়া যান্ত্ৰিকতাৰ হেঁচাত এই অনুভৱবোৰ আজি চেপা খাই উলিয়াই অনা। আছে হিয়াৰ তলিত। আমাৰ দায়িত্ব কেৱল সেইখিনি গুড়ি হৈ যাবলৈ নিদি সযতনে সাহিত্য হব পাৰে এটা জাতিৰ

সাহিত্য জাতিৰ দাপোন। য'ত প্ৰতিফলিত হয় এটা জাতিৰ আশা, আকাংক্ষা। সাহিত্য হব পাৰে এটা জাতিৰ আশা আৰু প্ৰেৰণাৰ প্ৰতীক। এটি শিশু জন্মৰ পিছত প্ৰথম জাতিটোৰ সৈতে পৰিচিত হয় ভাষাৰ যোগেদি আৰু ভাষা, সাহিত্যৰেই অংগ। এটি শিশু সুযোগ্য হৈ উঠাৰ ওপৰত জাতিটোৰ সাহিত্যই ভালেখিনি প্ৰভাৱ পেলায়। বৰ্ত্তমান সময়ত আমাৰ অসমীয়া ভাষা সাহিত্যৰ অৱস্থা বিপদাপন্ন। অন্য ভাষাৰ তুলনাত আমাৰ ভাষা সাহিত্যৰ অৱস্থা আজিও হতাশজনক। তাতে আকৌ ইংৰাজী ভাষাৰ ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তাই অসমীয়া ভাষাৰ মূৰত মাধমাৰ সোধাইছে, য'ত বহু অসমীয়াইও হাত উজান দিছে। ভাষাৰ অস্তিত্ব ৰক্ষাৰ উপৰিও আমি লক্ষ্য কৰিব লগা হৈছে ক্ৰমাগত নিঃশেষ হৈ যাব ধৰা মানৱীয় মূল্যবোধ জগাই তোলা। এনে সংকটৰ সময়ত সাহিত্য সেৱাৰ মাধ্যমেৰে উক্ত সমস্যা সমাজখনত "এপাচি শাকত এটা জালুক"ৰ দৰে হ'লেও সহায় কৰাৰ প্ৰয়াসেৰেই "প্ৰাগজ্যোতি"ৰ জন্ম। সুযোগৰ অভাৱত সুপ্ত হৈ থকা এই মহাবিদ্যালয়ৰ কেতবোৰ প্ৰতিভা বিকাশৰ বাবে 'প্ৰাগজ্যোতি'য়ে জন্মলগ্নৰ পৰাই চেষ্টা কৰি আহিছে। এই আলোচনীখনে উৎকৃষ্ট সাহিত্যৰ জন্ম দিয়াত বিশেষ সফল হব পৰা নাই যদিও বহু প্ৰতিভাক পোহৰলৈ অনাত সফল হৈছে। এইখিনিতেই 'প্ৰাগজ্যোতি'ৰ তাৎপৰ্য।

শেষত সমূহ এন্ এইচীয়ানলৈ মোৰ বিশেষ অনুৰোধ যি সকলৰ ৰচনা এইবাৰ প্ৰকাশিত হৈছে তেওঁলোকে যেন ইয়াকেই সফলতাৰ শিখৰ বুলি নাভাবি নিজৰ ৰচনা শৈলী আৰু অধিক উন্নত কৰক আৰু যি সকলৰ ৰচনা প্ৰকাশৰ যোগ্য বুলি বিবেচিত নহ'ল তেওঁলোকেও হতাশ নহৈ দুগুণ উৎসাহেৰে নকৈ উৎকৃষ্ট সাহিত্য ৰচনাত মনোনিবেশ কৰক। লগতে কামনা কৰিছো অসমীয়া সাহিত্যৰ জয় জয়, ময় ময় হওঁক, আমাৰ মহাবিদ্যালয়ৰ চৌহদৰ পৰা যুগজয়ী সাহিত্যৰ সৃষ্টি হওঁক।

**স্বীকাৰোক্তি ঃ** মই স্বীকাৰ কৰিছো আলোচনীখন পলমকৈ ওলোৱাৰ অভিযোগ। আচলতে আলোচনীৰ দায়িত্ব লওতে মই কল্পনাই কৰিব পৰা নাছিলো পৰৱৰ্তী কষ্টখিনিৰ কথা। যি কি নহওঁক আলোচনীখন প্ৰকাশ পোৱাৰ আনন্দ সকলো ছাত্ৰ-ছাত্ৰীয়ে মোৰ লগত সমানে ভগাই ললে মই কৃতাৰ্থ হম।

**কৃতজ্ঞতা ঃ** এই ছেগতে আলোচনীখন সম্পাদনাৰ কামত সহায় কৰা মোৰ মাননীয় শিক্ষাগুৰু তথা বন্ধু-বান্ধৱী প্ৰমুখ্যে মোক নিৰ্বাচিত কৰি এই দায়িত্ব অৰ্পণ কৰা সমূহ এন এইচীয়ানলৈ মই কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

ধন্যবাদেৰে
জয়তু এন্ এইচ্ কলেজ

**শ্ৰীকঙ্কন শৰ্মা**
সম্পাদক, প্ৰাগজ্যোতি
নিৰ্মল হালৈ মহাবিদ্যালয়



*A busy moment of our Respected Principal*
**Dr. Ramesh Sarma**

## সূচীপত্ৰ


*সম্পাদকীয় কলম*

*প্ৰবন্ধ মালা* ১ - ১৬

অসমৰ স্ত্ৰী-শিক্ষাৰ অগ্ৰগতিৰ সংক্ষিপ্ত বিৱৰণ ঃ শ্ৰীসাবিত্ৰী বেজবৰুৱা
ৰাস ক্ৰীড়া ঃ কীৰ্ত্তন ঘোষাৰ ইয়াৰ প্ৰাসঙ্গিকতা ঃ শ্ৰীমনোজ শৰ্মা
সত্য প্ৰসাদ বৰুৱাৰ নাট শিক্ষাৰ এটি আলোচনা ঃ শ্ৰীঅনুপম তালুকদাৰ
সংৰক্ষণ বিৰোধী আন্দোলন অন্য এক দৃষ্টিভঙ্গী ঃ শ্ৰীচন্দন কুমাৰ গোস্বামী
শিক্ষা ব্যৱস্থাৰ ছাত্ৰ শিক্ষকৰ গুৰুত্ব ঃ মিচ্ সবিতা শৰ্মা

*কবি ঘৰ* ১৭ - ২৮

তিক্ততা ঃ শ্ৰীকংকন ভৰালী
মাদাৰ টেৰেছা ঃ মিচ্ প্ৰতিভা বসু
ফুটে চকুত প্ৰিয়া তোমাৰ হাঁহি ঃ শ্ৰীবিৰাজ তালুকদাৰ
এটি কবিতা জন্মৰ আশাৰে ঃ শ্ৰীকংকন শৰ্মা
তোমাৰ বাবে ঃ শ্ৰীসোনমা দেৱী
সময় ঃ মিচ্ গীতুমণি ডেকা
বহাগ ঃ মিচ্ নিবেদিতা ডেকা
প্ৰস্তাৱ ঃ শ্ৰীকিশোৰ কুমাৰ গোস্বামী
স্বাধীনতা ঃ শ্ৰীমুনিন্দ্ৰ দাস
মায়বিনী ঃ শ্ৰীভবদেৱ গোস্বামী
অনামিকা ঃ শ্ৰীখনিন ওজাকাহাৰ
প্ৰতাৰনা ঃ শ্ৰীঅপূৰ্ব কলিতা
প্ৰাত্যহিক ঃ শ্ৰীমুকুতা ডেকা
শেৱালী ঃ শ্ৰীগৌতম কুমাৰ শৰ্মা
নিঃসঙ্গতা ঃ শ্ৰীপ্ৰসান্ত কুমাৰ তালুকদাৰ
হিয়া ঃ মিচ্ প্ৰণীতা শৰ্মা
সংঘাত ঃ মঃ মিজানুৰ ৰহমান
সময়লৈ ঃ শ্ৰীসবিতা কলিতা
মৃত্যু এক প্ৰিয় বন্ধুৰ ঃ শ্ৰীঅনুপম তালুকদাৰ
মই প্ৰতিবাৰেই প্ৰেমত পৰো ঃ শ্ৰীসতীশ ডেকা
সংগ্ৰাম ঃ নিৰঞ্জন হাজৰিকা
ভয় ঃ শ্ৰীপ্ৰণৱ শৰ্মা

গল্প গুচ্ছ

নিষ্ঠুৰ নিয়তি ঃ শ্ৰীনথিৰাম হালৈ

অন্তৰৰি ঃ শ্ৰীকংকন শৰ্মা

প্ৰতিশ্ৰুতি ঃ শ্ৰীজয়দেৱ দাস

আশাৰ স্মৃতি ঃ শ্ৰীতৰনী ৰাজবংশী

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীৰ ফটো ঃ

বিভিন্ন ক্ষেত্ৰৰ শ্ৰেষ্ঠসকলৰ ফটো ঃ

সম্পাদনা সমিতিৰ ফটো ঃ

১৯৮৮ চনৰ পৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, আৰু আলোচনী সম্পাদকৰ নামৰ তালিকা

১৯৯৭-৯৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ হৈ যোৱা প্ৰতিযোগিতাৰ, প্ৰতিযোগীসমূহৰ নাম

সম্পাদকীয় প্ৰতিবেদন

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীহেমেন কলিতা

গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীপ্ৰহলাদ ৰাজবংশী

লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীমুকুন্দ ৰয়

ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ হেমেন ৰাজবংশী


ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ শ্ৰীৰিতামণি বৰুৱা

***ENGLISH SECTION***

Bapiram (Translated) Laxminath Bezbaruah : Sri Anup Kumar Goswami
*Lecturer in English*

A NOTE ON THE SĀṀKHYA THEORY OF THE PLURALITY OF THE PURUṢA : Dr. Prabodh Chandra Goswami
*Lecturer in Sanskrit*

# প্ৰবন্ধমালা



# অসমৰ স্ত্ৰী-শিক্ষাৰ অগ্ৰগতিৰ সংক্ষিপ্ত বিৱৰণ ঃ

**শ্ৰীসাৱিত্ৰী বেজবৰুৱা**

*প্ৰৱক্তা, শিক্ষা বিভাগ*

যিখন দেশৰ মহিলাই 'ছাতে শুকোৱা, মুঠিতে লুকুৱা' কাপোৰ ব'ব জানিছিল, যিখন দেশৰ মহিলাই স্বাধীনতা আন্দোলনত পুৰুষৰ সমানে যুঁজ দিব পাৰিছিল, সেইখন দেশত যে উচ্চ পৰ্য্যায়ৰ স্ত্ৰী-শিক্ষাৰ প্ৰচলন আছিল, সেইটো অতি সহজেই অনুমেয়। কিন্তু কালৰ সোঁতত এই গৌৰৱ লীন হোৱাৰ উপক্ৰম হৈছে। আহোম ৰাজত্বৰ শেষছোৱা কালত ৰাজনৈতিক বিশৃংখলতাই শিক্ষাৰ লগতে সমাজ জীৱনতো আউল লগায়। দীৰ্ঘদিন ধৰি নিৰাপত্তাহীন জীৱন যাপন কৰিব লগীয়া হোৱা কাৰ্য্যই ৰক্ষণশীলতাৰ নামত কু-সংস্কাৰে গা-কৰি উঠিছিল, যাৰ ফলত অসমত স্ত্ৰী-শিক্ষা বাৰুকৈয়ে অৱহেলিত হৈ পৰিছিল।

ঊনৈশ শতিকাৰ চতুৰ্থ দশকত অৰ্থাৎ অসমত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ শাসন আৰম্ভ হোৱাৰ পিছত খ্ৰীষ্টান মিছনাৰীসকলে আগবঢ়োৱা শিক্ষাৰ সুবিধা অসমীয়া সমাজে দ্বিধাহীনভাৱে গ্ৰহণ কৰিব পৰা নাছিল। অতি ৰক্ষণশীল আৰু প্ৰাচীনপন্থী হোৱা হেতু অসমীয়া সম্ভ্ৰান্ত ঘৰৰ তিৰোতাই ঘৰৰ বাহিৰলৈ আহি শিক্ষা লাভ কৰাটো সমাজত নিন্দনীয় আছিল। এনে দৃষ্টিভঙ্গীয়ে শাসক শ্ৰেণীক এই ক্ষেত্ৰত নিৰ্বিকাৰ হৈ থকাত বেচ সহায় কৰিছিল। ভাৰতবৰ্ষৰ আন আন প্ৰদেশৰ দৰে অসমৰ স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰতো প্ৰধান অগ্ৰণী হিচাপে প্ৰত্যক্ষ ভূমিকা গ্ৰহণ কৰি খৃষ্টীয়ান মিছনাৰীসকলে ঠায়ে ঠায়ে ছোৱালীৰ কাৰণে স্কুল পাতিছিল আৰু অসমীয়া মানুহক স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে উপলব্ধি কৰাবলৈ দেহে কেহে খাটিছিল। মিছনাৰীসকলৰ পত্নীসকলে বিভিন্ন ঠাইত "জানানা স্কুল" খুলি স্ত্ৰী-শিক্ষা দিয়াত প্ৰধান ভূমিকা লয়। অহোপুৰুষাৰ্থ চেষ্টা কৰি ঘৰে ঘৰে গৈ কেইঘন্টামানৰ কাৰণে বিবাহিতা নাৰীক জনাই প্ৰথম পাঠ দিয়াৰ ব্যৱস্থা কৰিলেও ই স্থায়ী হোৱা নাছিল। কিছু দিনৰ পিছত ছাত্ৰীৰ অভাৱত "জানানা স্কুল" বন্ধ কৰি দিছিল যদিও ঠাই বিশেষে কিছুমান এনে স্কুল চলি আছিল।

## প্ৰাথমিক শিক্ষা ঃ

১৮৩৯ চনত ব্যাপ্তিষ্ট মিছনাৰীসকলে শদিয়াত দুখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল, তাৰে এখন স্কুল ছোৱালীৰ কাৰণে খুলিছিল। এওঁলোকৰ প্ৰচেষ্টা অসমৰ কাৰণে উজ্জ্বলময় আছিল। এওঁলোকে শিৱসাগৰ, নগাওঁ আৰু কামৰূপ জিলাত কেবাখনো প্ৰাথমিক স্কুল স্থাপন কৰিছিল। এটি মন কৰিবলগীয়া কথা এই যে মাতৃ প্ৰধান সমাজ হোৱা হেতুকে স্ত্ৰীশিক্ষাৰ অৱস্থা খাচী আৰু জয়ন্তীয়া সমাজত তুলনামূলকভাৱে উন্নত আছিল। খাচী আৰু জয়ন্তীয়া পাহাৰ জিলাত স্ত্ৰী-শিক্ষাৰ প্ৰচাৰৰ কাৰণে প্ৰচেষ্টা চলাইছিল ৱেলচ মিছনাৰীসকলে। এনেকৈ লাহে লাহে অসমৰ বিভিন্ন জিলাত ছোৱালীৰ কাৰণে প্ৰাথমিক স্কুল স্থাপন কৰিব ধৰিলে। নিম্নোক্ত তালিকাখনে ১৮৭৫-৭৬ চনত অসমৰ বিভিন্ন জিলাত স্থাপিত হোৱা ছোৱালীৰ প্ৰাথমিক স্কুলৰ লগতে ছাত্ৰীৰ পৰিসংখ্যা সূচাইছে।

তালিকা -১

| জিলা | স্কুলৰ সংখ্যা | ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| কাছাৰ | ৫ | ৫৯ |
| চিলেট | ২ | ২০ |
| গোৱালপাৰা | ২ | ৩১ |
| খাছী জয়ন্তীয়া | ১২ | ৩৯০ |
| গাৰোপাহাৰ | — | ১০ |
| কামৰূপ | ৬ | ১০৯ |
| দৰং | ৪ | ৭০ |
| নগাওঁ | ৬ | ৭৬ |
| শিৱসাগৰ | ৩ | ১৩৩ |
| লক্ষীমপুৰ | — | ৮ |

এইদৰে মিছনাৰীসকলৰ প্ৰচেষ্টাত অসমৰ অ'ত ত'ত গঢ়ি উঠা ছোৱালীৰ স্কুলৰ সংখ্যা বৃদ্ধি হবলৈ ধৰিলে। পিছলৈ ইংৰাজ চৰকাৰকো ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত কিছু পৰিমানে তৎপৰ হোৱা দেখা গৈছিল। কাৰণ অসমীয়া ছোৱালীয়ে যাতে মাধ্যমিক শিক্ষা গ্ৰহণ কৰিব পাৰে তাৰ বাবে ইংৰাজ চৰকাৰে প্ৰাথমিক স্তৰত উত্তীৰ্ণ হোৱা ছাত্ৰীৰ কাৰণে বৃত্তিৰ সংখ্যা বঢ়াই দিছিল। ফলস্বৰূপে ছোৱালীৰ প্ৰাথমিক স্কুলৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাই আহিবলৈ ধৰিলে। তলত স্বাধীনতাৰ আগতে অসমত ছোৱালীৰ প্ৰাথমিক শিক্ষাৰ অৱস্থা কেনে আছিল তাক দেখুওৱা হৈছে।

**ছোৱালীৰ প্ৰাথমিক স্কুল আৰু ছাত্ৰীৰ সংখ্যা**

তালিকা -২

| বছৰ | স্কুলৰ সংখ্যা | ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| ১৮৮৯ | ১৮৫ | ৩১৪৪ |
| ১৯০৪ | ২১৬ | — |
| ১৯২১-২২ | ৩৪৩ | ২৪০৮২ |
| ১৯৩৬-৩৭ | ৭৯৩ | ২৯৭৯৪ |
| ১৯৪৬-৪৭ | ১৪৬৪ | ৫৬৯৯৮ |

আদিতে অকল ছোৱালীৰ বাবে পতা স্কুল হ'লেও ল'ৰাক পঢ়া সুবিধা দিয়া স্কুলও আছে।

স্বাধীনতা লাভ কৰাৰ পিচত আমাৰ দেশৰ সংবিধানত সাৰ্বজনীন প্ৰাথমিক শিক্ষা বিস্তাৰৰ প্ৰতিশ্ৰুতি দিয়া হয় যদিও নানা কাৰণত সেই প্ৰতিশ্ৰুতি সম্পূৰ্ণৰূপে এতিয়াও পালন কৰিব পৰা নাই। ১৯৩৭ চনৰ পিছত ছোৱালীৰ প্ৰাথমিক স্কুলৰ সংখ্যা কমি গৈছিল যদিও প্ৰকৃতাৰ্থে কমা নাছিল। কাৰণ ১৯৩৭ চনত কিছুমান ছোৱালীৰ প্ৰাইমাৰী স্কুলত ল'ৰা ছোৱালী উভয়ে পঢ়িবলৈ লৈছিল। ১৯৩৬-৩৭ চনত ছোৱালীৰ প্ৰাথমিক স্কুল আছিল ৭৯৩ খন, এই সংখ্যা কমি গৈ ১৯৫৮-৫৯ চনত ছোৱালীৰ প্ৰাথমিক স্কুলৰ সংখ্যা ৬২২ খন আৰু ছাত্ৰীৰ সংখ্যা ২,৭২,৮৯৯ জনী হয়গৈ। ১৯৬০-৬১ চনত ১৭৪৯ জন ল'ৰাই ছোৱালী একেলগে পঢ়িলে বহুত খৰচ কম হয় কাৰণে লোকেল ব'ৰ্ড আৰু বেচৰকাৰী অনুষ্ঠানে এনে ধৰণৰ স্কুল পতাত বেছি আগ্ৰহ দেখুৱাইছিল। সেয়েহে ১৯৬০-৬১ চনত ৭৭,৯৮২ জনী ছোৱালী ল'ৰাৰ স্কুলত পঢ়িছিল। তলত স্বাধীনতা লাভৰ পৰা ১৯৭১ চনলৈকে অসমত স্থাপিত হোৱা ছোৱালীৰ স্কুলৰ সংখ্যাৰ এটি খটিয়ান দাঙি ধৰা হ'লঃ

ঃ চহৰ আৰু গাওঁ অঞ্চলত ছোৱালীৰ স্কুলৰ মুঠ সংখ্যা - (১৯৪৭-১৯৭১)

তালিকা -৩

| চন | প্ৰাথমিক আৰু নিম্ন বুনিয়াদী স্কুলৰ সংখ্যা | | |
|---|---|---|---|
| | গাওঁ | চহৰ | মুঠ |
| ১৯৪৭-৪৮ | ৯৫৭ | ৬৫ | ১০৮৪ |
| ১৯৫১-৫২ | ১১৬২ | ৬৫ | ১১২৭ |
| ১৯৫৬-৫৭ | ৬৬৪ | ৭৩ | ৭৩৭ |
| ১৯৬১-৬২ | ৬৬২ | ৭৫ | ৬৯৭ |
| ১৯৬৬-৬৭ | ৫৭০ | ৮১ | ৬৫১ |
| ১৯৭০-৭১ | ৫৩০ | ৭৩ | ৬০৩ |

অসম ৰাজ্যিক শিক্ষাধিকাৰৰ কাৰ্য্যালয়ৰ পৰা প্ৰকাশ পোৱা তথ্য অনুসৰি ১৯৭০ চনত ছোৱালীৰ বাবে আচুতীয়া প্ৰাথমিক স্কুলৰ সংখ্যা আছিল ৬০৩ খন আৰু অকল সেই স্কুলত ছাত্ৰী আৰু শিক্ষয়িত্ৰীৰ সংখ্যা আছিল ক্ৰমে ১৭,১৯২ জনী আৰু ৫৪৪৪ জনী। তাৰে পিচৰ দহ বছৰত অৰ্থাৎ ১৯৮০ চনত প্ৰাথমিক স্কুলৰ সংখ্যা ৪৫৪ খনলৈ হ্ৰাস পায়। সংখ্যা হ্ৰাস পোৱাৰ কাৰণ হ'ল— কেৱাখনো ছোৱালীৰ স্কুলত ল'ৰা ছোৱালী উভয়ে পঢ়িবলৈ ল'লে, লগতে অসমখন স্বাধীনতাৰ সময়ত যিমান ডাঙৰ আছিল, পিচলৈ বিভাজন হৈ আকাৰ ক্ৰমে সংকুচিত হ'ল। ১৯৮০ চনত ছাত্ৰীৰ সংখ্যা ৭,২৮,১৭২ জনীলৈ বৃদ্ধি পালে শিক্ষয়িত্ৰীৰ সংখ্যা ৯৪৬০ গৰাকী হ'ল। এইটো স্বীকাৰ কৰিব লাগিব যে কুৰি শতিকাৰ শেষৰফালে অসমত প্ৰাথমিক পৰ্য্যায়ৰ ছোৱালীৰ সংখ্যা আশাতীতভাবে বৃদ্ধি হৈছে।

**মাধ্যমিক শিক্ষা ঃ** আমাৰ অসমত স্বাধীনতাৰ আগতে মাধ্যমিক স্তৰত স্ত্ৰী-শিক্ষা বৰ পিচপৰি আছিল। ১৮৮৯ চনলৈ ছোৱালীৰ কাৰণে সুকীয়া মাধ্যমিক স্কুল স্থাপিত নোহোৱাৰ কাৰণে ল'ৰাৰ লগতে কিছু সংখ্যক ছাত্ৰীয়ে মাধ্যমিক শিক্ষা লাভ কৰিছিল। উনৈশ শতিকাৰ শেষৰফালে চিলং, জোৰাই, চেলা আৰু চেৰাপুঞ্জীত ল'ৰাৰ মজলীয়া স্কুলত একোটিকৈ ছোৱালীৰ কাৰণে বেলেগ শাখা খোলা হৈছিল। সেয়াই আছিল অসমত ছোৱালীৰ মাধ্যমিক শিক্ষাৰ আৰম্ভ।

লাহে লাহে অসমীয়া সমাজৰ আগৰ ৰক্ষণশীলতা আৰু স্ত্ৰী-শিক্ষাৰ প্ৰতি থকা উদাসীনতা বহু পৰিমানে হ্ৰাস পাই অহাত ছোৱালীৰ





কাৰণে মজলীয়া আৰু হাইস্কুল স্থাপনৰ দাবী উত্থাপিত হৈছিল। ১৮৯১ চনত ধুবুৰী আৰু ডিব্ৰগড়ত দুখন মধ্য অসমীয়া স্কুল আৰু চিলঙত এখন মধ্য ইংৰাজী স্কুল আছিল। ১৯০৪-০৫ চনত পুনৰ এখন মধ্য অসমীয়া আৰু এখন মধ্য ইংৰাজী স্কুল স্থাপন কৰিছিল। এনেকৈ লাহে লাহে অসমৰ বিভিন্ন ঠাইত ছোৱালীৰ কাৰণে আচুতীয়াকৈ মজলীয়া স্কুল স্থাপন কৰিব ধৰিলে। নিম্নোক্ত তালিকাখনে স্বাধীনতাৰ আগতে মজলীয়া স্তৰত স্ত্ৰী-শিক্ষাৰ বিকাশৰ এটা আভাস দিয়ে।

তালিকা -৪

| বছৰ | মজলীয়া স্কুলৰ সংখ্যা | ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| ১৯২১-২২ | ৩০ | ২,৮১২ |
| ১৯৩৬-৩৭ | ৫৪ | ৯,২৫৮ |
| ১৯৪৬-৪৭ | ১১৪ | ১২,২৫৮ |

স্বাধীনতাৰ পিচত অসমত অন্যান্য শিক্ষাৰ লগতে স্ত্ৰী-শিক্ষাৰো বিকাশ হবলৈ ধৰিলে কাৰণ ছোৱালী শিক্ষাৰ ক্ষেত্ৰত আগৰ ৰক্ষণশীলতা আৰু উদাসীনতা ভাব হ্ৰাস পাই আহিল। ফলস্বৰূপে স্ত্ৰী-শিক্ষাই প্ৰসাৰ লাভ কৰিব ধৰিলে। ১৯৬০-৬১ চনত অসমত মহিলাৰ বাবে মজলীয়া স্কুল আছিল ১৫০ খন আৰু ছাত্ৰীৰ সংখ্যা আছিল ১৬,৭৩৪ জনী। এই সংখ্যা বৃদ্ধি হৈ ১৯৬৫-৬৬ চনত স্কুলৰ সংখ্যা ২১২ খন আৰু ছাত্ৰীৰ সংখ্যা ২১,৫১০ জনী হয়। ঠিক সেইদৰে ১৯৬৬-৬৭ চনত মহিলাৰ মজলীয়া স্কুলৰ সংখ্যা ২২১ খনলৈ আৰু ছাত্ৰী ২২,৩৭৬ জনীলৈ বৃদ্ধি পায়। ১৯৬৭ চনৰ শৈক্ষিক বৰ্ষৰ আৰম্ভনিৰ পৰা ষষ্ঠমান শ্ৰেণীলৈকে ছাত্ৰীসকলক মাচুল ৰেহাই দিয়া হয়। ছোৱালীৰ স্কুলৰ বাবে অধিক ধন মঞ্জুৰ কৰে আৰু বিভিন্ন পৰ্য্যায়ৰ ছোৱালীৰ স্কুলক উন্নত পৰ্য্যায়লৈ উন্নীত কৰা হয়। ১৯৭০ চনত অসমত ছোৱালীৰ বাবে স্থাপন কৰা মজলীয়া স্কুলৰ সংখ্যা আছিল ২৭৬ খন, ছাত্ৰীৰ সংখ্যা ২৪,১৪৬ জনী আৰু শিক্ষয়িত্ৰী আছিল ৮১৮ গৰাকী। পিচৰ দহ বছৰত অৰ্থাৎ ১৯৮০ চনত এই সংখ্যা বৃদ্ধি হৈ ছোৱালীৰ মজলীয়া স্কুলৰ সংখ্যা ৩৩৭ খন হয় আৰু ছাত্ৰী তথা শিক্ষায়িত্ৰী ক্ৰমে ২,৩৩৫৮০ আৰু ৩,৫৬০ জনীলৈ বৃদ্ধি পায়।

হাইস্কুলীয়া শিক্ষা স্তৰত স্ত্ৰী-শিক্ষাৰ বিস্তৃতি সম্বন্ধে বিচাৰ কৰিলে দেখা যায় যে ১৯১০ চনৰ আগতে অসমত ছোৱালীৰ বাবে স্থাপন কৰা আছুতীয়া হাইস্কুল নাছিল। বৃটিছ শাসকে স্ত্ৰী-শিক্ষাক অত্যন্ত পিচ পৰা বুলি স্বীকাৰ কৰিও ইয়াৰ প্ৰসাৰৰ কাৰণে কোনো দিনে বিশেষ ব্যৱস্থা লোৱা নাছিল। সেয়েহে আমাৰ অসমত স্ত্ৰী-শিক্ষাই স্বাধীনতাৰ আগতে বিশেষ প্ৰসাৰ লাভ কৰিব পৰা নাছিল। নিম্নোক্ত তালিকাখনে স্বাধীনতাৰ আগতে অসমত মহিলাৰ হাইস্কুলৰ প্ৰসাৰ সম্বন্ধে সূচাইছে—।

তালিকা -৫

| বছৰ | মহিলাৰ হাইস্কুলৰ সংখ্যা |
|---|---|
| ১৯২০-২১ | ৩ |
| ১৯৩৬-৩৭ | ১৩ |
| ১৯৪৬-৪৭ | ৩১ |

এই স্কুলবোৰৰ উপৰি বিভিন্ন ল'ৰাৰ হাইস্কুলত ছোৱালীক শিক্ষা দিয়া হৈছিল। এনেধৰণৰ সহশিক্ষাৰ ব্যৱস্থা বিশেষকৈ গাওঁ অঞ্চলত আছিল। কাৰণ গাওঁ অঞ্চলত যথেষ্ট সংখ্যক ছাত্ৰী আৰু অৰ্হতা সম্পন্ন শিক্ষায়িত্ৰীৰ অভাৱত ছোৱালীৰ বাবে আছুতীয়া অনুষ্ঠান পতা সম্ভৱ নহৈছিল। ইয়াৰোপৰি চৰকাৰে ল'ৰাৰ স্কুলৰ দৰে ছোৱালীৰ স্কুল পতাত আগভাগ লোৱা নাছিল, স্কুল সমূহৰ বেছিভাগ স্কুলেই বেচৰকাৰী উদ্যোগত স্থাপন কৰা হৈছিল। চৰকাৰে নিজে অধিক স্কুল নিজৰ হাতত নাৰাখি বেচৰকাৰী স্কুললৈ আৰ্থিক সাহাৰ্য্যহে আগবঢ়াইছিল। ১৯৩৬-৩৭ চনৰ ১৩ খন হাইস্কুলৰ ভিতৰত মাত্ৰ দুখনহে চৰকাৰী আছিল। ঠিক তেনেদৰে স্বাধীনতাৰ দহ বছৰ পিচলৈকো চৰকাৰী হাইস্কুলৰ সংখ্যা বৃদ্ধি হোৱা নাই বুলিব পাৰি। ১৯৫৮-৫৯ চনত অসমৰ ৬৭ খন ছোৱালী হাইস্কুলৰ ভিতৰত ৩খনহে চৰকাৰী আছিল, বাকী কেইখনৰ ৫১খন সাহাৰ্য্যপ্ৰাপ্ত, ৯ খন সাহায্যহীন আৰু ৪ খন অস্বীকৃত স্কুল আছিল।

স্বাধীনতাৰ পিছৰ পৰা কংগ্ৰেছ চৰকাৰে স্ত্ৰী-শিক্ষাৰ বাবে বিশেষ আঁচনি লোৱা নাছিল যদিও বেচৰকাৰী উদ্যোগত প্ৰতিষ্ঠিত স্কুলবোৰক সাহায্য দি ইয়াৰ প্ৰসাৰৰ ব্যৱস্থা কৰিছিল। তলৰ তালিকাত স্বাধীনতাৰ পিচৰ পৰা ১৯৮০ চনলৈ অসমত ছোৱালীৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্কুলৰ পৰিসংখ্যা দেখুওৱা হ'ল—

তালিকা -৬

| বছৰ | স্কুলৰ সংখ্যা |
|---|---|
| ১৯৪৭-৪৮ | ২৭ |
| ১৯৫১-৫২ | ৩৬ |
| ১৯৫৬-৫৭ | ৫১ |
| ১৯৬১-৬২ | ৭৫ |
| ১৯৬৬-৬৭ | ১৫২ |
| ১৯৭০-৭১ | ১৭৮ |
| ১৯৮০-৮১ | ২৫১ |

অসম ৰাজ্যিক শিক্ষাধিকাৰ কাৰ্য্যালয়ৰ পৰা প্ৰকাশ পোৱা তথ্য অনুযায়ী ১৯৮০ চনলৈ অসমত ছোৱালীৰ বাবে আছুতীয়াকৈ স্থাপন কৰা ২৫১ খন মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্কুলত ছাত্ৰীৰ সংখ্যা আছিল ২,১০,০৪৮ জনী আৰু শিক্ষয়িত্ৰী আছিল ৩,৮২৬ গৰাকী। ১৯৭০ চনত ১৫৩ খন স্কুলত ছাত্ৰীৰ সংখ্যা আছিল ১,০৮,৬০৮, গতিকে ১৯৭০ চনৰ পৰা ১৯৮০ চনলৈ এই দহ বছৰত উচ্চ-মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰত ছাত্ৰী সংখ্যা দুগুণ হয়। এইদৰে অসমত মাধ্যমিক স্তৰতো ছোৱালীৰ সংখ্য ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে।

**উচ্চ শিক্ষা ঃ** কুৰি শতিকাৰ আদিতে অসমত স্ত্ৰী-শিক্ষাৰ বাবে কোনো ধৰণৰ আছুতীয়া মহাবিদ্যালয় নাছিল, আনকি সহশিক্ষাৰ বাবেও ল'ৰাৰ মহাবিদ্যালয়লৈ কোনো ছোৱালী পঢ়িব অহা নাছিল। লাহে লাহে অসমীয়া সমাজত সহ শিক্ষাৰ প্ৰতি থকা বিৰূপ মনোভাৱ বহু পৰিমানে শিথিল হৈ পৰিছিল। আগতে সমাজৰ ৰক্ষণশীল পৰিৱেশ এৰি উচ্চ শিক্ষাৰ বাবে সহ শিক্ষাৰ মহাবিদ্যালয়লৈ ছোৱালী অহাটো এটা বৈপ্লৱিক অভিযান আছিল। অসমত পোন প্ৰথমে ১৯২৯ চনত এগৰাকী মহিলাই কটন কলেজত ভৰ্ত্তি হয় আৰু এয়াই অসমত কলেজীয়া স্তৰত ছোৱালীৰ শিক্ষাৰ পাতনি মেলা হৈছিল। তাৰ পছত বছৰি উচ্চ শিক্ষাৰ্থে অহা ছাত্ৰীৰ সংখ্যা বৃদ্ধি হবলৈ ধৰিলে। ১৯৩৭ চনত কলেজীয়া শিক্ষাৰ্থে ৩৬ গৰাকী মহিলা ভৰ্তি হৈছিল। ১৯৩৩ চনত চিলঙত "লেডী কীন কলেজ" নামেৰে অসমৰ প্ৰথমখন ছোৱালী কলেজ স্থাপন কৰে আৰু এয়াই অসমত ছোৱালীৰ কাৰণে সুকীয়া কলেজ স্থাপনৰ পাতনি মেলিলে। ১৯৩৮-৩৯ বৰ্যত গুৱাহাটীত স্থাপন কৰা সন্দিকৈ ছোৱালী কলেজ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰথম ছোৱালী কলেজ।



স্বাধীনতাৰ আগতে অসমত ছোৱালীৰ কাৰণে আচুতীয়া মহাবিদ্যালয় আছিল ৩ খন। অৱশ্যে স্বাধীনতাৰ সময়ত অসমত ৯খন মহাবিদ্যালয়ত ছাত্ৰীৰ অধ্যয়নৰ সুবিধা আছিল। স্বাধীনতাৰ পিছত অসমৰ ৰাইজে মহিলাৰ উচ্চ শিক্ষাৰ হকে বিভিন্ন ঠাইত কলেজ স্থাপন কৰিবলৈ লৈছিল। ১৯৬৫ চনত এনে কলেজৰ সংখ্যা ৯খন হয়, এই আটাইকেইখন সাহায্যপ্ৰাপ্ত কলেজ আছিল। ১৯৭০ চনৰ হিচাপ মতে অসমত ১০খন ছোৱালী কলেজ আৰু এখন পলিটেক্নিক কলেজো আছিল। ১৯৮৭ চনলৈ অসমত ছোৱালীৰ কলেজ প্ৰায় ১৫ খনলৈ বৃদ্ধি পায় আৰু বৰ্ত্তমান এই সংখ্যা ২০ খনৰো অধিক।

ছোৱালীৰ আছুতীয়া কলেজবোৰৰ বাহিৰেও প্ৰায় সকলো কলেজতে সহশিক্ষাৰ ব্যৱস্থা প্ৰচলিত হৈছে। বৰ্ত্তমান বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষাৰ লগতে বিশেষ বৃত্তিমূলক উচ্চ শিক্ষাৰ অনুষ্ঠানত যেনে — মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ, কৃষি, বাণিজ্য, পশু চিকিৎসা কলেজ, গাৰ্হস্থ বিজ্ঞান সাধাৰণ, বিজ্ঞান আদিতো ছোৱালীয়ে শিক্ষা লোৱাত কোনো বাধা নিষেধ দেখা নাযায়। তালিকাত অসমৰ মহিলাৰ উচ্চ শিক্ষাৰ সাধাৰণ আৰু বৃত্তিয় অনুষ্ঠানত নাম ভৰ্ত্তিৰ পৰিসংখ্যা দিয়া হ'ল।

তালিকা - ৭

| শিক্ষাৰ স্তৰ | ১৯৭৫-৭৬ চনত ছাত্ৰীৰ সংখ্যা | ১৯৮০-৮১ চনত ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| মহাবিদ্যালয় | ২০,৯২৯ | ২৮,৭০০ |
| বিশ্ববিদ্যালয় | ৮৫৫ | ১৫৮৫ |
| বিশেষ বৃত্তিমুলক | ৫৬৫ | ৭৭২ |

স্বাধীনতাৰ পিচত অসমত স্ত্ৰী-শিক্ষাই অগ্ৰগতি লাভ কৰিলেও ই আশানুৰূপ হোৱা নাই। ১৯৫১ চনৰ পিয়ল অনুযায়ী অসমত শতকৰা ৯ গৰাকী শিক্ষিতা মহিলা আছিল। ১৯৬১ চনৰ পিয়লমতে অসমৰ পুৰুষসকলৰ শিক্ষিতৰ শতকৰা হাৰ ৩৭.৭ আৰু শিক্ষিতা স্ত্ৰীৰ শতকৰা হাৰ আছিল ১৬। ১৯৭১ চনৰ লোকপিয়ল মতে অসমৰ মুঠ শিক্ষিত লোকৰ সংখ্যা আছিল ৪১,১৬,৭৭১ গৰাকী। তাৰে শিক্ষিত পুৰুষৰ মুঠ সংখ্যা আছিল ২৮,২৯,২৪২ আৰু শিক্ষিতা মহিলাৰ মুঠ সংখ্যা আছিল ১২,৮৭,৫২৯ গৰাকী। শতকৰা হিচাপ







মতে শিক্ষিতৰ হাৰ পুৰুষ আৰু মহিলাৰ ক্ৰমে ৩৭.১৯ আৰু ১৯.২৭ গৰাকী আছিল। গতিকে দেখা গ'ল যে ১৯৬১ আৰু ১৯৭১ চনৰ ভিতৰত স্ত্ৰীৰ শতকৰা শিক্ষিতাৰ হাৰ বৃদ্ধি বিশেষ লক্ষনীয় নহয়। ১৯৮১ চনত অসমত লোকপিয়ল অনুষ্ঠিত কৰা নহ'ল। ১৯৯১ চনত সৰ্ব্বভাৰতীয় ভিত্তিত শিক্ষিতৰ শতকৰা হাৰ আছিল ৫২.১১ গৰাকী। তাৰ ভিতৰত পুৰুষ আৰু মহিলাৰ শতকৰা হাৰ ক্ৰমে ৬৩.৮৬ আৰু ৩৯.৪২ গৰাকী। ❑

## BIBLIOGRAPHY :

History of Education in India
আধুনিক ভাৰতৰ শিক্ষা } *Dr. Siddherswar Saikia*

Education in Assam
অসমৰ শিক্ষাৰ অগ্ৰগতি } *Dr. Lakshahira Das*

অসমৰ শিক্ষা ব্যৱস্থা } *Dr. Renu Devi*

> *"হেজাৰজন শিশুক শিক্ষিত কৰাৰ আগতে দেশৰ হেজাৰ গৰাকী মাতৃক শিক্ষিতা কৰি গঢ়ি তুলিব লাগিব।"*
>
> *—মহাত্মা গান্ধী*

> *নৈতিকতা শিক্ষাৰ মেৰুদণ্ড হোৱা উচিত। শিক্ষাৰ যোগেদি ব্যক্তিৰ নৈতিক চৰিত্ৰ গঠনত গুৰুত্ব দিব লাগে।*
>
> *প্লেটো*

# ৰাস-ক্ৰীড়া ঃ কীৰ্ত্তন-ঘোষাত ইয়াৰ প্ৰাসঙ্গিকতা

শ্ৰীমনোজ কুমাৰ শৰ্ম্মা
প্ৰবক্তা, অসমীয়া বিভাগ

ৰাস-ক্ৰীড়া বা তাৰ সমাদৃশ নৃত্যকলা অতি প্ৰাচীন যুগৰে পৰা ভাৰতীয় সংস্কৃতিত প্ৰচলিত থকাৰ কথা জনা যায়। ৰাস-ক্ৰীড়াৰ বৰ্ণন বিষ্ণুপুৰাণ, হৰিবংশ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, ভাগৱত পুৰাণ আদিত পোৱা যায়। এজন পুৰুষৰ লগত বহুতো স্ত্ৰীয়ে কৰা নৃত্যৰ নামেই ৰাস-ক্ৰীড়া (একস্য পুংসো বহুভিঃ স্ত্ৰীভিঃ ক্ৰীড়নং সৈৱ ৰাস-ক্ৰীড়া)। নৃত্যৰ আংগিক, কলা আৰু পৰিবেশনাৰ ফালৰ পৰা প্ৰাচীন 'হল্লীস' নৃত্যৰ লগত ৰাস-ক্ৰীড়াৰ এক ওচৰ সম্বন্ধ আছে। ৰাসনৃত্য বা হল্লীস নৃত্যৰ প্ৰাচীনতা আৰু লোকসমাজত লোক-নৃত্য ৰূপে ইয়াৰ প্ৰচলনৰ বিষয়ে ড° বাণীকান্ত কাকতিয়ে কৈছে — "It appears that Hallisa was a folk-dance by men and women around a spike driven into the earth." কিন্তু ৰাস-নৃত্যৰ বিশেষত্ব এইয়ে যে এই নৃত্য অকল পৰম পুৰুষ ভগৱানৰ ক্ষেত্ৰতহে সম্ভৱ। কাৰণ এজনেই বহুজন হৈ পৰমব্ৰহ্ম কৃষ্ণই গোপিনীসকলৰ লগত ৰাসনৃত্য কৰি তেওঁলোকৰ মনোকামনা সম্পূৰ্ণভাৱে পুৰণ কৰিবলৈ সমৰ্থ হৈছিল, যিটো সাধাৰণ মানৱৰ ক্ষেত্ৰত একেবাৰে অসম্ভৱ। এইখিনিতেই ৰাস-ক্ৰীড়াৰ পৰম ঐশ্বৰিকত্ব লুকাই আছে।

ভাগৱতত বৰ্ণনা কৰা মতে—

*ভগৱানপি তা ৰাত্ৰীঃ*
*শৰদুৎফুল্ল মল্লিকাঃ*
*ৱীক্ষ্য ৰন্তুং মনশ্চক্ৰে*
*যোগমায়াসুপাশ্ৰিতঃ।*

শৰৎ কালৰ ৰাতি ভগৱান কৃষ্ণই যোগমায়াক অৱলম্বন কৰি মনক্ৰিয়াত কিয়নো লিপ্ত হবলৈ ইচ্ছা কৰিলে? এই প্ৰশ্নৰ সমিধান বিচাৰি 'কৃষ্ণপনিষধ'লৈ আঙুলিয়াব পাৰি। তাত কৈছে— "ভগৱানে শ্ৰীৰাম অৱতাৰত সীতাৰ সৈতে বনে-বনে ঘুৰি ফুৰা দেখি ঋষি-মুনিসকলেও প্ৰেমাস্পদ ৰূপে ভগৱানক পাবলৈ বাসনা ব্যক্ত কৰিছিল। তেতিয়া ভগৱানে প্ৰতিজ্ঞা কৰিছিল যে, দ্বাপৰ যুগত তেওঁ গোপাল ৰূপে জন্ম লাভ কৰিব আৰু ঋষি-মুনিসকল গোপী ৰূপে জন্ম লাভ কৰিব। ভগৱানৰ এই প্ৰতিজ্ঞা ৰক্ষাৰ্থে ঋষি-মুনিসকলৰ মনোভিলাস পুৰনাৰ্থে কৃষ্ণই গোপিনীসকলৰ লগত ৰাসক্ৰীড়া কৰিছিল। (B. Kakati, op-cit, P.53)

এইখিনিতে 'ৰাস' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি তাক আলোচনা কৰা নিতান্ত প্ৰয়োজন। ৰাস শব্দৰ মূল হৈছে ৰস। এই ৰস হৈছে স্বয়ং ভগৱান। 'ৰসো বৈ সঃ। ৰস দহ প্ৰকাৰৰ। এই দহ বিধ ৰস স্বয়ং ভগৱানৰ অৱতাৰ কৃষ্ণতে নিহিত হৈ আছে। লোকে নিজ নিজ দৃষ্টিকোণৰ পৰা উক্ত দহ প্ৰকাৰৰ ৰস অনুভব কৰিব পাৰে। "ভগৱন্তৰ যি অলৌকিক ক্ৰীড়াত এক ৰসেই বহু ৰূপেৰে প্ৰকাশিত হৈছে; যি ক্ৰীড়াত অনন্ত ৰসৰ আধাৰ, নিজে আস্বাদনৰ বস্তু হৈ আস্বাদক ৰূপেৰে পান কৰিছে, যি ক্ৰীড়াত স্বয়ং জগতৰ আধাৰে লীলা, ধাম আৰু ভিন ভিন প্ৰকাৰৰ অৱলম্বন আৰু উদ্দীপনাৰ মূৰ্ত্তি ধাৰণ কৰিছে— সেই ক্ৰীড়াই ৰাস।" (ৰাসলীলাৰ তাৎপৰ্য্য ঃ মিত্ৰদেৱ মহন্ত)। আনকথাত কবলৈ হলে— "যি ক্ৰীড়াত ৰসৰ ভাণ্ডাৰ কৃষ্ণক পাই গোপীসকলে পৰমানন্দ লাভ কৰিছে সেই ক্ৰীড়াই ৰাস।" (ৰাসলীলাৰ আধ্যাত্মিক তত্ব ঃ ভৱ প্ৰসাদ চলিহা)।

শংকৰদেৱে ভক্তৰ কল্যানৰ অৰ্থে তিনিটা বিভিন্ন ধাৰাৰে ৰাসলীলাৰ কথা চিত্ৰিত কৰিছে—

(১) কীৰ্ত্তনৰ ৰাস (২) পাঠৰ ৰাস (দশমৰ) (৩) অভিনয়ৰ ৰাস (কেলিগোপালৰ অংক)। কীৰ্ত্তনঘোষাত ওঠৰটি অধ্যায়ত, দশমত চৈধ্যটি অধ্যায়ত আৰু অংকত বত্ৰিশটি গীতত ৰাসক্ৰীড়া সমাপ্ত। শ্ৰেষ্ঠা ভক্তা গোপিনীসকলৰ ভগবৎ প্ৰীতি, ভক্তিৰ মাহাত্ম্য আৰু ভক্ত ভগৱানৰ শ্ৰেষ্ঠ সম্পৰ্ক অবিকল ভাৱে প্ৰকাশিত হোৱা বাবেই বোধ হয় সমকাহিনী যুক্ত ৰাস-ক্ৰীড়াৰ বৰ্ণনা তিনিওখন গ্ৰন্থত ৰচনা কৰিছে। নোপোৱাৰ বেদনা, পোৱাৰ অভিমান, ভক্ত প্ৰাণৰ সৰল অনুকম্পা, ভগৱানৰ অলৌকিক মহিমা আদি ৰাস-ক্ৰীড়া অধ্যায়ত সুন্দৰভাৱে প্ৰকাশ পাইছে।

দ্বাদশস্কন্ধ ভাগৱতৰ সাৰ শংকৰদেৱৰ বিৰচিত কীৰ্ত্তন ঘোষাৰ বিভিন্ন স্বয়ং সম্পূৰ্ণ খণ্ডৰ ভিতৰত ৰাস-ক্ৰীড়া এটা অনুপম অধ্যায়। মূল ভাগৱতৰ বিষয়বস্তুৰ বিকৃত নকৰাকৈ অসমীয়া আচাৰ নীতি, সমাজ সংস্কৃতি আৰু ধ্যান ধাৰণাৰ লগত সামঞ্জস্য ৰাখি ভক্ত সমাজৰ অন্তৰত নিৰ্মল ভক্তি সঞ্চাৰ কৰিবলৈ তেৰাই অভিনব কৌশলেৰে পৰম ৰসৰ আকৰ স্বৰূপ এই ৰাস-ক্ৰীড়া অধ্যায়টো ৰচনা কৰিছে। মূল ভাগৱতত থকাৰ দৰেই আজন্ম সংসাৰ বিৰাগী মহামুনি শুকদেৱেই বক্তা হৈ ভগৱন্তৰ ৰাস-ক্ৰীড়াৰ কথা ৰজা পৰীক্ষিত আৰু মহাজ্ঞানী তপস্বী ঋষিসকলক গঙ্গাৰ তীৰত শ্ৰৱণ কৰাইছে। শাৰদীয় পূৰ্ণিমা ৰাতি ৰাসক্ৰীড়া কৰিবলৈ কৃষ্ণৰ মনত ভাৱ জাগিল—

*শৰত কালৰ ৰাত্ৰি অতি বিতোপন।*
*ৰাস-ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।।*

পূৰ্ব দিশত উদিত লক্ষ্মীৰ মুখ পদ্মৰ দৰে ৰঙা শাৰদীয় চন্দ্ৰ ৰশ্মিয়ে বৃন্দাবন ৰঞ্জিত কৰাৰ লগে লগে কৃষ্ণই সুমধুৰ স্বৰত মুৰাৰীত গীত ধ্বনি কৰিলে। এই গীতৰ মুৰ্চ্ছনা শুনি ব্ৰজৰ গোপীগনে কামত উত্ৰাৱল হৈ সেই ধ্বনি অনুকৰণ কৰি বৃন্দাবনলৈ ঢাপলি মেলিলে। গাই-দোহন, ভাত বন্ধা, শিশুক স্তনপান, পতি-শাহু, শহুৰ শুশ্ৰূষা আদি সমস্ত কাম থেকেচা মাৰি থৈ তেওঁলোকে বৃন্দাবনলৈ দৌৰিছে। কৃষ্ণগীতত বিমোহিত গোপীগনে চেতনা হেৰাই বত্নৰ কঙ্কন ভৰিত পিন্ধিছে, ভৰিৰ নৃপূৰ হাতত পিন্ধিছে, গলৰ হাৰ ককালত পিন্ধিছে। আনকি তেওঁলোকৰ কাপোৰ কানিও অসংযত। যিসকল গোপিনী যাব পৰা নাই তেওঁলোকে ঘৰতে কৃষ্ণৰ কথা সুঁৱৰি মনতে আলিঙ্গন কৰিছে। গোপনীগণৰ এই অৱস্থা দেখি কৃষ্ণই নিজে আচৰিত আৰু লজ্জিত হৈ তেওঁলোকৰ নিজৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ কথা সোৱৰাই দি ঘৰলৈ ওভোতাবলৈ আপ্ৰাণ চেষ্টা কৰিছে। আনকি কৃষ্ণই এই খিনিও সকিয়াই দিছে—

*উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম।*
*স্বামীক শুশ্ৰূষা কুলস্ত্ৰীৰ মহাধৰ্ম্ম।।*

কৃষ্ণদৰ্শনত অন্তত ঃ গোপীগণৰ কিছু আকাংখ্যা পুৰণ হৈছে। গতিকে তেওঁলোক উলটি যাব লাগে। দূৰৰ পৰাও শ্ৰৱন-কীৰ্ত্তনৰ যোগেদি তেওঁক পাব পাৰি। কিন্তু গোপীগণ অলৰ অচল। তেওঁলোক উভতি নাযায়। কৃষ্ণ অবিহনে তেওঁলোকৰ প্ৰাণ নৰয়। পতি-পুত্ৰ, জায়া, ধন-জন, তেওঁলোকে কৃষ্ণৰ কাৰণে সকলো বিসৰ্জন দিব পাৰে। ধৰ্ম্ম কৰ্ম্ম সকলো কৃষ্ণৰ ওচৰতে জাপি দিছে। মুঠতে তেওঁলোকৰ মনোৰথ পূৰ্ণ কৰিব লাগে। অৱশেষত পৰমব্ৰহ্ম কৃষ্ণই পৰমভক্তা গোপিনীসকলৰ মনৰ কথা বুজি তেওঁলোকৰ লগত যমুনাৰ বালিত অনঙ্গ কেলি ৰাস-ক্ৰীড়া আৰম্ভ কৰিলে—

*গোপীগণ লইয়া নামিলা তাত।*
*কৰিলা ক্ৰীড়া কৃষ্ণে অসংখ্যাত।।*

কৃষ্ণক হাতৰ মুঠিতে পাই গোপী সবে নিজৰ সৌভাগ্যৰ কথা সুঁৱৰি গৰ্বিতা হ'ল। কৃষ্ণই এই কথা গম পাই খঙতে ৰাধিকা নামৰ এজনী গোপীনিক লৈ ৰাসমঞ্চৰ পৰা অন্তৰ্দ্ধান হ'ল। কৃষ্ণৰ অৱৰ্তমানত গোপীগণ কান্দি কাটি অস্থিৰ হ'ল। বৃন্দাৱনৰ পশু-পক্ষী, তৰু তৃণ সকলোকে প্ৰাণ সখা কৃষ্ণৰ বতৰা সুধিলে। কিন্তু কোনেও সমিধান দিব নোৱাৰিলে। অৱশেষত গোপীগণে ইজনে-সিজনে নিজৰ মাজতে কৃষ্ণৰ ভাও দিব ধৰিলে। কিন্তু সিমানতো তেওঁলোকৰ শান্তি নাই। কৃষ্ণ বিৰহত তেওঁলোকৰ ভৰি অচল হোৱা যেন হ'ল, প্ৰাণবায়ু উৰি যাও যাও যেন হ'ল।

আনফালে যিজনী গোপীনিক লৈ কৃষ্ণ অকলে অন্তৰ্দ্ধান হৈছিল তেওঁৰ লগত অকলে দূৰৈত পূৰ্ণকাম হৰিয়ে ক্ৰীড়া কৰিব ধৰিলে। কিন্তু এটা সময়ত সেইজনী গোপীৰো মহা গৰ্ব হ'ল—

*চলি যায় যিটো গোপী কৃষ্ণৰ লগত।*
*মহা গৰ্ব ভাব তাইৰ বাঢ়িল মনত।।*

সকলো নাৰীত কৈ তেওঁ শ্ৰেষ্ঠা বুলি ভাবি মহাদৰ্পে— "চলিতে নপাৰো আউৰ মই এক ভৰি" বুলি কোৱাত কৃষ্ণৰ মনে মনে হাঁহি উঠিল আৰু কলে— "যাইবে যেবে নোৱাৰা কান্ধত উঠা আসি।" গোপিনীজনী কান্ধত উঠিবলৈ যোৱাৰ লগে লগে কৃষ্ণ অন্তৰ্দ্ধান হ'ল। তেওঁ নিজৰ ভুলৰ কথা জানি আৰ্ত্তৰাৱে কান্দিবলৈ ধৰিলে যাতে কৃষ্ণই পুনৰ দৰ্শন দিয়ে। লগৰ গোপিনী বিলাককো সমস্ত বৃত্তান্ত কলে। গোপিনীসকল পৰম বিস্মিত হ'ল আৰু নিজকে ঘোৰ অন্ধকাৰৰ পৰা মুক্ত কৰিলে—

*কৃষ্ণতে অৰ্পিলা মন কৃষ্ণৰে আলাপ।*
*কৃষ্ণগুণ গায়া কৰৈ কৃষ্ণৰে বিলাপ।।*

সাংসাৰিক মায়ামোহৰ কথা পাহৰি গোপীগণে পৰমাৰ্থিক দৃষ্টিৰে কৃষ্ণগুন গাই, কৃষ্ণক স্মৰণ কৰি তেওঁক দৰশনৰ বাবে পুনৰ যমুনাৰ

বালিত একত্ৰ হৈ কৃষ্ণক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। কৃষ্ণৰ অবৰ্তমানত গোপীগণ যেন মৃতপ্ৰায় হৈছে। সেয়ে তেওঁৰ চৰণ পঙ্কজ দৰশনৰ বাবে কৈছে—

*"তোমাৰ চৰণ যেন দেখা পাওঁ*
*পুনৰপি জীওঁ আমি।।*

কৃষ্ণপ্ৰেমত আপ্লুত হৈ গোপীগণে সাময়িকভাবে পাৰ্থিব প্ৰেমৰ ভাবাবেগত অৱগাহন কৰিলেও কৃষ্ণৰ অবৰ্তমানত তেওঁলোকৰ অন্তৰ সম্পূৰ্ণভাবে পৰিশুদ্ধ হ'ল। কৃষ্ণৰ ব্ৰহ্মত্বৰ কথা তেওঁলোকে আগতেও বহু দৃষ্টান্তৰ দ্বাৰা গম পাইছে। কিন্তু এইবাৰ সম্পূৰ্ণভাবে গোপীগন সজাগ হ'ল—

*"সমস্ত প্ৰাণীৰ পাপ হৰে যিটো*
*আছিল কালীৰ ফণে।*
*কামক মৰ্দ্দিয়া হেন পাদ পদ্ম*
*অৰ্পিয়ো আচ্ছাৰ স্তনে।।*

গোপীসকলৰ প্ৰেমভাব আৰু কৃষ্ণভক্তি দেখি গোপাল কৃষ্ণৰো মন ব্যাকুলিত হ'ল। সেয়ে পুনৰ পৰমানন্দ দিবলৈ গোপীগণৰ মাজত কালিন্দীৰ উপকূলত আবিৰ্ভাৱ হোৱাত কৃষ্ণ আৰু গোপিনীসকলৰ পুনৰ্মিলন হ'ল। গোপীগনে আনন্দত অধীৰা হৈ প্ৰাণবন্ধু মাধৱক যথোচিত সন্মান প্ৰদৰ্শিত কৰিলে আৰু অঞ্চল পাতি তেওঁলোকৰ মাজত বহাৰ স্থান দিয়াত অন্তৰ্য্যামী কৃষ্ণই ত্ৰিভুৱন মোহন মধুৰ ৰূপ ধৰি আসন গ্ৰহণ কৰিলে। প্ৰণয় কোপত অভিভূত গোপীগণে কৃষ্ণকনো কেনেকে ভজনা কৰিব লাগে সেই বিষয়ক নানা প্ৰশ্ন সুধিলে। গোপীসকলৰ প্ৰশ্নৰ উত্তৰত কৃষ্ণই আপোনভাব পাহৰি, কোনো উপকাৰ আশা নকৰি, একচিত্তে ভগৱানৰ অৰ্থে কৰ্ম কৰি কেনেকৈ তেওঁক ভজনা কৰিব লাগে তাৰ উপায় কলে। এই প্ৰসঙ্গতে কৃষ্ণই চাৰিবিধ মানুহৰ লক্ষণৰ কথা কলে — (১) যিজনে ব্ৰহ্মজ্ঞান সম্পৰ্কে মিথ্যা দৃষ্টি কৰে (২) যিজনে পূৰ্ণভোগত আসক্ত থাকি ভগৱানক পাবলৈ ইচ্ছা নকৰে (৩) যিসকল গুৰুদ্ৰোহী একো নামানে আৰু (৪) যিজন মহামুৰ্খ একো নাজানে"— এই সকলে ভগৱানক ভজনা কৰিব নোৱাৰে। কৃষ্ণই এই কথাও কৈছে পৰমভক্তা গোপিনীসকল কিন্তু এই চাৰিবিধৰ ভিতৰত নপৰে। তেওঁ কৈছে—

*ভকতেসে মোৰ সুহৃদ প্ৰাণ।*
*যিহেতু নভজা শুনা নিদান।।*

গোপীসকলে কৃষ্ণক পাবলৈ ধন-ঐশ্বৰ্য্য, জ্ঞাতি বন্ধু, বেদ ধৰ্ম্ম সকলো ত্যাগ কৰিছে, এই কথা কৃষ্ণই নিশ্চয়কৈ জানে। মাত্ৰ ভগৱানৰ প্ৰতি তেওঁলোকৰ প্ৰেমভক্তি গাঢ় কৰিবলৈ, বঢ়াবলৈহে কৃষ্ণ অন্তৰ্দ্ধান হৈছিল। ভগৱান সদায় ভক্তৰ অধীন। গোপিনীসকল শ্ৰেষ্ঠ ভক্ত বাবে তেওঁলোকৰ ওচৰতো কৃষ্ণ অধীন। গোপিনীসকলৰ ঋণ তেওঁ যেন চিৰকালে পৰিশোধ কৰিব নোৱাৰে। যদি গোপীগণে নিজগুণে সন্তুষ্ট হৈ কৃষ্ণৰ দায় দোষ নধৰে তেতিয়াহে এই ঋণ পৰিশোধ হব। কৃষ্ণৰ এই অমৃত সদৃশ কথা শুনি গোপীগণৰ মন সেমেকি উঠিল আৰু মনৰ সমস্ত বিৰহ আতৰিল। ইয়াৰ পাছত দুজনী গোপীৰ মাজত এজন হৈ আৰু পিছত 'যত গোপী তত কৃষ্ণ' হৈ মাধৱে মণ্ডলকাৰে ৰাস-ক্ৰীড়া মহোৎসৱ পুনৰ আৰম্ভ কৰিলে আৰু পিছত গোপীগণক লগত লৈ জলক্ৰীড়া কৰিলে। দেৱতা, গন্ধৰ্ব, কিন্নৰ সকলোৱে মৰ্ত্ত্যলৈ আহি এই ৰাস-মহোৎসৱ উপভোগ কৰিলে, দেৱ দুন্দুভি বজালে, পুষ্পবৃষ্টি কৰিলে। চন্দ্ৰও বাটৰ ৰথ বাটতে ৰখাই ৰাস-ক্ৰীড়া চাই ভোল গ'ল।

বিহঙ্গম দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰি বহু দেশী বিদেশী গুণী-জ্ঞানী পণ্ডিতে ৰাস-ক্ৰীড়া সন্দৰ্ভত বিৰূপ মন্তব্য কৰা দেখা যায়। তেওঁলোকে ৰাস-ক্ৰীড়াত পাৰ্থিব কামনা বাসনাৰ গোন্ধ পায়। কিন্তু তেওঁলোকে এবাৰো দকৈ ভাবি নাচায় ভাগৱতৰ দৰে গহীন ধৰ্মতত্ব সম্বলিত এখন গ্ৰন্থত ৰাসলীলাক মৰ্য্যাদাপূৰ্ণ স্থান দিয়া হৈছে। এই ৰাসলীলাৰ কথন পৰম সংসাৰ বিৰাগী শুকদেৱ মৃত্যুৰ উন্মুখ মহাৰজা পৰীক্ষিত আৰু মহাজ্ঞানী তপস্বী ঋষিসকলৰ আগত স্বৰ্ণনদী গঙ্গাৰ তীৰত শ্ৰৱণ কৰাইছে, যিটো কথা আগতেই উল্লেখ কৰা হৈছে।

টীকাকাৰ নীলকণ্ঠৰ মতে "ৰাসক্ৰীড়াত শ্ৰীকৃষ্ণই গোপীসবৰ লগত কৰা ৰাস-ক্ৰীড়াত শৃঙ্গাৰৰ গোন্ধ নাই। কাৰণ দহ এঘাৰ বছৰ বয়সত উপনয়নৰ পূৰ্বেই কৃষ্ণই গোপীসবৰ লগত ক্ৰীড়া কৰিছিল। গতিকে কৃষ্ণৰ এই ক্ৰীড়া কামভাবৰ দ্বাৰা কলংকিত হব নোৱাৰে।" ভাগৱত পুৰাণৰ মতে "আপ্তকাম ভগৱন্তে কেতিয়াও কলংকিত কৰ্মত প্ৰবৃত্ত নহয়। ভক্তই ভগৱন্তৰ লীলা মালা অনুসৰণ কৰা অনুচিত, তেওঁৰ নিৰ্দেশহে পালন কৰা উচিত।

সাধাৰণ ভক্ত সমাজে যাতে ভুল নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখি শঙ্কৰদেৱে ৰাস-ক্ৰীড়া অধ্যায়ৰ প্ৰথমৰ পৰা শেষলৈ মাজে মাজে ৰাসলীলাক 'মদন-কেলি' বুলি কৈছে। এই অধ্যায়ৰ প্ৰাৰম্ভতে শঙ্কৰদেৱে কৈছে—





*শুনিয়োক বুদ্ধজন জনম সাফলি।*
*কামজয় নামে ইটো কেশৱৰ কেলি।।*

ৰাস-ক্ৰীয়াত ভক্ত আৰু ভগবানৰ মাজত হোৱা এই কেলি হৈছে কামনা বাসনাৰ উৰ্দ্ধত। সেয়ে 'ৰাসক্ৰীড়া' ভক্ত ভগৱন্তৰ নিবিড় সম্পৰ্ক সম্বন্ধৰ সুন্দৰ দৃষ্টান্ত।

জীৱাত্মাৰ লগত পৰমাত্মা, আনন্দৰ লগত পৰমানন্দৰ মিলনৰ ভাব ইঙ্গিত দেখুৱা হৈছে ৰাস-ক্ৰীড়াত। কাম ভাবেৰে ভক্ত জীৱনৰ পাতনি মেলিলেও শেষান্তত সেই ভক্তই আধ্যাত্মিক পৰমানন্দ লাভ কৰিবলৈ সক্ষম হয়। কাৰণ "বৈষয়িক বস্তুৰ প্ৰতি থকা আসক্তি আৰু ভগৱন্তৰ প্ৰতি থকা আসক্তি মূলতঃ একেই।

শ্ৰীকৃষ্ণ হৈছে পূৰ্ণ ব্ৰহ্ম, তেওঁ সৰ্বভক্ষ্য। এই কথা স্পষ্ট ভাবে শংকৰদেৱে ৰাস-ক্ৰীড়া অধ্যায়ত দাঙি ধৰিছে। কৃষ্ণ পৰম ঈশ্বৰ। মানৱী লীলা ধৰিলেও তেও অন্তৰ্য্যামী নাৰায়ণ। তেওঁক কোনো দোষে স্পৰ্শ কৰিব নোৱাৰে। কৃষ্ণ কথা শ্ৰৱন, কীৰ্ত্তন, মৰণে মানৱক মুক্তিৰ পথহে দেখুৱাব পাৰে। সেয়ে শংকৰদেৱে ভক্ত সমাজৰ মনৰ কলুষিতা আতৰ কৰি অপাৰ্থিব প্ৰেমৰ মাজেৰে জাগতিক সপোন ৰচিবলৈ ৰাস-ক্ৰীড়া অধ্যায়ত কৈছে—

ৰাস-ক্ৰীড়া বৰ্ণনাত জড় দেহাৰ লীলা প্ৰকাশ কৰাটো শংকৰদেৱৰ উদ্দেশ্য নহয়। প্ৰায় প্ৰতি অধ্যায় কীৰ্ত্তনৰ আদিৰ ঘোষা কেইফাকিলৈ চালেই মহাপুৰুষ গুৰুৰ এই উদ্দেশ্য সুন্দৰ হৈ ওলাই পৰে। প্ৰকৃতপক্ষে এই 'ৰাস' পৰম উজ্বল নিত্য ৰসৰ এক দিব্য প্ৰকাশ।

গ্ৰন্থপঞ্জী ঃ
১) মহাপুৰুষ শংকৰদেৱৰ বিৰচিত কীৰ্ত্তন ঘোষা আৰু নাম ঘোষা। দত্তবৰুৱা প্ৰকাশিত।
২) ভাগৱত পুৰাণ
৩) পুৰণি অসমীয়া সাহিত্যৰ সুবাস ঃ ড° নবীন চন্দ্ৰ শৰ্মা
৪) ৰাসতত্ত্ব ঃ শ্ৰীশ্ৰীহৰিমন্দিৰ ঃ নলবাৰী ১৯৮৭

*যি সকলে নিজৰ মোল আৰু লক্ষ্য আগত ৰাখি কৰ্ত্তব্যৰ পথত নীৰৱে আগবাঢ়ে তেওঁলোকেই সমাজ আৰু জগতৰ ভৱিষ্যৎ আশাৰ থল।*

ড° বাণীকান্ত কাকতি

*যেতিয়া কাজিয়া আৰম্ভ হয় তেতিয়া সত্য হেৰাই যায়।*

চাইৰাছ

# সত্যপ্ৰসাদ বৰুৱাৰ নাট 'শিখা'ৰ এটি আলোচনা

শ্ৰীঅনুপম তালুকদাৰ
*স্নাতক দ্বিতীয় বাৰ্ষিক*

সত্য প্ৰসাদ বৰুৱাৰ 'শিখা' নাটকখন এখন সামাজিক নাটক। নাটকখন ছপা হয় ১৯৫৭ চনত। 'শিখাক' নতুন যুগৰ নতুন নাট বুলি কব পাৰি। 'শিখা' অধ্যাপক প্ৰতাপ চলিহাৰ একমাত্ৰ ছোৱালী। তাই একেখন কলেজত পঢ়া প্ৰদীপক ভাল পায়। প্ৰদীপে কিন্তু শিখাৰ দেউতাকক খুব ভয় কৰে। শিখাই সদায় চেষ্টা কৰে প্ৰদীপ আৰু দেউতাকৰ মাজৰ সম্বন্ধটো কেনেকৈ সহজ কৰি তুলিব পাৰি। প্ৰতাপৰ সহকৰ্মী হৰেণেও শিখা আৰু প্ৰদীপৰ মনোভাৱ বুজি পাই সদায় ক'বলৈ আগবাঢ়ি আহে। কিন্তু শিখা আৰু প্ৰদীপৰ সহপাঠী দেৱব্ৰতে ঈৰ্ষাৰ বশৱৰ্তী হৈ শিখা আৰু সিহতৰ ঘৰলৈ প্ৰায়ে অহা-যোৱা কৰি থকা অমৰৰ প্ৰতিচ্ছবি দুখনৰ নিগেটিভ একেলগে ছপা কৰি শিখাৰ প্ৰতি প্ৰদীপৰ বিৰূপ ভাবৰ সৃষ্টি কৰিবলৈ যত্ন কৰে। আনহাতে প্ৰতাপৰ বন্ধু ভবেনেও শিখা আৰু প্ৰদীপৰ সম্বন্ধৰ কথা জানিব পাৰি সিহঁতৰ বিয়াখন পাতি দিবলৈ প্ৰতাপক দঢ়াই দঢ়াই কয়। ঘটনা চক্ৰত শিখা আৰু প্ৰদীপৰ মাজত ভূল বুজা বুজিৰ সৃষ্টি কৰা লিগিৰা আঘোনাও যে জড়িত তাকো জনাজাত হয়। প্ৰতাপ চলিহাই শিখা আৰু প্ৰদীপৰ বিয়াত বাধা দিবলৈ চেষ্টা কৰে আনকি প্ৰেম পৰিস্ফুট হবলৈ যে বিবাহৰ প্ৰয়োজন নাই তাকো স্বীকাৰ কৰে। তেওঁ ভবেনক কয় বিয়া আৰু প্ৰেম একে কথ নহয়। প্ৰেম এটা প্ৰেৰণা। ই নিজৰ প্ৰতি নিজেই নিৰ্ণয় কৰে। ভবেনে কিন্তু আকোঁৱাগোজ হৈ প্ৰদীপৰ লগত শিখাৰ বিবাহ সম্পন্ন কৰাৰ কথাকে কয়। ভবেনৰ কথাত প্ৰতাপ জিকাৰ খাই উঠে। প্ৰকৃততে প্ৰতাপ চলিহাৰ এনে দাৰ্শনিক চিন্তা তথা শিখা আৰু প্ৰদীপৰ বিয়াত বাধা দিয়াৰ আন এটা কাৰণ আছে। এই সম্পৰ্কত ভবেনে অনুমান কৰে যে ডেকা বয়সত চলিহাৰ সৈতে অবৈধ সম্পৰ্ক থকা কোনো এগৰাকী মহিলাই জন্ম দিয়া সন্তানেই এই প্ৰদীপ।

নাটকখনত কিন্তু এই ঘটনাটো বহলাই বৰ্ণনা নকৰাত প্ৰতাপ চলিহাৰ চৰিত্ৰটো বুজিব নোৱাৰা ধৰণৰ একমাত্ৰিক হৈ থাকে। নাট্যকাৰে প্ৰতাপ চলিহাৰ মুখত দীঘল দীঘল সংলাপ নিদি দৰ্শকক যদি গোপন হৈ থকা ঘটনাবোৰৰ সম্ভেদ দিলেহেঁতেন তেতিয়া হয়তো নাটকৰ কাহিনীটো অধিক আকৰ্ষনীয় হৈ উঠিলেহেঁতেন। একেবাৰে শেষত প্ৰতাপে যেতিয়া নিজৰ মনত গুজৰি-গুমৰি থকা সংঘাতক সংযত কৰিব নোৱাৰি অসুস্থ হৈ মৃত্যু পথত আগবাঢ়ে, তেতিয়া শিখা আৰু প্ৰদীপক তেওঁ কয় "আজিৰ পৰা বাইশ বছৰ আগৰ কথা — নাই, নাই তোৰ দুৰ্ভগীয়া মাৰৰ কোনো দোষ নাই, ময়েই দায়ী। যদি পাৰ মোক, তোৰ দেউতাৰক ক্ষমা কৰিবি।" আৰু কয় "মই তোৰ দেউতা। দুৰ্ভগীয়া দেউতা। তই মোৰেই ল'ৰা, শিখাৰ দৰে তয়ো মোৰ বুকুৰ আপোন। ভবেন, আজি জীৱনৰ চৰম মূহূৰ্ত্তত মোৰ জীৱনৰ পৰম সত্য প্ৰকাশ কৰিছো। প্ৰদীপ মোৰ ল'ৰা, শিখা প্ৰদীপৰ ভনীয়েক।" এনে এটা কৰুণ পৰিস্থিতিৰ মাজতেই নাটকৰ যৱনিকা পৰে।

ডঃ হৰিশ চন্দ্ৰ ভট্টাচাৰ্য্যই তেওঁৰ "অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি"ত নাটখনৰ সন্দৰ্ভত প্ৰসঙ্গক্ৰমে নতুন অসমীয়াত সমালোচনাৰ এটি অংশ তুলি দিছে এইদৰে "প্ৰতাপ চলিহাৰ দুৰ্বলতা ক'ত? সেই নিষ্ঠুৰ সত্য শেষত প্ৰতাপে নিজেই প্ৰকাশ কৰিলে। যেতিয়া দেখিলে শিখা আৰু প্ৰদীপৰ বিয়া অনিবাৰ্য্য। প্ৰতাপ চলিহাই লুকাই ৰখা সত্যক মহত্বৰ খাতিৰত প্ৰকাশ কৰি, বেদনাৰ আঘাতত মৃত্যুবৰণ কৰে। প্ৰতাপৰ স্বীকাৰোক্তিয়ে কিন্তু তেওঁৰ মৃত্যুকো যেন অতিক্ৰম কৰি সৃষ্টি কৰে মহান নাটকীয় ট্ৰেজেদিৰ।" ভুল কৰি সেই ভুল সময় থাকোতেই স্বীকাৰ কৰাৰ সাহসৰ অভাৱে আনিলে প্ৰদীপ আৰু শিখাৰ জীৱনলৈ নতুন পৰীক্ষা, নতুন মানুহৰ নতুন সমস্যা। মুকলি কৰিলে অসমীয়া নাট্য সাহিত্যৰ এটি নতুন দিশ। নাটখনত প্ৰতাপে নিজৰ স্বীকাৰোক্তি কৰাত পলম হোৱা স্বত্বেও



বুদ্ধিদীপ্ত সংলাপৰ জৰিয়তে নাট্যকাৰে এটা বলিষ্ঠ চৰিত্ৰ সৃষ্টি কৰাত সক্ষম হৈছে। কিন্তু চৰিত্ৰটোৰে প্ৰকৃত ঘটনাৱলীৰ ইঙ্গিত দিব পৰা হ'লে চৰিত্ৰটোক মনোবিশ্লেষণ ধৰ্মী সংঘাতে অধিক আকৰ্ষণীয় কৰিলেহেঁতেন বুলি ভবাৰ থল আছে। শিখা আৰু প্ৰদীপ আমাৰ সমাজত সাধাৰণতে দেখা পোৱা চঞ্চল স্বভাৱৰ প্ৰেমিক-প্ৰেমিকা। হৰেণে নাটকখনত কৌতুকৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

তুলনামূলক ভাৱে 'ধৰালৈ যিদিনা নামিব সৰগ' ৰ কাহিনী ভাগ শিখাতকৈ বেলেগ। প্ৰতাপ চলিহাই শিখা আৰু প্ৰদীপৰ বিয়াত মত দিয়াৰ পিছতো প্ৰদীপে দেৱব্ৰতৰ উচটনিত তাইক ভুল বুজাটোক শিখাই ক্ষমা কৰিব নোৱাৰিলে। শিখাই কয় ঃ "মই তোমাক ভাল পাও আৰু আজীৱন পাম, কিন্তু ভাল পোৱা আৰু বিয়া একে বস্তু নহয়। কিন্তু তোমাৰ মনৰ সিটো গতি, আনৰ কথাত ভোলগৈ মোৰ চেনেহত বিশ্বাস হেৰুৱা তেনে অৱস্থাত সাংসাৰিক জীৱনৰ দায়িত্ববোৰ কেতিয়াও পালন কৰিব নোৱাৰিম।" প্ৰদীপে শিখালৈ অপেক্ষা কৰিব মান্তি হয় সেই দিনলৈ যিদিনা শিখা প্ৰত্যয় যাব পাৰে প্ৰদীপৰ প্ৰেমত। এই যুক্তিভিত্তিক পৰিণতিত নাট্যকাৰৰ ওপৰত ইবছেনৰ চিন্তাধাৰাৰ কিছু প্ৰভাৱ পৰা যেন অনুমান হয়। অনাগতৰ পৰিণতিও কিছু পৰিমাণে বেলেগ। তাত বিয়াৰ কথা উঠা নাই সঁচা। কিন্তু অঙ্গীকাৰ কৰে অন্তৰত অনাবিল প্ৰেমৰ পৰশ বুলাই ধৰাৰ বুকুত সৰগ ৰচি অনাগত সম্ভাৱনাময় দিনটোলৈ আগবাঢ়ি যাবলৈ। ❑❑

*মই নিজৰ বাহিৰে আনক কেতিয়াও সমালোচনা নকৰো। কাৰণ মই নিজৰ বিষয়ে আৰু নিজৰ দোষবোৰৰ বিষয়ে যিমান ভালকৈ জানো, আনৰ বিষয়ে আৰু আনৰ দোষবোৰৰ বিষয়ে সিমান ভালকৈ নাজানো।*

*ছেক্সপিয়েৰ*

*চয়তানে আবিস্কাৰ কৰা মদ "হাৰামক" নিৰ্মূল কৰক।*

*হজৰত মহম্মদ*

# সংৰক্ষণ বিৰোধী আন্দোলন ঃ অন্য এক দৃষ্টিভঙ্গী

শ্ৰীচন্দন কুমাৰ গোস্বামী
স্নাতক প্ৰথম বাৰ্ষিক

বিগত সময়ছোৱাত ভাৰতবৰ্ষত ঘটি যোৱা এক অন্যতম ঘটনা হৈছে সংৰক্ষণ বিৰোধী আন্দোলন। এই আন্দোলনৰ নামত ভাৰতৰ এক বৃহৎ সংখ্যক ছাত্ৰ অগ্নিসংযোগ, লুটমাৰ, পথ-অৱৰোধ আদি কাৰ্য্যত প্ৰত্যক্ষ বা পৰোক্ষভাৱে চামিল হৈছিল। আনকি কোনো কোনো ঠাইত ঘটা 'আত্মজাহ'ৰ দৰে ঘটনাই সমগ্ৰ ভাৰতবৰ্ষৰে এই আন্দোলনৰ প্ৰতি দৃষ্টি আকৰ্ষিত কৰিছিল। এনে উত্তেজনা আৰু আৱেগৰ পৰিণতি যে সুদূৰ প্ৰসাৰী হৈছে তাত কাৰো দ্বিমত নাই। কাৰণ সংৰক্ষণ বিৰোধিতাৰ নামত দেশৰ এক ব্যাপক অংশৰ অৱহেলিত শোষিতজনৰ উন্নতি আৰু সীমিত অধিকাৰ খিনিকো কাঢ়ি নিয়াৰ এক সুপৰিকল্পিত পৰিকল্পনা কৰা হৈছিল। তদুপৰি এচাম ৰাজনৈতিক নেতা, সংবাদ মাধ্যমৰ তথাকথিত নিৰপেক্ষ সাংবাদিক আদিয়েও এই ঘটনাত পৰ্দাৰ আঁৰৰ পৰা নিজস্ব অৰিহণা আগবঢ়াইছিল।

ভাৰতৰ প্ৰধানমন্ত্ৰী ভি.পি.সিঙে ১৯৯০ চনৰ ৭ আগষ্টত সংসদত ঘোষণা কৰিছিল যে মণ্ডল কমিছনৰ প্ৰতিবেদনক বাস্তৱত ৰূপ দিয়া হব। বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিন্দেশ্বৰী প্ৰসাদ মণ্ডলৰ নেতৃত্বত ১৯৭৮ চনতে গঠিত হোৱা দ্বিতীয় জাতীয় আয়োগৰ মূল লক্ষ্য আছিল সমাজৰ পিছপৰা শ্ৰেণীৰ উন্নতি সাধন, এই আয়োগে অনুন্নত বুলি চিহ্নিত কৰা ৩৭৪৩ টা সম্প্ৰদায় (অসমৰ ক্ষেত্ৰত ১৩৫টা) ৰ উন্নতিৰ বাবে মুঠ ৪০টা পৰামৰ্শহে সিং চৰকাৰে গ্ৰহণ কৰিছিল। এই পৰামৰ্শ সমূহৰ ভিতৰত কেন্দ্ৰীয় আৰু তাৰ নিয়ন্ত্ৰিত সংস্থা সমূহৰ চাকৰিৰ ২৭ শতাংশ অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত থাকিব বোলা পৰামৰ্শটোত আন্দোলনকাৰী ছাত্ৰ সমাজৰ প্ৰধান আপত্তি। তেওঁলোকৰ দৃষ্টিভঙ্গী হৈছে সংৰক্ষণ ব্যৱস্থা জাতি ভিত্তিক নহৈ অৰ্থনৈতিক আৰু গুণগত ভিত্তিতহে হোৱা উচিত। মণ্ডল আয়োগৰ প্ৰতিবেদন অনুসৰি আমাৰ দেশৰ মুঠ ১৮ শতাংশ লোকহে উচ্চ বৰ্ণৰ, অথচ এই ১৮ শতাংশ ভাৰতীয়ই চৰকাৰী চাকৰিৰ ৬০ শতাংশই পাই আহিছে। আন্দোলন কাৰী ছাত্ৰ সকলে কোৱা অৰ্থনৈতিক আৰু গুণগত ভিত্তি কথাযাৰ সমালোচনাৰ স্থল আছে।

অৰ্থনৈতিক ভিত্তিৰ কথাযাৰ কিছুদুৰ সত্য হলেও সামগ্ৰীক অৰ্থত এই বৈশিষ্ট্য ধৰ্তব্য নহয়। কাৰণ উচ্চ বৰ্ণৰ মানুহৰ মাজত অৰ্থনৈতিক দূৰ্দশাগ্ৰস্ত কিছু লোক থাকিলেও ই ভাৰতবৰ্ষৰ সমূহ জনগণৰ অৰ্থনৈতিক দুৰৱস্থাৰ এক নামমাত্ৰ অংশহে। কিন্তু দেশৰ অনুন্নত সম্প্ৰদায় সমুহৰ ওপৰত যি শোষণ ব্যৱস্থা জাপি দিয়া হৈছে আৰু তাৰ ফলত যি অৰ্থনৈতিক ভাৱে অনগ্ৰসৰ শ্ৰেণীৰ সৃষ্টি হৈছে সি তুলনামুলক ভাৱে বৃহৎ অংশ অধিকাৰ কৰিছে। তদুপৰি যি গুণগত মানদণ্ডৰ কথা কোৱা হৈছে তাতো ভাবি চাব লগাৰ থল আছে।

গুণগত ভিত্তিৰ সাৰ্থকতা নিৰ্ভৰ কৰে সামাজিক সমতাৰ ওপৰতহে। অন্যহাতে যি সমাজ ব্যৱস্থাত চৰম শ্ৰেণী বৈষম্য চলি থাকে তাত সামাজিক সমতাৰ প্ৰশ্ন অবান্তৰ। যিখন দেশত ৭০ ভাগ লোকেই নিৰক্ষৰ, ৪০ ভাগ কৃষক, ২০ ভাগ শ্ৰমিক আৰু ২৫ ভাগ একেবাৰে দীন-দৰিদ্ৰ আৰু অন্যফালে মাথো এমুঠিমান মানুহে ভোগ-বিলাস তথা জীৱনৰ সকলো সুখ-সুবিধা ভোগ কৰিছে — তেনে অৱস্থাত গুণগত ভিত্তি সকলো ক্ষেত্ৰতে প্ৰযোজ্য হবনে? যিসকললোকে গুণগত সমতাৰ প্ৰশ্ন তুলিছে তেওঁলোকে সামাজিক সমতাৰ কথা ভাবি চাইছেনে? বৈদিক যুগৰে পৰা ভাৰতবৰ্ষত উচ্চ বৰ্ণৰ মানুহে প্ৰকাৰন্তৰে নিম্নবৰ্ণৰ লোকক শোষণ কৰি আহিছে। এতিয়াও এনে ব্যৱস্থা বৰ্ত্তি আছে। গতিকে স্বাভাৱিকতে প্ৰশ্ন উঠে যিখন দেশত মানুহভেদে মন্দিৰৰ পথ নিষিদ্ধ, একেলগে ভোজন কৰাতো নিষিদ্ধ সেইখন দেশত সমতাৰ প্ৰশ্ন আহিল কৰ পৰা? সংৰক্ষণ বিৰোধী আন্দোলন চলি থকা সময়ছোৱাত দিল্লীৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাস সমূহত পিছপৰা শ্ৰেণীৰ ছাত্ৰ সকলক অস্পৃশ্য বুলি এঘৰীয়া কৰোতে সমাজৰ কথা আহিব নালাগিছিলনে? গতিকে এনে এটা পৰিস্থিতিত গুণগত বৈশিষ্ট্যক প্ৰাধান্য দিয়াৰ বিশেষ প্ৰশ্ন উঠিব নোৱাৰে।



চৰকাৰী চাকৰিৰ ক্ষেত্ৰতো এই প্ৰসঙ্গৰ সিমান যুক্তি-যুক্ত মন্তব্য নাই। প্ৰতিবছৰে কেন্দ্ৰীয় চৰকাৰ আৰু ইয়াৰ অধীনৰ বিভাগ সমূহত চাকৰি ওলায় প্ৰায় ২ লাখৰ পৰা ৩ লাখৰ ভিতৰত। ইয়াৰ বিপৰীতে ২৭শতাংশ চাকৰি অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত হলে প্ৰায় ৬০/৭০ হেজাৰ চাকৰিৰ মুঠ সংখ্যা হব। কিন্তু ভাৰতবৰ্ষত প্ৰতিবছৰে ৩ কোটিতকৈ অধিক শিক্ষিত নিবনুৱাৰ সৃষ্টি হয়। গতিকে চৰকাৰী চাকৰিৰ ক্ষেত্ৰতো সীমাবদ্ধতা পৰিলক্ষিত হয়। প্ৰসঙ্গক্ৰমে, উচ্চপদস্থ চৰকাৰী চাকৰিত নিয়োজিত সকলোবোৰেই যে প্ৰকৃততে গুণগত মানদণ্ডৰ ভিত্তিত নিযুক্ত হৈছে সেয়া সন্দেহৰ বিষয়। স্বজন-তোষণ, উৎকোচ, শাৰিৰীক বল, ভাবুকি আদিৰ জোৰ নহলে বৰ্ত্তমান ভাৰতবৰ্ষত চৰকাৰী চাকৰি কৰাটো এক স্বপ্ন হৈ ৰব।

এটা কথা মনত ৰখা দৰকাৰ যে সংৰক্ষণৰ ব্যৱস্থা জাতিভেদ প্ৰথাৰ সৈতে জড়িত নহয়, ই অৰ্থনৈতিকভাৱে শোষণৰপৰা মুক্ত হবলৈ আৰু সকলো ভাৰতীয়ই সমমৰ্য্যদা পাবলৈ হলে সংৰক্ষণ ব্যৱস্থাক উলাই কৰিলে নহব। অৱশ্যে প্ৰয়োজনীয় সাল-সলনি কৰিলে নিশ্চয় এই ব্যৱস্থা আৰু অধিক ফলপ্ৰসু হব। ❑❑

---

*সংসাৰত অইন বস্তু পৰে বলেৰে বা ধনেৰে সংগ্ৰহ কৰি লব পাৰি কিন্তু জ্ঞান সেইদৰে আৰ্জি লব নোৱাৰি। তাৰ কাৰণে লাগে অধ্যয়ন।*

*আনন্দৰাম ঢেকিয়াল ফুকন*

*ছাত্ৰ জগতত সক্ৰিয় ৰাজনীতি অজ্ঞাত ৰখাই উচিত। ছাত্ৰই কামত অংশগ্ৰহণ কৰাৰ লগে লগে ছাত্ৰ হৈ নাথাকে সেইবাবেই দেশৰ দুৰ্যোগৰ সময়ত দেশ সেৱা কৰিবলৈ ব্যৰ্থ হৈ পৰে।*

*মহাত্মা গান্ধী*

*"যি জনৰ নিজৰ ওপৰত বিশ্বাস নাই, তেওঁ কোনো কামতে সফল হ'ব নোৱাৰে।"*

*নেপোলিয়ন*

# শিক্ষা ব্যৱস্থাত ছাত্ৰ-শিক্ষকৰ গুৰুত্ব

মিচ্ সবিতা শৰ্মা
স্নাতক দ্বিতীয় বাৰ্ষিক

*"The teacher is not merely the fountain of facts, the walking encyclopedia and the universal provider of useful information to the young but their guide, philosopher and friend these filled build of their intellect"– Wren.*

শিক্ষা ব্যৱস্থাৰ মূল কেন্দ্ৰ হ'ল শিশু বা শিক্ষাৰ্থী। এই শিক্ষা ব্যৱস্থাৰ পৰিকল্পনাক বাস্তৱত ৰূপায়িত কৰিবৰ বাবে এদল সুদক্ষ আৰু অক্লান্ত কৰ্মীৰ প্ৰয়োজন। সমগ্ৰ শিক্ষা যন্ত্ৰৰ পৰিচালনাৰ গুৰিতে থকা এই সুদক্ষ কৰ্মী সকলেই হ'ল শিক্ষক। এই শিক্ষক সকলেই শিক্ষাৰ্থীয়ে অৰ্জন কৰিবলগীয়া জ্ঞান আৰু অভিজ্ঞতা সমূহ শিক্ষাৰ্থীৰ আগত দাঙি ধৰে। প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থাত শিশুৱেই আছিল প্ৰধান প্ৰাণকেন্দ্ৰ। শিক্ষকে পাঠ্যক্ৰম ৰচনা কৰাৰ পৰা শিক্ষাৰ্থীক শিশুদান কৰা, জ্ঞান দিয়ালৈকে গোটেইখিনি কাম অকলেই সুকলমে সম্পাদনা কৰিছিল। গুৰু-শিষ্যই লগ লাগি এক অখণ্ড সমাজ গঠন কৰি আশ্ৰমৰ নিৰ্মল পৰিবেশত শিক্ষা কাৰ্য্য সম্পন্ন কৰিছিল।

প্ৰাচীন গ্ৰীচদেশৰ ইতিহাসতো পোৱা যায় যে গ্ৰীচ সমাজত শিক্ষকে অতি উচ্চ আসন লাভ কৰিছিল আৰু সমাজৰ সকলো কামতে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। দাৰ্শনিক পণ্ডিত এৰিষ্টটলে কৈছিল যে জীৱন দাতা পিতৃ-মাতৃতকৈও শিক্ষকসকল আৰু বেছি শ্ৰদ্ধাৰ পাত্ৰ।

ছাত্ৰৰ স্বাভাৱিক অনুকৰণ প্ৰিয়তা আৰু অভিভাৱক শীলতাৰ কাৰণে শিক্ষকৰ দায়িত্ব অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। বৰ্ত্তমান শিক্ষাবিদসকলৰ মতামত এয়ে যে বিভিন্ন পৰিবেশত নিজৰ চেষ্টাৰে শিক্ষাৰ্থীয়ে নিজেই নিজক শিক্ষিত কৰি তুলিব লাগিব। কিন্তু এইটোও ঠিক যে বিভিন্ন পৰিবেশ বা পৰিস্থিতিত শিক্ষকৰ সুপৰিচালনাৰ দ্বাৰাহে শিশুৰ সু-শিক্ষা আৰু সুস্থ বিকাশ সম্ভৱ হয়। শিক্ষকৰ যোগ্যতা, দুৰদৰ্শিতা আৰু কৰ্ত্তব্য পৰায়ণতাৰ ওপৰতে শিক্ষাৰ সাফল্য বহু পৰিমাণে নিৰ্ভৰ কৰে। গতিকে বুজিব পৰা যায় যে বৰ্ত্তমান শিক্ষাত শিক্ষাৰ্থীয়েই প্ৰধান অংশ গ্ৰহণ কৰে যদিও শিক্ষকৰ প্ৰাধান্যও কোনোপধ্যে কম নহয়। শিক্ষা দিয়া আৰু লোৱা কাৰ্য্যৰ যোগেদি শিক্ষকে ছাত্ৰৰ ওপৰত আৰু ছাত্ৰই শিক্ষকৰ ওপৰত পাৰস্পৰিক প্ৰভাৱ পেলায়। এনে প্ৰভাৱৰ মূল কথা এয়ে যে ছাত্ৰই অপৈণত ব্যক্তিত্বৰ ওপৰত শিক্ষকৰ পৈণত, অভিজ্ঞ আৰু শক্তিশালী ব্যক্তিত্বৰ নিশ্চিত প্ৰভাৱ পৰে। ফলত ছাত্ৰৰ ব্যক্তিত্ব গঢ় লৈ উঠে। শিক্ষকে শিক্ষাদান কৰা কাৰ্য্যৰ যোগেদি প্ৰকৃত পক্ষে তেওঁৰ ধ্যান-ধাৰণা আৰু অভিজ্ঞতা আদিয়ে ছাত্ৰৰ ওপৰত এক অদৃশ্য অথচ শক্তিশালী প্ৰভাৱ পেলায়। আনহাতে ছাত্ৰ সকলৰো দৈহিক উপস্থিতিয়ে শিক্ষকৰ মনত আৰু ক্ৰিয়া আচৰণত এক আনুভূতিক প্ৰভাৱ পেলায়। ছাত্ৰসকলৰ উপস্থিতি; তেওঁলোকৰ সহযোগিতা; আগ্ৰহ, অভিৰুচি আদিয়ে শিক্ষকক তেওঁৰ শিক্ষাদান কাৰ্য্যত উৎসাহিত কৰে। শিক্ষাবিদ ছাৰ জন আদমছে সেই হেতুকে শিক্ষাক দ্বিপক্ষীয় প্ৰক্ৰিয়া বুলি বৰ্ণনা কৰিছে।

এই ক্ষেত্ৰত শিক্ষক আৰু শিক্ষাৰ্থীৰ কিছু গুণাৱলীৰ বিষয়ে তলত উল্লেখ কৰা হ'ল। এগৰাকী শিক্ষাবিদে শিক্ষকৰ আদৰ্শ গুণাৱলী সম্পৰ্কে এটা নতুন ব্যাখ্যা দাঙি ধৰিছে। তেখেতৰ মতে 'শিক্ষক' অৰ্থাৎ 'Teacher' এই শব্দটোৰ প্ৰতিটো আখৰৰ বিশেষ তাৎপৰ্য্য এনে ধৰণৰ—

T=(Tactfulness) অৰ্থাৎ— চাতুৰ্য্য।
E=(Efficiency) অৰ্থাৎ— যোগ্যতা।
A=(Ability) অৰ্থাৎ— দক্ষতা।
C=(Character) অৰ্থাৎ— চৰিত্ৰ।
H=(Humour) অৰ্থাৎ— হাস্যৰস।



E=(Eloquency) অৰ্থাৎ— বাগ্মীতা।
R=(Readiness) অৰ্থাৎ— প্ৰস্তাৱস্থা।

T= শিক্ষক এজনে শিক্ষাৰ্থীক পাঠদান কৰোৱাটো কৌশলেৰে কৰাব লাগে। সেই কৌশলটো নাজানিলে তেওঁ এজন আদৰ্শ শিক্ষক হব নোৱাৰে।

E= জ্ঞানৰ গভীৰতাৰ বাহিৰেও শিক্ষকৰ পাঠদান কৰাৰ যোগ্যতা থাকিব লাগে। যোগ্যতাৰ বাবেহে শিক্ষকে শিক্ষকতা কৰিব পাৰে। ছাত্ৰৰ চকুত নিজকে নতুন আৰু প্ৰতিভা সম্পন্ন ব্যক্তি স্বৰূপে দাঙি ধৰিবলৈ তেওঁৰ বৌদ্ধিক সক্ৰিয়তাৰ প্ৰয়োজন। ছাত্ৰৰ মনত স্থায়ী আৰু সুস্থ প্ৰভাৱ পেলাৱৰ বাবে শিক্ষকৰ ব্যক্তিত্ব বিশেষ গুণ সম্পন্ন হোৱা উচিত। মম স্তত্বৰ উপযুক্ত ধ্যান ধাৰণাইহে শিক্ষকক ব্যৱসায়িক ভাৱে যোগ্য ব্যক্তি হিচাপে গঢ়ি তোলে।

A= শিক্ষাৰ তাত্বিক আৰু ব্যৱহাৰিক দিশৰ শিক্ষাৰ বাবে প্ৰয়োজন হোৱা শিক্ষা সঁজুলি আৰু উপকৰণবোৰ যথাযোগ্য ভাৱে শ্ৰেণীত প্ৰয়োগ কৰাৰ কৌশল তেওঁ ভালদৰে জানিব লাগে। সেয়েহে শিক্ষকে বিভিন্ন বিষয়ৰ শিক্ষাদান কৰোতে যথোপযোগী সা-সজুলি ব্যৱহাৰ কৰাৰ উপৰিও পাঠদানৰ দক্ষতা থাকিব লাগে।

C= চৰিত্ৰহীন শিক্ষকে শিক্ষকতাৰ কাৰ্য্যত সাফল্য লাভ কৰিব নোৱাৰে। শিক্ষকৰ ব্যক্তিত্বই যাতে উপযুক্ত পথত ছাত্ৰৰ ব্যক্তিত্ব গঢ়লৈ উঠাত সহায় কৰে তাৰ প্ৰতি শিক্ষক সজাগ হব লাগিব। শিক্ষাথীৰ নৈতিক চৰিত্ৰ গঠন কৰিব পাৰে এজন চৰিত্ৰবান আৰু ব্যক্তিত্বসম্পন্ন শিক্ষকেহে। শিক্ষকৰ ব্যক্তিত্বৰ প্ৰভাৱ প্ৰতিজন শিক্ষিত লোকেই নিজ জীৱনত অনুভৱ কৰে। সেই হেতুকে শিক্ষকসকল বৰ্ত্তমানেও সকলো লোকৰ বাবে শ্ৰদ্ধা-ভক্তিৰ পাত্ৰ। কোনো ব্যৱসায়ী বৃত্তিয়ে শিক্ষকতা বৃত্তিতকৈ উৰ্দ্ধত আৰু সন্মানীয় স্বৰূপে বিবেচিত হব নোৱাৰে।

H= শিক্ষকৰ ব্যক্তিত্ব আকৰ্ষণীয় কৰি তুলিবৰ বাবে হাস্যৰসিক হোৱা বাঞ্চনীয়। পাঠ্যপুথি আৰু বাস্তৱ জীৱনৰ জ্ঞানক ৰসাল আৰু জীৱন্ত কৰি তুলিবৰ কাৰণে শিক্ষকৰ ৰসবোধ থকাটো বাঞ্চনীয়।

E= বিষয়বস্তুৰ প্ৰতি গভীৰ জ্ঞান থকাৰ উপৰিও বাকপটুতা শিক্ষকৰ এটি বিশেষ গুণ বুলি বিবেচিত হৈছে।

R= শিক্ষাদান কাৰ্য্যত শিক্ষক এজন তৎপৰতাৰ সৈতে শিক্ষা দিয়া উচিত। শিক্ষাৰ্থীৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়াৰ বাবে সদায় প্ৰস্তুত হৈ থাকিব লাগে। সেই গতিকে প্ৰতিজন শিক্ষকে শিক্ষা প্ৰণালীৰ সম্পৰ্কে আৱিস্কৃত হোৱা নতুন নতুন তথ্য আৰু জ্ঞানৰ সৈতে নিজক পৰিচিত ৰখা বিশেষভাৱে দৰকাৰ।

সংক্ষেপতে এজন আদৰ্শ শিক্ষকৰ চাতুৰ্য্য যোগ্যতা আৰু দক্ষতা থাকিব লাগিব। তেওঁ চৰিত্ৰবাণ হব লাগিব আৰু নিজৰ হাস্যৰস, বাগ্মীতা আৰু ক্ষিপ্ৰতাৰ দ্বাৰা শ্ৰেণী এটা উৎসাহপূৰ্ণ পৰিবেশ সৃষ্টি কৰিব পাৰিব লাগিব।

শিক্ষাৰ্থীক ইংৰাজীত কোৱা হয় 'Student' এই শব্দটো কেইবাটাও আখৰেৰে গঠিত আৰু প্ৰতিটো আখৰেই অৰ্থ ব্যাপক।

S=(Study and Social Sense) অৰ্থাৎ, অধ্যয়ন আৰু সামাজিক চেতনা।
T=(Trustworthy) অৰ্থাৎ বিশ্বাসী।
U=(Unity) অৰ্থাৎ একতা।
D=(Discipline) অৰ্থাৎ শৃঙ্খলা।
E=(Energy) অৰ্থাৎ উৎস শক্তি।
N=(Neutrality) অৰ্থাৎ নিৰপেক্ষতা।
T=(Truthfulness) অৰ্থাৎ সত্যবাদিতা।

S= শিক্ষাৰ্থীৰ প্ৰধান কাম অধ্যয়ন। কিন্তু শিক্ষাৰ্থীৰ অধ্যয়ন পাঠ্যপুথিতে আৱদ্ধ নাথাকি বহল অৰ্থত ব্যৱহাৰ হোৱা উচিত। গতিকে পাঠ্যপুথিৰ বাহিৰে অন্যান্য বিষয়ৰ কিতাপ পত্ৰ পঢ়ি বাৎস্যলোকৰ অনুকৰণ কৰি অন্যান্য বিষয়ৰ জ্ঞানো ছাত্ৰসকলে আহৰণ কৰি অন্যান্য বিষয়ৰ জ্ঞানো ছাত্ৰসকলে আহৰণ কৰিব লাগে। সমাজবাদী শিক্ষাবিদসকলৰ মতে সমাজেই হ'ল শিক্ষাৰ্থীৰ আদৰ্শ পুস্তক আৰু শিক্ষা লাভৰ স্কুল। শিক্ষাৰ্থীৰ ওপৰত সমাজৰ দায়িত্ব অসীম। এই সময়ছোৱাত সমাজৰ বিভিন্ন কৰ্ত্তব্য জনা উচিত। ছাত্ৰৰ ওপৰতেই সমাজ এখনৰ উন্নতি নিৰ্ভৰ কৰে। সমাজৰ লগত জড়িত শিক্ষাৰ্থীৰ মনত সমাজ প্ৰীতি, দেশপ্ৰেম, ত্যাগৰ ভাব জাগি উঠে।

T= বিশ্বাসৰ বলতে মানুহে অসাধাৰণ সত্যতাৰ জ্বলন্ত প্ৰমাণ দাঙি ধৰিব পাৰে। শিক্ষাৰ্থীজন নিজেও বিশ্বাসী হোৱা উচিত আৰু আনৰ ওপৰতো বিশ্বাস ৰখাটো উচিত। বিশ্বাসীজনৰ ওপৰতে এটা সজ, গুৰুত্বপূৰ্ণ কামৰ দায়িত্ব দিব পাৰি। সদায় সৎ বাটত পবিত্ৰভাৱে শিক্ষা গ্ৰহণ কৰাটো শিক্ষাৰ্থীৰ দায়িত্ব।

U= দলবদ্ধভাৱে কাম কৰিবলগীয়া হোৱাত ছাত্ৰৰ মাজত একাত্মবোধ আৰু সহযোগিতাৰ ভাব বৃদ্ধি পায়। একতাই হৈছে আটাইতকৈ মহৎ শক্তি। কাৰণ একতাৰ বলতেই এটা অসম্ভৱ কামো

সাধন কৰিব পাৰি। ইণ্ডোনেচিয়াৰ স্বেচ্ছাস্বাৰী ৰাষ্ট্ৰপতি ড° সুৰ্কনক তাৰ ছাত্ৰ-ছাত্ৰীসকলে আন্দোলন কৰি গাদীৰ পৰা নমাই দেশত শান্তি স্থাপন কৰিছিল। পৃথিৱীৰ ভিতৰত যিবোৰ দেশ শক্তিশালী সেইবোৰ দেশৰ গুৰিতেই আছে একতা। ছাত্ৰৰ শক্তি অসীম। গতিকে এখন দেশৰ উন্নতি নিৰ্ভৰ কৰে ছাত্ৰৰ ওপৰত। সেয়ে ছাত্ৰই ভেদা-ভেদ ভাব ত্যাগ কৰি একতাৰে শিক্ষালাভ কৰিব লাগে।

D= নিয়মানুবৰ্ত্তিতা, সময়ানুবৰ্ত্তিতা, শৃঙ্খলা আদি গুণবিলাক ছাত্ৰ-ছাত্ৰীসকলে আহৰণ কৰিব লাগে। ছাত্ৰ অৱস্থাত শৃঙ্খলৰ মাজত থকাৰ ফলত তেওঁলোকে ভৱিষ্যত জীৱনত উন্নতি কৰিবলৈ সক্ষম হয়। কোনো এটা ভাল কামৰ গুৰিতেই হ'ল শৃঙ্খলা, শিক্ষাৰ্থীয়ে তাৰ প্ৰথম অৱস্থাতেই শৃঙ্খলাৱদ্ধ হোৱা উচিত।

E= কোনো এটা কঠিন কাম সহজে কৰিবৰ বাবে উৎসাহৰ একান্ত প্ৰয়োজন। উৎসাহ নাথাকিলে এটা সহজ কামো হৈ নুঠে। কঠিন কিন্তু উৎসাহেৰে আৰম্ভ কৰিলে সেইটো সমাধা নহৈ নোৱাৰে। শিক্ষাৰ্থীৰ পঢ়াশুনাৰ বেলিকাও উৎসাহৰ একান্ত প্ৰয়োজন।

N= ছাত্ৰ জীৱন নিৰপেক্ষ জীৱন। নিৰপেক্ষ শব্দৰ অৰ্থ হ'ল কোনো দলৰ অন্তৰ্ভুক্ত নোহোৱা। শিক্ষাৰ্থীয়ে নিৰপেক্ষভাৱে থাকি নিজ কামত ব্ৰতী হোৱা একান্ত প্ৰয়োজন। "ছাত্ৰানং অধ্যয়নং তপঃ"। ছাত্ৰ জীৱন, শিক্ষা লাভৰ সময়। ইয়াত দলা-দলিৰ ভাৱত জড়িত হোৱাৰ সময় নাই। এই জগত ভেদভাৱ, হিংসা আদিৰে পৰিপূৰ্ণ। গতিকে এইবোৰ বাদ দি একান্তভাৱে জ্ঞান অৰ্জন কৰাৰ দৰকাৰ যাতে ভৱিষ্যতে জীৱন উজ্বল কৰি গঢ়িব পৰা যায়।

T= মানৱ দেহ ক্ষন্তেকীয়া। এই মানৱ জীৱনত সত্যৰ বাহিৰে আন একো মহান হব নোৱাৰে। সত্যৰ সদায় জয়। শিক্ষাৰ্থীয়ে সত্য কথা এৰি মিছা কথা কোৱা উচিত নহয়। ছাত্ৰ জীৱনেই হৈছে মানৱ জীৱনৰ গুৰুত্বপূৰ্ণ জীৱন। সেয়ে ছাত্ৰ জীৱনৰ পৰাই সুচাৰুৰূপে প্ৰতিটো পদক্ষেপ পেলাব লাগে যাতে ভৱিষ্যত জীৱনত সমাজ তথা দেশৰ লগত সমানে উন্নতি কৰিব পাৰে। ❑❑

---

*জীৱন বুলি কলেই কেৱল সহি লৈ জীয়াই থকাটোৱে নুবুজায়, মানৱ মনৰ ইচ্ছা, আকাঙ্খা বিলাক সু-পথেৰে পৰিচালিত কৰি ইন্দ্ৰিয় সমূহক কাৰ্য্যক্ষম কৰাই মনৰ অনুভূতিবোৰ বিকাশেৰে মানবীয়, গুণ সম্পন্ন হৈ চলাটোৱে প্ৰকৃত জীৱন।*


*ৰুছো*

*"নিখুত জাতীয়তা বোধ নহ'লে কোনো দেশ আৰু তাৰ লোক সংঘই প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে। এই জাতীয়তাবোধটো কোনো ধৰ্ম বিশেষগত, বা গোষ্ঠী বিশেষগত বা ভাষা বিশেষগত নহয়। ই সম্পূৰ্ণভাবে দেশগত। পৃথিৱীৰ যাৱতীয় লোক সংঘই আন সকলো পৰিচিতি বৰ্জন কৰি এই দেশগত সমগ্ৰতাৰ স্বাৰ্থৰ সাঙোৰ যোৱাৰ নামেই প্ৰকৃত সকীয়তা।"*

*অম্বিকাগিৰি ৰায়চৌধাৰী*



# ক বি তা



# ঘ ৰ

# তিক্ততা

শ্ৰীকংকন ভৰালী
স্নাতক ২য় বৰ্ষ

মই আজি
অনুভৱ কৰিছো
পৃথিৱীত জীয়াই থকাৰ
তিক্ততা।

দেখিছো
এমুঠি অন্নৰ বাবে,
হাহাকাৰ কৰা
এদল মানুহক;

শুনিছো
এফালে........
এটি পইচাৰ বাবে
ৰাস্তাৰ দাঁতিত বহি থকা,
ভিক্ষাৰীৰ চিঞৰ।
আনফালে
আয়ৰ ফাঁকি দি ৰখা
কোনো পুজিপতিৰ
টকাৰ বান্দিলৰ
খচ খচনি।

ভাবিছো
যদি ইহঁতক
দিব পৰা গ'লহেতেন
খাবলৈ এমুঠি ভাত
আৰু................
পিন্ধিবলৈ এখনি কাপোৰ

নহলে যে
অৰ্থ নাই মানুহৰ
চন্দ্ৰলৈ যোৱাৰ
উপগ্ৰহ পঠিওৱাৰ
আনৱিক বিস্ফোৰণ ঘটোৱাৰ;

সেয়ে
আজি হওঁক মহান প্ৰতিজ্ঞা
ক্ষুদ্ৰ স্বাৰ্থ বিনাশী
সৃষ্টি কৰিম এখন নতুন সমাজ
য'ত নাই মাথো বক্তৃতাৰ ফুলজাৰি

আৰু য'ত নাই
দাবানলে জ্বলোৱা
মানৱ জীৱনৰ তিক্ততা।

☆☆☆

## মাদাৰ টেৰেছা

মিচ্ প্ৰতিভা বসু
স্নাতক ১বষ

*(১৯৯৭-৯৮ বৰ্ষৰ থিতাতে লিখা কবিতা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত কবিতা)*

হে বিশ্বৰ মাতৃ
তোমাক জনাওঁ শত নমস্কাৰ।
শত জনমৰ পূণ্য সাধনত পাইছিলো
তোমাক আমাৰ মাতৃ স্বৰূপে।
তুমি জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে
সকলোকে সাবটি লৈছিলা
আপোন সন্তান ৰূপে।
তোমাৰ পৰশত এই বিশ্বজগতে পাইছিল
বিপুল শান্তিৰ সম্ভাৰ,
তোমাৰ হৃদয়ত বিচাৰি পাইছিল
একতাৰ সন্ধান
কোন কুলত জন্মি তুমি কাকনো
লৈছিলা আপোন বুলি।
সচাকৈয়ে তুমি
সমগ্ৰ বিশ্বৰ বাবে আছিলা
জীৱনী শক্তি দায়িনী অমৃতৰ ভাণ্ডাৰ
হে মাতৃ তোমাৰ সেই
জগত আপ্লুত চৰণত থাপিছো
এখনি মুক্ত হৃদয়
দিয়া আশীৰ্বাদ।
গৌৰৱেৰে কৰিছো তোমাক
হৃদয় অঞ্জলীৰে পূজা,
বিশ্বৰ ইতিহাসত তুমি হৈ ৰবা
স্মৃতি চিৰ যুগমীয়া।

☆☆☆

## নুফুটে চকুত প্ৰিয়া তোমাৰ হাঁহি

শ্ৰীৰাজু আহমদ দাস
স্নাতক ১ম বৰ্ষ

দৃষ্টিত যে মোৰ সৃষ্টিৰ অদম্য হেপাহ
কি মৰু কি সেউজ....
অতৃপ্ত বাসনাৰ নিচলা ধুমুহাজাকে
ফুলাই তোলে............
তোমাৰ মুখৰ প্ৰিয়া তেজাল গোলাপ পাহি
পোৱা নাই................
নোপোৱা হিয়াৰ জাগে
ৰক্ত জবা তোমাৰ কমল হাঁহি।
জীৱনৰ মধুৰ আলিংগনে
তেজাল বুকুত আকে
পৃথিৱী যে মানুহৰ ৰসাল বুকু।
কি নাই তাত?
আছে সেউজৰো ৰক্ত কণিকা
সুগন্ধি কোমল প্ৰিয়া তোমাৰ উলাহ।
অস্থিৰ বেদনাহত হিয়া
অকৰ্মন্য দুহাতত
সৃষ্টি আবেগে সিচেঁ
বাৰে বাৰে দৃষ্টিত অপূৰ্ব ফচল।।

☆☆☆





## জীৱন বাঁহী

শ্ৰীবিৰাজ তালুকদাৰ
স্নাতক ২য় বৰ্ষ

একেই আছে
এই নাম,
এই কীৰ্তি,
মৃত্যুঞ্জয়ী মোৰ বিদ্যালয়খনি।
তোমাৰ তেজৰ উমত
জিলিকি উঠে
জ্ঞানপীপাষু মনৰ,
মতলীয়া সঞ্জীৱনী।
সপোনৰ মঙ্গল কলচী
তুমি আমাৰ জীৱন দায়িনী,
ন-পুৰুষৰ অন্তৰ বাসিনী।
চেনেহী কোলাৰ উম দি তুমি
অমিয়া মাধুৰী বেলি,
যৌৱনৰ উদুলি মুদুলি
সেমেকা নিশাত
তুমিয়েই আনি দিয়া
অনাগত দিনৰ মাধুৰী,
জীৱন যাত্ৰাৰ মিঠা ৰ'দালি।

☆☆☆

## এটি কবিতাৰ জন্মৰ আশাৰে

শ্ৰীকংকন শৰ্মা
স্নাতক ২য় বৰ্ষ
আলোচনী সম্পাদক
নিৰ্মল হালৈ মহাবিদ্যালয়
১৯৯৭-৯৮ বৰ্ষ

মই নাজানো
কবিতা কি? কোন তেওঁ?
কি তেওঁৰ পৰিচয়?
কেতিয়াবা
স্মৃতিৰ শিকলি চিঙি
ওলাই আহে দুখবোৰ
শব্দৰ মিছিল হৈ
কেতিয়াবা মই সিহঁতক
আকৌ বন্দী কৰো
উকা কাগজত
নীলা, ক'লা, হালধীয়া
অথবা কলিজাৰ ৰঙেৰে।
মই তেওঁক জন্ম দিব বিচাৰো
কিন্তু মই নিবীৰ্য্য
মই নিজক ঠিকেই চিনি পাওঁ
কিন্তু তেওঁক নাপাওঁ
সেয়ে মই তেওঁক জন্ম দিব নোৱাৰো।
অক্ষমতাৰ এক বোবা বেদনাত
মই হাহাকাৰ কৰো
মোৰ একমাত্ৰ আশা ক্লনিং।
তেওঁ হ'ব মোৰেই ক্ল'ন।

☆☆☆

## তোমাৰ বাবে

শ্ৰীসোণমা দেৱী
*স্নাতক ২য় বৰ্ষ*

নিয়ৰ সনা শেতা দুবৰিত
জিলিকি উঠা বেশত
জোনাক সনা স্নিগ্ধতা,
নিৰ্জন মূহুৰ্তৰ
জয়াল প্ৰহৰবোৰত
ভাহি অহা তীব্ৰ মৌনতা
অকলে সাৱতিছো মই
অলেখ বেদনা
গঢ়িব খুজিছো ভাঙি যোৱা
অলেখ কল্পনা
মাজ পথত উদ্ভাসিত
জোন এটিৰ এচমকা আভা
হৃদয়ত এতিয়া মোৰ বহুত পোহৰ
এন্ধাৰ আৰু নাই...............
কাৰণ নতুন দিগন্ত
আজি অভিনৱ
মোৰ হৃদয়ত তুমি
উজলিলা সাঁজৰ জোনটি হৈ
সংগপোনে।

☆☆☆

## সময়

মিচ্ গীতুমণি ডেকা
*উঃ মাঃ ২য় বৰ্ষ*

নিলিখো আৰু মই
মধুৰ কবিতা
মোৰ বুকুৰেদি বৈ যোৱা
সোনোৱালী নিজৰাটি হেৰাই গ'ল
বিস্মৃতিৰ অটল গৰ্ভত।
প্ৰাণৰ মৰমবোৰ কৰ্কশ হ'ল
মাথো হৃদয়ত থুপ খাই ৰ'ল
বিষাদৰ এচমকা ক'লা ডাৱৰ।
সেয়ে এখন মাত্ৰ তৰোৱাল দিয়া
সিখনেৰে লিখিম বসুন্ধৰাৰ বক্ষত
চিহ্নবোৰ থকা যুগ যুগান্তৰ বিয়পি।
বহুত আৰু বহুতৰ দৰে
সেয়ে নিলিখো আৰু মই
মধুৰ কবিতা
প্ৰাণৰ মৰমবোৰ যেন কৰ্কশ হ'ল
আশাবোৰ যেন নিৰাশ হ'ল
চিনাকীবোৰ যেন স্মৃতি হ'ল
চিন্তাবোৰ যেন স্থবিৰ হ'ল
নিশাবোৰ যেন ধৰ্ষিতা হ'ল
ক্ষমাই নাপায় স্থান
দুখীয়াই নাপায় মান
জীৱনৰ ভৰ দুপৰীয়া
ৰূঢ় বাস্তবৰ কাৰাগাৰত
আবদ্ধ হ'ল
মোৰ আত্মবিশ্বাস
সেয়ে নিলিখো আৰু মই
মধুৰ কবিতা।

☆☆☆





## ব'হাগ

মিচ্ নিবেদিতা ডেকা
*উঃ মাঃ ২য় বৰ্ষ*

হৃদয়ৰ বাকৰিত পুহি ৰাখিছোঁ
এটি অদৃশ্য বাসনা
প্ৰতিটো ঋতু ব'হাগ হওঁক...
চকুৰ পতাত
সুৰুয মুখী আকাশৰ স্বপ্ন দোলে
জোনাকত বহি কবিতা লিখো
কপা কোমল সেন্দুৰীয়া শব্দৰ সংবেদন
কলিজাৰ তপত উমেৰে
গঢ়ো কবিতাৰ ছন্দ
বতাহত হাচ্‌নাহানাৰ মাদকতা
মাথো আস্বাদিত এটি ব'হাগ।

## প্ৰস্তাৱ

শ্ৰীকিশোৰ কুমাৰ গোস্বামী
*স্নাতক তৃতীয় বৰ্ষ*

সাগৰখন মোৰ ফালে আগবাঢ়ি
অহা যেন লগাত মই দিছিলো
আকাশ গঢ়াৰ আকুল প্ৰস্তাৱ।

প্ৰচণ্ড ঢৌৰে গৰ্জি উঠা সাগৰখনে টুকুৰা টুকুৰ
কৰি আয়না ভঙা দি ভাঙি দিছিল
মোৰ আকুলতা খিনি।

তেজৰঙা হৈ পৰিছিল মোৰ হৃদয়।
সম্প্ৰতি মই কোনো সাগৰক সেইবাবে
দিয়া নাই আকাশ গঢ়াৰ প্ৰস্তাৱ।

## স্বাধীনতা

শ্ৰীমুনীন্দ্ৰ দাস
*স্নাতক ১ম বাৰ্ষিক*

আজি চৌদিশে কলৰৱ
বিশ্ব জনতাৰ;
চৌদিশে হাঁহাকাৰ, এমুঠি আহাৰ
ক্ষুধা নিৱাৰণৰ আৰু
লজ্জা আৱৰণৰ বাবে
এটুকুৰা কাপোৰ;
সৃষ্টিৰ নিৰ্মল আঘাতৰ বাবেই লাগিব
এটি পজাঘৰ;
আজি বিশ্বৰ প্ৰান্তে প্ৰান্তে
জাগি উঠে জনগণ
শৰীৰৰ তেজপিয়া ধৰ্মান্ধতাৰ নাশিবলে
লাগে স্বাধীনতা;
আজি মোৰ আকাশৰ মুক্ত বতাহত
নীড় মুখী পক্ষীজাক
লাহে লাহে উভতিছে,
আজি মোৰ দেশৰ জনতাৰ
কণ্ঠে কণ্ঠে মুক্তগীত বাজি উঠিছে
স্বাধীনতা; হে মোৰ (আমাৰ) জন্মস্বত্ব
"আমাক স্বাধীনতা লাগে।"

☆☆☆

# মায়াবিনী

শ্ৰীভৱদেৱ গোস্বামী
স্নাতক ১ম বৰ্ষ

অ' মোৰ সপোন কুঁৱৰী
অ' মোৰ কল্পনাৰ প্ৰেয়সী
অ' মোৰ মৰমৰ ৰঙা
ফুলনিৰ গোলাপ ফুল
তুমিতো নাছিলা মোৰ
নিচেই কাষত
কিয় আহি ব'লা
মোৰ হিয়াৰ মাজত।
ক্ষন্তেকৰ বাবে আহিছিলা
মোৰ জীৱন লগৰী হৈ
আকৌ তুমি আতৰি গ'লা
এন্ধাৰ বিষাদবোৰ মোলৈ থৈ।
গুচি গ'লা তুমি
মোৰ হৃদয় টুকুৰা কৰি
কেনেকৈ জীয়াই থাকো মই
দুখবোৰ বুকুত সাবটি।

☆☆☆

# অনামিকা

শ্ৰীখনিন ওজাকাহাৰ
স্নাতক ১ম বৰ্ষ

অনামিকা তাই,
দেহৰ অনামী গোন্ধে
অনামী শিহঁৰণ তুলিব পৰা
তাই..............?
নাম তাইৰ অনামিকা।
সুধিছিলো হঠাৎ এদিন
"তোমাৰ নাম কি?"
কলিজা কাটি নিব পৰাকৈ
খিল খিলাই হাঁহি কৈছিল,
তাইৰ হেনো নামেই নাই.........
হয়, তায়েই অনামিকা।
বয়সৰ কথাওঁ সুধিছিলো তাইক
"বছৰত নে তোমাৰ মৰমত হিচাপ কৰিবা?"
তাই কলে.........
"জন্মৰ পৰা এই পৰ্য্যন্তই মোৰ বয়স।"
হাঁহি অশ্ৰুৰ অৰ্থবহ সংমিশ্ৰণ
অৰ্থবহ তাইক প্ৰতিটো কথা
তাইক মাথো এটি নামেই
দিব পৰা যায়
"অনামিকা।"

☆☆☆



# অপেক্ষা

শ্ৰীমুকুল কলিতা
স্নাতক ১ম বৰ্ষ

অন্ত হ'লে
গভীৰ বিষাদৰ কীৰ্তি
চিকুন প্ৰভাতে আহি
ফুলাব জেউতিৰ ফুল।
মই আদৰিবলৈ
ৰৈ আছো উজাগৰে
এটি এন্ধাৰ নিশা
যতনে ৰাখিছো মালাধাৰি
তোমাৰ বাবেই।
অশান্ত প্ৰভাত
প্ৰেমৰ সমীৰণৰে
বোৱাই দিবা মাধুৰ্য্য
সিচি দিবা সঞ্জীৱনী
হৃদয়ৰ দুৱাৰে দুৱাৰে।
নিঃসংগ আত্মাই
সাৰ পালে
জিলিকি উঠিব
প্ৰভাতীৰ জেউতিৰে
প্ৰিয়া....................!!!
সেই ক্ষনলৈ
আছো ৰৈ এবুক মৰম ভৰা আশাৰে
মাথো তোমাৰ বাবে.................।।

☆☆☆

# প্ৰতাৰণা

শ্ৰীঅপূৰ্ব কলিতা
স্নাতক ১ম বৰ্ষ

তুমিয়েতো মোক কৈছিলা
প্ৰেম মানে সাগৰৰ মাজৰ এটি দ্বীপ
আৰু তুমিয়ে কৈছিলা
প্ৰেম মানে মৰুভূমিৰ এটোপাল পানী।
আজি বাৰু তুমি কিয় ক'লা?
প্ৰেম মানে এটি বিশাল শূন্য
এটুকুৰা গলি পচি যোৱা মাংসপিণ্ড।
আজি মোৰ কেনে লাগিছে জানা?
মই যেন এটুকুৰা জ্বলি থকা ম'ম।
আনৰ বাবে পোহৰ বিলাই
মই নিজেই গলি গলি নিঃশেষ হৈছো।
কোকীল কণ্ঠী মিঠা মাতেৰে
তুমিয়েতো মোক কৈছিলা
প্ৰেম মানে ধুমুহা নহয়
ধুমুহাৰ মাজৰ দুটি চৰাই
বৃথা বাঁহ ৰক্ষাৰ চেষ্টা আৰু ক্ৰন্দন।
আজি মই দেখিছো
এখন দেৱালয় তিনিটা শব্দ
'প্ৰেম', 'তুমি' আৰু 'মই'
হাতত লৈছো তুলি তুলিকা
তেজ ৰঙা ৰঙেৰে কাটি দিছো
জঘন্য ভয়াতুৰ শব্দ 'মই'ক।
সেউজীয়া বোলেৰে আৰু
নতুন শব্দৰ আৱিৰ্ভাৱেৰে
প্ৰেম তুমি "প্ৰতাৰণা"

☆☆☆

# প্ৰাত্যহিক

শ্ৰীমুকুতা ডেকা
স্নাতক ২য় বৰ্ষ

আকাশে বতাহে তেজৰ গোন্ধ
বাৰুদৰ ধোঁৱাৰে আবৃত ক্ষণ
নিষ্ঠুৰ হাতযোৰে ঢুকি পোৱাকৈ
প্ৰস্তুত মাৰণাস্ত্ৰৰে ভাণ্ডাৰ........
প্ৰতিটো পলেই যেন উন্মাদ ভয়াৰ্ত
ইতিহাসো যেন থমকি ৰয়
প্ৰাজ্ঞতাক ভৰিৰে মোহাৰি পেলোৱা
এই মাৰণাস্ত্ৰ প্ৰতিযোগীতাৰ
পৈশাচিক উন্মাদনা।

☆☆☆

# শেৱালী

শ্ৰীগৌতম কুমাৰ শৰ্মা
স্নাতক ১ম বৰ্ষ (কলা)

শেৱালী তুমিয়ে জানো নোহোৱা
শাৰদীয় ৰাণী
নিশা প্ৰতি প্ৰহৰত সুগন্ধৰে বসুন্ধৰাৰ্লৈ
মাতি আনা সৰগৰ অপেশ্বৰীক।
নিলমৰ আগত থাকি ওৰেটো ৰজনী
কি প্ৰেমৰ কথা পাতা তুমি,
কিয় বাৰু তুমি যামিনীতে ফুলা শেৱালী,
তোমাৰ সুগন্ধ কিয় নিদিয়া
অনুৰাগী দিবাকৰক।
ৰজনী বিদুৰৰ পাতল সমীৰণে প্ৰভাকৰক
যি দৰে আদৰি আনে
তুমিও জানো আমাক আদৰি
নানিবা শেৱালী,
শেৱালী তুমিয়ে জানো নোহোৱা
শাৰদীয় ৰাণী।

☆☆☆

# নিঃসংগতা

শ্ৰীপ্ৰশান্ত কুমাৰ তালুকদাৰ
স্নাতক ১ম বৰ্ষ

বহু ৰাতি হ'ল কবিতা তোমাক বিচাৰি—
বহু উজাগৰী ৰাতি কটালো তুমি আহিবা বুলি,
তুমিয়ে এদিন কৈছিলা মোৰ মাজত থাকিম বুলি
ক'লৈ গ'লা আতৰি মোক অকলশৰে এৰি,
আহিছিলা তুমি মোৰ বুকুৰ মাজলৈ
উচুপি উঠিছিলা তুমি মোৰ বুকুৰ মাজতে
আজি তোমাৰ কি হ'ল, কবিতা?
মোক যে নেমাতা হ'লা
তুমি দেখোন তোমাতেই বিলীন হৈ পৰি আছা
এটা শিলৰ মুৰ্ত্তিৰ দৰে একে থিৰে মোলৈ চাই
চিৰদিনৰ বাবে চকু মুদিলা নেকি তুমি
এখন শুভ্ৰ চাদৰৰ তলত?
বহু উজাগৰী ৰাতি কটালো তুমি আহিবা বুলি
পাহাৰ, পৰ্বত, নদ-নদী সকলোতে
মই বিচাৰি ফুৰিছিলো তোমাক,
তোমাকে মাথো দেখিছিলো সকলোতে
পৰ্বতৰ শৃংগত সাগৰৰ ঢৌবোৰত
নীল আকাশৰ ৰঙা বেলিটোৰ মুখত
সন্ধিয়াৰ আকাশৰ জোন, তৰাবোৰ নিঃসংগ
মই উদভ্ৰান্ত হৈ পৰিছিলো,
তোমাতেই বিলীন হৈ গৈছিলো মই
তোমাতেই বিলীন.....................
বহু ৰাতি হ'ল কবিতা তোমাক বিচাৰি ফুৰোতে
বহু উজাগৰী ৰাতি কটালো তুমি আহিবা বুলি.........।

☆☆☆

# হিয়া

মিচ প্ৰণীতা শৰ্মা
উঃ মাঃ ২য় বৰ্ষ

সূৰ্য্যাস্তৰ হেঙুলী ৰহণ
নামি আহে
লুইতৰ বুকুলৈ
দিগন্তৰ সিপাৰৰ পৰা
সহস্ৰ সপোনে যেন
হাত বাউলি মাতে........
আহিব সোণালী দিন
পুনৰ উঠিব ঝংকাৰ
মোৰ নিতাল তাণপুৰাত
সাৰ পাব তৰা এটি
হৃদয়ৰ অন্ধকাৰত।।

# সংঘাত

মঃ মিজানুৰ ৰহমান
স্নাতক ২য় বৰ্ষ

পুত্ৰহাৰা পিতৃৰ দৰে
মোৰ হৃদয় উপচি পৰিছে,
অলেখ বেদনাৰে..........।
যি বেদনাৰ অন্ত নাই
প্ৰকাশ কৰিবও নোৱাৰো,
কাৰণ মই সংঘাতত
ডুব যোৱা এক ৰুগ্ন মানৱ
তথাপি জীয়াই আঁছো,
এক ক্ষুদ্ৰ প্ৰত্যাশাৰে।
মৰুভূমিত বিচৰাৰ দৰে
মৰুদ্যান।। ☆☆

## সময়লৈ

শ্ৰীসবিতা কলিতা
*স্নাতক ২য় বৰ্ষ*

হয়তো কোনেও নেজানে
দিন ৰাতিবোৰ কেনেকৈ গুচি গ'ল
আৰু কেনেকৈ যাব
কোনেনো জানে
কোনে কিমান হাঁহিলে
কোনে কিমান কান্দিলে।
এনেকৈয়ে হয়তো অজানিত ভাবে
হাঁহি কান্দোনক বুটলি সাৰটি
সাজি আছো মিলিজুলি বালিৰ ঘৰ
কোনোবা অদৃশ্য পাহৰণী নৈৰ পাৰত।
হয়তো আকৌ গঢ়া হ'ব
নতুন নিশাৰ জোনাকত
এটি দুটি স্বতন্ত্ৰ সপোন
সীমাহীন আকাশৰ অসীম প্ৰান্তত।
তথাপিতো অনুৰোধ তোমালৈ
ন-সপোনৰ জিৰণিৰ ফাকে ফাকে
হয় যদি কৰবাত কেনেবাকৈ দেখা
এযাৰ মৰম সনা মাত দিবলৈ।

☆☆☆

## মৃত্যু এক প্ৰিয় বন্ধুৰ

শ্ৰীঅনুপম তালুকদাৰ
*স্নাতক ২য় বৰ্ষ*

*(নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ স্বৰ্গীয় সঞ্জয় মজুমদাৰৰ মৃত্যুত উৎসৰ্গিত)*

কত নিশা উজাগৰী পাৰ হৈ গ'ল
তোমালৈ বাট চাওঁতে চাওঁতে
তুমি আহিবা বুলি
কিন্তু,
নিয়তিয়ে অকালতে কাঢ়ি নিলে
তোমাৰ যৌৱন
হঠাৎ শুনিছিলো মৃত্যুৰ খবৰ
ধাৰাসাৰে বৈ গৈছিল দুচকুৰে
বেদনা সিক্ত পানীৰ টোপাল
দেখিছিলো বাটে পথে মানুহৰ জুম
জপনাখন খুলি সোমায়েই দেখিলো
বাৰণ্ডাত বগা কাপোৰেৰেই ঢাকি থোৱা
তোমাৰ মৃত দেহ
তুমি (আজি) গুছি গ'লা
কোনোবা অজান দেশলৈ
দি গ'লা মাথো হৃদয়ত
মৃত্যুৰ যন্ত্ৰনা।

☆☆☆





## মই প্ৰতিবাৰেই প্ৰেমত পৰো

শ্ৰীসতীশ ডেকা
*স্নাতক ১ম বৰ্ষ*

মোৰ এতিয়াও মনত পৰে
মোক দেখিলেই হাঁহিছিল সেই কালীজাকে
মই পিছতহে উমান পালো............
সিহঁত কেউজনীয়েই অন্ধ আছিল;
আৰু সোমাই আছিল মোৰ প্ৰথম প্ৰেমত
ঠিক তেনেদৰেই........................
বহু বছৰ পিছত মই আকৌ প্ৰেমত পৰিলোঁ
চোতালত বহি মই আকাশক অনুৰোধ কৰিছিলো
জোনাক ছটিয়াবলৈ...............।
কি যে নীৰৱ আহ্বান আছিল সেয়া,
আকাশক মই দাবী কৰিব পাৰিলোহেতেন।
কিন্তু..........কিন্তু মই যে ভিক্ষাৰী
ভিক্ষা খুজিছিলো, কিন্তু দিয়া নিদিয়া
সেয়া যে হৃদয়ৰ কাম।,
মই পুনৰ ভুল কৰিলো;
তেতিয়াহে জোনাক আছিল; এতিয়া নাই;
সিহঁত যে এন্ধাৰৰ বন্দী
মই এতিয়া আশাৰে চাই ৰওঁ এন্ধাৰ জাকলৈ
জানোচা মই আকৌ কাৰোবাৰ প্ৰেমত পৰো।।

☆☆☆

## সংগ্ৰাম

নিৰঞ্জন হাজৰিকা
*স্নাতক ১ম বৰ্ষ*

তাক মৰাৰ লগে লগে
তাৰ দেহৰ হাড়বোৰ
ভাগি গৈছিল, মাংসবোৰ থোপাথোপে
খহি পৰিছিল, সি থিয় হ'ব পৰা নাছিল।
সি জোৰেৰে চিঞৰিছিল।
কোনেও শুনা নাছিল তাৰ সেই চিঞৰ।
শুনা নাছিল গছ বিৰিখবোৰে আৰু শুনা নাছিল
আকাশেৰে ডেউকা কোবাই উৰি যোৱা বগলী জাকে।
সি ঘৃণা আৰু প্ৰতিশোধৰ ক্ষোভত ফোপাইছিল।
কিন্তু সেই দৃশ্য চাবলৈ কোনো নাছিল।
পশ্চিমৰ বেলিটোৰেও তাৰ সেই দৃশ্য দেখি
লাজতে ডুবিবলৈ ধৰিছিল।
লাহে লাহে আন্ধাৰ নামিছিল
এই পৃথিৱীলৈ য'ত মানুহৰ জীয়াই থকাৰ
সংগ্ৰামৰ বাহিৰে আন একোৱেই নাই।

☆☆☆

# ভয়

শ্ৰীপ্ৰণৱ শৰ্মা
*স্নাতক ৩য় বৰ্ষ*


মানৱে খোৱা বিশ্বাসৰ এনাজৰী ডাল
মই দেখিছো
আহত হৃদয়ৰ কাতৰ আৰ্ত্তনাদ
মোৰ চৌপাশে বাজি উঠা শুনিছো
সেৱন কৰিছো
মৰাশ পোৰা গোন্ধৰে বিযাক্ত বতাহ
আৰু এনেদৰেই............
সময়ৰ দুখবোৰ মই বুটলিছো
অথচ মোৰ দুহাতেৰে
গঢ়িব পৰা নাই
একোটা বাৰুদৰ শব্দ
তেজেৰে ফাকু খেলিবও যে মই নোৱাৰো
সীহৰ টুকুৰা হজম কৰিব পৰাকৈ
মোৰ বুকুও নহয় যে ডাঠ
সেয়ে...............
মই সততে বিতত হও
মোৰ হৃদয়ত পুঞ্জীভূত
ডিনামাইটবোৰৰ বিস্ফোৰণত
জীৱন খহি পৰাৰ ভয়ত।

☆☆☆




গ

ল্প



গু

চ্ছ



# নিষ্ঠুৰ নিয়তি

শ্ৰীমনিৰাম শালৈ
*দ্বাদশ শ্ৰেণী*

পুহ মাহৰ শীতৰ এটি সেমেকা ৰাতি। বাহিৰত ঘোৰ অন্ধকাৰ। গছৰ পাত-সৰা নিয়ৰৰ টোপালবোৰে ৰাতিৰ নিস্তব্ধতা কিছু ভঙ্গ কৰিছে। বিশাল আকাশখনত মৌন ভাবে তৰাবোৰ জিলমিলাই আছে। ঠেতুৰা লগা জাৰৰ তাণ্ডৱলীলাই পৃথিৱীখন জঠৰ কৰি তুলিছে।

থিমিক-থামাককৈ জ্বলি থকা চাকিৰ পোহৰত বাঁহৰ বিচনাখনত 'ভিক্ষু' বহি আছে। গাত থকা ফটা কাপোৰখনে জাৰৰ লগত যুজিবলৈ সক্ষম হোৱা নাই। আপোন ভাবত বিভোৰ। শূন্য পঁজাত অকলশৰে 'ভিক্ষু'ৱে বতাহত বাৰে বাৰে নুমাব খোজা চাকি গচিলৈ অকপট নেত্ৰে চাই আছে। সি মাথোন ভাবি গৈছে..........। কিমান সময় পাৰ হৈ গৈছে এবাৰো ভবা নাই। আজি তিনিদিন যে লঘোনে আছে সেই কথাও পাহৰি গৈছে। জীৱন মানে ঘাত-প্ৰতিঘাত, কান্দোন, বিষাদ আৰু নিৰাশাই নেকি? কাল সমুদ্ৰৰ গৰ্ভত বিলীন হোৱা দিনবোৰৰ স্মৃতিয়ে বাৰে বাৰে হৃদয়ত আঘাত হানিছে। মানুহৰ আশা-আকাঙ্খাত নিষ্ঠুৰ নিয়তিয়ে যে এনেকৈ শেল মাৰিব পাৰে সি ভবাই নাছিল। অজানিতভাবে ওলাই অহা দুধাৰি তপত চকুলোৱে "ভিক্ষু'ৰ সোতোৰা গাল দুখন তিয়াই পেলালে। সচাকৈয়ে মোৰ বাবে এই পৃথিৱীত এমুঠি অন্ন নাই.......? যন্ত্ৰনাকাতৰ হৃদয়ে বাৰে বাৰে চিঞৰি উঠে। বেৰৰ জেলোতাৰে অহা ফিৰ্ ফিৰিয়া এচাটি বতাহে থৰক বৰকৈ জ্বলি থকা চাকিগছি নুমাই দিলে। নিৰাশা আৰু হতাশাৰ ভাগৰত ভিক্ষু তন্দ্ৰাচন্ন হৈ বিচনাত লুটি খাই পৰিল। গভীৰ এন্ধাৰৰ মাজত চকুদুটা মুদাৰ লগে লগে ভিক্ষুৰ মনটো পাখি লগা পখীৰ দৰে উৰি গ'ল বহুদিনৰ আগলৈ। তাৰ বুঁকুখন চিৰিংকৈ কঁপি উঠিল। নিশাৰ এটা কণ্ঠস্বৰ..............'মই আহিছো পিতা'। কিন্তু সেয়া জানো সম্ভৱ......? আজি পাচটা বছৰেতো তাৰেই অপেক্ষাত আছে। কেতিয়াবা জানো তাৰ এই শূন্য হৃদয় আকৌ পূৰন হ'ব?

পাচটা বছৰ আগৰ সেই কাল নিশাটো আছিল আজিৰ দৰেই এটা নিশা। সেই ৰাতিটোও এনেকৈ একমাত্ৰ পুত্ৰ বিদ্যুতলৈ ৰখোতে ৰাতি পুৱাল। কিন্তু সি এবাৰ পিতা বুলি নামাতিলে।

পাঁচ বছৰ আগৰ কথা। জেঠ মহীয়া খৰাং বতৰ। সূৰ্য্যৰ প্ৰখৰ তাপে পৃথিৱীখন মৰুভুমিৰ দৰে উত্তপ্ত কৰিছে। দুপৰীয়া বাৰ বাজি গৈছে। গৃহী, পথিক সকলোৱে ছাঁত আশ্ৰয় লৈছে। হাতত ভিক্ষাৰ জোলোঙাখন লৈ দহ বছৰীয়া বিদ্যুতে পথে পথে ঢলং-পলংকৈ আহি আছে। তাৰ গাল দুখন ৰদে পুৰি ৰঙা কৰি তুলিছে। কিছুদিন আগতে হৈ যোৱা বানত সিহঁতৰ পৰিয়ালৰ বাকীবোৰ উটি গ'ল। দেউতাকৰ সৈতে সি কোনোমতে ৰক্ষা পৰিল। বানে চেলেকা অঞ্চলটোত সি আজি গোটেই দিনটো ঘুৰি পকি খুদ কন এটাও নাপালে। পেটত ভোকৰ আঙঠা জ্বলিছে। কণ্ঠত তৃষ্ণা। খাবলৈ এটুপি পানীও নাই। সি বলিয়া হৈ যাব খোজে? কিন্তু সি কিবা অলপ নিবই লাগিব। নহলে যে তাৰ বাবে বৈ থকা বৃদ্ধ দেউতাকক একো দিব নোৱাৰিব।

হঠাৎ তাৰ মনত পৰিল 'অ' আজিটো পৰিস্থিতিৰ বুজ ল'বলৈ স্থানীয় মন্ত্ৰী অহা কথা। নিশ্চয় তালৈ গলে সমবেত দুই এজনৰ পৰা অন্ততঃ কিবা অলপ পাম। এক গভীৰ আশা লৈ সি আগবাঢ়িল মথাউৰিৰ কাষতে থকা হাইস্কুলখনলৈ। সি আগবাঢ়ি গৈ আছে। কিন্তু ক'তা ক'তো এজনকো লগ পোৱা নাই। তাৰ মানে আজি মিটিং নহ'ল নেকি? সি নিজকে প্ৰশ্ন কৰিলে। সি গৈ গৈ স্কুলৰ চৌহদত প্ৰবেশ কৰিলে। নিস্তব্ধতা ভঙ্গ কৰি তাৰ শ্ৰুতি গোচৰ হ'ল স্কুলৰ পিচফালে কেইটামান কুকুৰৰ খেক খেকনি। সি লাহে লাহে আগুৱাই গ'ল। সি দেখিলে এটা অৱশিষ্ট খাদ্যৰ দ'ম। তাৰ বুজিবলৈ বাকী নাথাকিল। বোধ হয় মিটিং শেষ কৰি ভাত পানী খাই সকলো ঘৰা-ঘৰি গ'ল। কিছু সময় আগতে অহা হলে সিও

চাগে এমুঠি পালেহেঁতেন। কিন্তু কি কৰা যায় এতিয়া। চিন্তাত তাৰ গা-মূৰ গৰম হৈ উঠিল। সি পৰিত্যক্ত ভাতৰ দমটোলৈ আগবাঢ়ি তাৰ জোলোঙাখনত ভৰাব ধৰিলে। কিন্তু নিয়তিৰ কি পৰিহাস। কাষত থকা কুকুৰ কেইটাই বিকৎভাবে চিঞৰি তাৰ ওপৰত জপিয়াই পৰিল। নিমিষতে সকলো শেষ। তাৰ পিছত নিথৰ দেহটো মাথোন পৰি ৰ'ল।

এইফালে ভিক্ষুৱে এক সীমাহীন আশাৰে বাট চাই আছে পুত্ৰলৈ। লাহে লাহে সন্ধিয়া নামি আহিল। কিন্তু ক'তা.............................. তাৰ যে দেখা দেখি নাই। চিন্তাৰ জুমুৰনিয়ে ভিক্ষুৰ অন্তৰখন চাতি ধৰিলে। আকাশত ডাৱৰৰ কুণ্ডলীয়ে আবৰি ধৰিলে। নিশাচৰ প্ৰানীবোৰে চৌদিশে আৱাৰ কৰিছে। যিমানে নিশা গভীৰ হৈ আহিছে সিমানেই এক অজান শংকাই ভিক্ষুৰ অন্তৰখন সেমেকাই তুলিলে।

বেদনাক্লিষ্ট ভিক্ষুৰ শৰীৰটো অৱশ হৈ পৰিল। বাঁহৰ বিচনাখনত সি শুই পৰিল। ধিমিক-ধামাককৈ জ্বলি থকা চাকি গছিৰ অন্তিম তেল টুপিও নোহোৱা হৈ নুমাই থাকিল। কৃষ্ণা একাদশীৰ জোনটোৱে আকাশত ভুমুকি মাৰিলে। দূৰ পৰ্বতৰ পৰা বতাহত ভাহি আহিছে কেতেকীৰ হিয়া ভগা কণ্ঠস্বৰ। লগে-লগে মথাউৰিৰ কাষৰ চাপৰিত শিয়ালবোৰে সমবেতস্বৰে শেষ নিশাৰ জাননী দিলে। হঠাৎ বিজুলী ঢেৰেকনিৰ মাজেৰে পশ্চিম আকাশৰ পৰা অহা বৰষুন জাকে উত্তপ্ত বসুন্ধৰা পুনৰ চেঁচা কৰি তুলিলে। পুৰণা চালখনে বৰষুনৰ ভাৰ সহিব নোৱাৰি বৰষিয়ালে। ভিক্ষুৱে কোনোমতে বিচনাৰ ফটা কাপোৰবোৰ চুক এটিলৈ নিলে। বৰষুনৰ শীতলতাই ভিক্ষুৰ ৰুগ্ন দেহাটো কপাই তুলিলে। হঠাৎ ভিক্ষুই শুনিলে চোতালত মানুহৰ গোলমাল। কোনোবা দুজনমানে বাঁহৰ দুৱাৰখনত ঢকিয়াই ভিক্ষুক মাতিছে। আন্ধাৰত খেপিয়াই খেপিয়াই ভিক্ষুৱে দুৱাৰখন খুলি দিলে। ৰবিৰ কিৰনে ধৰিত্ৰী সম্পূৰ্ণ পোহৰাই নুতুলিলেও বাহিৰত পোহৰৰ ক্ষীন আভা দেখা গৈছে। ভিক্ষুৱে লাহে লাহে আগবাঢ়ি গৈ সুধিলে— "বোপাইহঁত তহঁতে এই পুৱতি নিশাখন এই দৰিদ্ৰৰ চোতাললৈ কিয় আহিলি? মোৰ 'বিদ্যুত'ৰ কিবা সন্ধান পাইছ নেকি? চোতালৰ আগত শুৱাই থোৱা কোনোবা এজনক দেখুৱাই গাওঁৰে ল'ৰা হৰমোহনে কলে— "সৌৱা..........., ককা, তোমাৰ বিদ্যুতক বগা কাপোৰেৰে ঢাকি আনিছো। বিদ্যুতে আৰু কোনে দিনে পোহৰ নিদিয়ে।"

ভিক্ষুৱে প্ৰশ্ন কৰিলে, কিন্তু .......... কিয়.........? কিয়.......?

গাওঁবুঢ়াৰ ল'ৰা 'ৰহমতে' কলে— ককা, বিদ্যুত আৰু ইহ সংসাৰত নাই। ক্ষুধাৰ জ্বালাত সি আহাৰ বিচাৰি স্কুলঘৰৰ চৌহদ পাইছিল। আৰু তাতেই কুকুৰে কামুৰি তাৰ সৰ্বনাশ কৰিলে। কি কৰিব সকলো ভগৱানৰে ইচ্ছা। কোনোবা এজন থকা হলে কিজানি তাক বচাব পাৰিলেহেতেন।

"নাই............নাই তহঁতে মিছা কৈছ? মই কাকো বিশ্বাস নকৰো। আজিৰ সমাজত মানুহ নাই। আমাৰ দৰে দুখীয়া মানুহবোৰ সমাজৰ আবৰ্জনা। বিদ্যুতৰ মৃত্যু হব নোৱাৰে। সি আহি মোক পিতা বুলি মাতিবই। সি মোলৈ অন্ন এমুঠি আনিবই...........। মই তালৈ ৰৈ থাকিম।

গাওঁবাসীয়ে আৰু পলম নকৰিলে। প্ৰভাতী সূৰুযৰ আলোকত বিদ্যুতক লৈ গ'ল সমাধিস্থানলৈ। ভিক্ষুৱে মাথোন চাই ৰ'ল বিদ্যুতৰ শেষ যাত্ৰাৰ ফালে............।

আজি পাচটা বছৰে ৰুগ্ন দেহেৰে শূন্য পঁজাটিত বাঁহৰ বিচনাখনত বহি ভিক্ষুৱে মাথোন অপেক্ষা কৰিছে একমাত্ৰ পুত্ৰৰ বাবে। বতাহৰ সোঁ-সোৱনি শুনিলেই ভিক্ষুই কান দুখন থিয় কৰি দিয়ে জানোবা বিদ্যুতে 'পিতা' বুলি মাতেই................? □□

*নিজৰ ভুল সংশোধন কৰা, ভুলটোক স্থায়ী কৰিবলৈ অভিনয় নকৰিবা*

*— মহাত্মা গান্ধী*



# অস্তৰবি

শ্ৰীকংকন শৰ্মা
আলোচনী সম্পাদক
*স্নাতক হয় বাৰ্ষিক*

অৱশেষত সভ্যতাৰ মুখা-পিন্ধা কিছুমানৰ অমানুষিক ষড়যন্ত্ৰৰ বলি হৈ নয়নে হেৰুৱাবলগীয়া হ'ল তাৰ জীৱন, যেন অস্তাচলত মাৰ গ'ল এটা সূৰ্য্যোদয়ৰ স্বপ্ন।

যোৱাকালি নিশা বাৰমান বজাত মাক-ভায়েকৰ হেজাৰ কাকুতি-মিনতিকো আওঁকান কৰি কলা কাপোৰ পিন্ধা মুখাধাৰী বন্দুক বাৰুদেৰে সজ্জিত এটা অচিনাক্ত দুৰ্বৃত্তৰ দলে (গুপ্তঘাতক) তাক ঘৰৰ পৰা উঠাই নিয়াৰ পিছত বহু বিচাৰ খোচৰৰ অন্তত তাৰ মৃতদেহটো আজি দুপৰীয়া পুলিছে পৰিয়ালৰ লোকক চমজাই দিছে। নৈৰ বালিচৰত পৰি থকা নয়নৰ মৃতদেহটোত কুৰি শতিকাৰ সভ্যতাৰ নিৰ্লজ্জ-নিষ্ঠুৰতাৰ স্বাক্ষৰ সুস্পষ্টৰূপে পৰিস্ফুট হৈ উঠিছিল প্ৰতিটো আঘতৰ চিহ্নত। চোকা অস্ত্ৰৰ আঘাতত ক্ষত-বিক্ষত হৈ পৰিছিল তাৰ উনত্ৰিছ বছৰীয়া চফল দেহটোত মেল খাই থকা চকু দুটাত যেন ফুটি উঠিছিল মানুহৰ প্ৰতি ঘৃণাৰ ভাৱ।

নয়ন মোৰ শৈশৱৰ লগৰী, একেই গাওঁতে জন্ম গ্ৰহণ কৰি একেলগে ডাঙৰ হোৱা, মোৰ প্ৰতিটো নিশ্বাসৰ খবৰ ৰখা অভিন্ন বন্ধু। তাৰ জীৱনলৈ অহা প্ৰতিটো বা মাৰলীয়ে মোকো বহুবাৰ জোকাৰি গৈছে। আজি তাৰ শৱ সৎকাৰ কৰা হ'ল সহস্ৰজনৰ উপস্থিতিত ৰাজহুৱাভাৱে। আজি তাৰ মৃত্যুৰ পাছত প্ৰত্যেকেই তাৰ গুণ-গৰিমাৰ প্ৰশংসাত পঞ্চমুখ অথচ সি জীয়াই থাকোতে সিহঁতে কাৰোপৰাই কোনো দিনেই অলপ সহায় বা উৎসাহ পোৱা নাছিল। তাৰ এই মৃত্যুৰ বাবে মোৰ বোধেৰে সমাজৰ এই সকল লোকো পৰোক্ষভাৱে কম বেছি পৰিমানে দায়ী। সেয়ে এইসকল লোকৰ সৈতে একেলগে ঘৰিয়ালৰ চকুপানী টুকিবলৈ বিবেকে মোক বাধা দিছে। তাৰ মৃতদেহটো দেখাৰ পিছৰে পৰা মই মোৰ কোঠাত দুৱাৰ মাৰি নিজকে আৱদ্ধ কৰি ৰাখিছো নীৰবতাত। কাৰণ নীৰবতা মোৰ জীৱনৰ সংগী যাৰ বুকুত বিচৰণ কৰি মই নিজকে এবাৰ নতুনকৈ আবিস্কাৰ কৰিব পাৰো।

আমাৰ ঘৰৰ সকলো মানে দেউতা আৰু ভাই দুটাই এতিয়া চাগে নয়নৰ শৱ সৎকাৰ অনুষ্ঠানত ব্যস্ত। মাও চাগে নয়নৰ মাকক সান্ত্বনা দিয়াতেই ব্যস্ত। লাহে লাহে মই অনুভৱ কৰিলো খিৰিকিয়েদি সোমাই আহিছে এন্ধাৰ, যেন এটা দৈত্যই মুখ মেলি খেদি আহিছে গ্ৰাস কৰিবলৈ, পোহৰ! ভাবিলো লাইটটো জ্বলাও নেকি? নাই নজ্বলাও, এন্ধাৰতেই প্ৰাণ পাই উঠে মানুহৰ দুখবোধ। দুখৰ ৰং হেনো অন্ধকাৰৰ দৰেই, ঘৰত দেউতাৰ মাত শুনিলো।

দেখিলিনে? মই তহঁতক কিয় বেছিকৈ ফুৰা চকা কৰিবলৈ মানা কৰো। দিনকাল বৰ বেয়া হ'ল। খুব সাৱধানে চলাটো প্ৰয়োজন। দেউতাই ভাই দুজনক উপদেশ দিছে।

মানুহৰ স্বাৰ্থপৰতাৰ এনে নিদৰ্শন দেখিলে সচাকৈয়ে ধিক্কাৰ ওপজে, মোৰ মনটো বিতৃষ্ণাৰে ভৰি পৰিল। ষ্টেৰিঅ'টোৰ ওচৰলৈ গ'লো এটা গানেই বজাও নেকি? কাৰণ মই জানো দেউতাই মোক শুনাকৈ এতিয়া বহুত কিবা কিৰি বলকিব। কথাবোৰ কানত নপৰাৰ বাবেই এই সাৱধানী ব্যৱস্থা। নাই, নবজালো! মন নগল! মোৰ হৃদয়ে যেন কৈ উঠিল দুখৰ সময়ত গান শুনাটো সমীচীন নহয়। বিচনাখনত পৰি এনেয়ে চকু দুটা মুদি দিলো।

"ডাঙৰ বাবা, অ' ডাঙৰ বাবা" দৰ্জাত ঢকিওৱা শব্দ আৰু মাৰ মাতত সাৰ পালো। মাই মাতিছে "ভাত বাঢ়িছো আহ"। অনিচ্ছা

স্বত্বেও ক'লো, "গৈছো ৰহ।"

মই ভাত খাবই লাগিব। নহ'লে মোৰ লগতে বেচেৰী মাৰো খোৱা নহ'ব। কাৰণ মই জানো মই নোখোৱা পৰ্য্যন্ত মাও লঘোনে থাকিব।

লাইটটো জ্বলাই দি উঠি বহিলো। চকু দুটা মোহাৰি মোহাৰি দৰ্জাখন খুলি ওলাই গ'লো দমকলৰ ওচৰলৈ। নিজৰ ওপৰত বৰ অনুশোচনা হ'ল মোৰ টোপনি অহা বুলি জানি। আজি দেখো মই উজাগৰে কটাব লাগিছিল ৰাতি? মনত পৰিল 'নিশাই' মোক প্ৰত্যাখান কৰাৰ দিনা নয়নে এৰাতি মোৰ সতে উজাগৰে কটাইছিল, মোক সান্তনা দিছিল। চকু মুখ ধুলো ভোকটোও দেখো নোহোৱা হ'ল। তথাপি পাকঘৰলৈ গ'লো। দেখিলো ভাত বাঢ়ি মা ৰৈ আছে।

"দেউতা শুলে নেকি"— মাক সুধিলো। এটা অবান্তৰ প্ৰশ্ন। মাই উত্তৰ নিদি ওলোটাকৈ সুধিলে—"তই আজি ভাল কৰিলি জানো বোপাই? মই কোনো উত্তৰ নিদিলো। চকু দুটা পানীৰে উপচি পৰিল। কেৰাহিকৈ চাই দেখিলো চাদৰৰ আচলৰে তেওঁৰো চকুপানী মচিছে। মালৈ মোৰ সাংঘাতিক মৰম লাগি গ'ল।

এনে মৰমৰ দাবীতেইটো জীয়াই আছে মানুহ। কোমলকৈ ক'লো মা, বৰ ভোক লাগিছে, ভাত দে। দুগৰাহ মান খায়েই উঠিলো। এনেয়ে কলো আঞ্জাখন ভাল লগা নাই। দেখিলো মাৰ চকুত শাওনৰ ঢল।

সাউৎকৈ পাকঘৰৰ পৰা ওলাই মোৰ কোঠাত সোমালো। হুক হুকাই ওলাই অহা কান্দনটো কোনোমতে চেপি ৰাখিব নোৱাৰিলো। বান ভঙা পানীৰ দৰেই ওলাই আহিল এবোজা দুখ।

মৰমৰ বান্ধ ভাঙি দুখৰ নদীয়েদি নামি আহে চকুপানীৰ ঢল এনেদৰেই। এইবাৰহে যেন ভালদৰে উপলব্ধি কৰিলো নয়ন সচাকৈয়ে মোৰ পৰা চিৰদিনৰ বাবে আতৰি যোৱাৰ বেদনা। মোৰ তালৈ অভিমান হ'ল।

মোৰ নিজৰ ওপৰত বহুত বিশ্বাস আছে। আজি মোৰ একো নাই সচাঁ। কিন্তু এনে এটা দিন আহিব আমাৰ সকলো অভাৱ দুৰ হ'ব। আজি যিসকলে মোক অৱহেলা কৰিছে সিদিনা সিহঁতে মোক বিচাৰি হাবাথুৰি খাব।

এয়া এসময়ত নয়নে মোক কোৱা কথা। নিজৰ ওপৰত অগাধ বিশ্বাস আছিল তাৰ। কিন্তু নিয়তিৰ কোপ দৃষ্টিত পৰি সি এদিন হেৰুৱাই পেলাইছিল সময়ৰ সৈতে যুজিব খোজা অদম্য সাহস। নিৰাশা হলেও হতাশা নোহোৱা নয়ন এদিন নিৰাশাত ভাগি পৰিছিল।

অভাৱে জুৰুলা কৰা এটা পৰিয়ালৰ ডাঙৰ ল'ৰা নয়ন। দেউতাকৰ সৰু তামোল পানৰ দোকানখনেই সিহঁতৰ জীৱিকাৰ একমাত্ৰ উপায়। পৰিয়ালো বহুত। দুজন ভায়েক, এজনী ভনীয়েক, মাক দেউতাক আৰু নয়ন। সৰুৰে পৰাই অভাৱৰ লগত যুজি যুজি ডাঙৰ হোৱা নয়নক শিক্ষাই আনি দিছিল অদম্য যুজাৰ মানসিকতা।

পঢ়াপাতিত নয়ন খুউব চোকা আছিল। সীমিত সুবিধাৰ মাজতো সি প্ৰবেশিকাত ঈৰ্ষণীয় ফলাফল কৰিছিল। প্ৰবেশিকা পাছ কৰাৰ পিছৰে পৰাই জীৱন যুজত সি জপিয়াই পৰিছিল। ৰাতিপুৱা আৰু আবেলিৰ সময়খিনি টিউচন কৰিছিল আৰু নিশা নিজে পঢ়িছিল। টিউচনৰ পইচাৰে নিজৰ পঢ়া খৰচ উলিওৱাৰ লগতে ঘৰতো সহায় কৰিছিল। তাৰে মাজতে কিছু অংশ ৰাহি কৰি বেংকত জমা কৰিছিল।

গভীৰ আত্ম প্ৰত্যয়েৰে এদিন নয়নে মোক তাৰ ভৱিষ্যতৰ পৰিকল্পনা ব্যক্ত কৰিছিল।

বৰ্ত্তমান সময়ত চাকৰি-বাকৰি মিছা কথা। মই বেছি নপঢ়োও। বি.এ পাছ কৰাৰ পিছত বিজনেচ কৰিম। তই মোৰ পাৰ্টনাৰ হ'ব লাগিব।

বিজনেচ কৰিবলৈও এতিয়া অলপ টকাৰে নহয়। ইমান টকা ক'ৰ পৰা পাম। মই তাক সুধিছিলো।

তাৰ ব্যৱস্থাও ইতিমধ্যে মই কৰিছো। মই এতিয়াৰ পৰাই উপাৰ্জনৰ কিছু অংশ সাচিছো। এনেদৰে মোৰ বি.এ পাচ কৰালৈ পাচ বছৰ লাগিব আৰু তেতিয়ালৈ মোৰ প্ৰয়োজনীয় টকা জোগাৰ হৈ যাব। তয়ো জানো জোগাৰ কৰিব নোৱাৰিবি। ঘৰৰ পৰা খৰচৰ নামত অনা টকাখিনিৰ বেছি ভাগ দেখো তয়ো জমা কৰিব পাৰা। কেৱল তোৰ খৰচৰ মাত্ৰা অলপ কমাব লাগিব। উৎসাহেৰে সি এনেদৰে কৈছিল।

তাৰ পিছৰ পৰাই আমি লাগি গৈছিলো ভবিষ্যতৰ বিজনেচ প্লেনিঙৰ কামত।

ক্ৰমে ক্ৰমে নয়ন আৰু মই হায়াৰ চেকেণ্ডাৰী পাচ কৰি বি.এত নাম ভৰ্তি কৰিলো। তাৰ টিউচনৰ সংখ্যাও বাঢ়ি আহিল। জীৱনটো






যেন ক্ৰমে এক ভবাৰ দৰেই চিজিল লাগিব এনে লাগিছিল আমাৰ মনত। আমি নিৰ্ভয়ে আগুৱাই গৈছিলো ক্ৰমাৎ আগলৈ। কিন্তু নিয়তিৰ যেন সেয়া সহ্য নহ'ল। ধুমুহাৰ দৰেই নয়নৰ জীৱনলৈ আহিল প্ৰথম সংঘাত।

'প্ৰেৰণা' নয়নৰ একমাত্ৰ ভনীয়েক। তাই নয়নৰ বৰ মৰমৰ। ফুলৰ দৰেই ধুনীয়া তাই, জোনাকৰ দৰেই স্নিগ্ধ তাইৰ বৰণ। বৰ মৰম আকলুৱা তাই। পঢ়া শুনাত খুবেই চোকা। তাইক লৈ নয়নৰ বহু আশা। প্ৰেৰণাক সি ডাঙৰ মানুহ কৰিব। ষ্টাৰ মাৰ্ক পাই প্ৰবেশিকা পাচ কৰাত নয়নে তাইক পেহীয়েকৰ ওচৰতে থকা এখন ভাল কলেজত নাম লগাই দিলে। পেহিয়েকহঁতৰ ঘৰতেই থকাৰ বন্দবস্ত হ'ল। প্ৰথম কেইদিনমান ভালেৰেই গ'ল। নয়ন আৰু মই মাজে মাজে গৈ প্ৰেৰণাৰ খবৰ লৈ আহো। সজল চকুৰে তাই আমাক বিদায় দিয়ে। নয়নৰো চকুজুৰি ভৰে ভনীয়েকৰ চকুপানী দেখি। কিন্তু ভায়েক ভনীয়েকৰ মিলনৰ এই দৃশ্য যেন ভগবানৰ সহ্য নহ'ল। অচিন বেমাৰত পৰি প্ৰেৰণা হেৰাই গ'ল চিৰদিনলৈ, এৰি থৈ মাথো হৃদয়ত দুখৰ স্মৃতি। বহু চিকিৎসা কৰিও তাইক বচাব পৰা নগ'ল।

নয়ন শোকত ভাগি পৰিল। মই তাক বুজাইছিলো এদিন সিয়েই মোক কোৱা কথাৰে।

ভাগ্যক কি অৰ্থত বিশ্বাস কৰিব লাগে জান? তোৰ যিটো পাবলৈ হাবিয়াস সেয়া পাবলৈ আপ্ৰাণ চেষ্টা কৰ। নিজৰ কাৰ্য্যৰে ভাগ্যক পদানত কৰি ভৱিষ্যতৰ বাট মুকলি কৰ। আৰু বহু চেষ্টা কৰাৰ পিছতো যদি তই লক্ষ্যস্থল ঢুকি নাপাৱ বা সেয়া পোৱাৰ বিনিময়ত বহুখিনি হেৰুৱাবলগীয়া হয় তাৰ বাবেও দুখ কৰি লাভ নাই। তেতিয়া সেয়া তোৰ ভাগ্যত নাছিল বুলিয়েই সান্তনা লভিবি।

সিদিনা মৌনতাৰেই যেন সি কিবা বুজিছিল। মোক মুখ পাতি ধৰা নাছিল "এইবোৰ চোন ময়েই তোক কোৱা কথা" বুলি।

জীৱনলৈ জটিলতা আহে। যদি জটিলতাই নাহে সেয়াও কি এক জীৱন? যি বিষয়ত আমাৰ হাত নাই তাৰ ফলাফল চিন্তা কৰি জানো কিবা লাভ আছে? হোৱাটো হৈ গ'ল। তাকে লৈ দুখ কৰি নাথাকিবা। এজনী প্ৰেৰনা হেৰাল সচা। কিন্তু মই জানো নাই তোমাৰ কাযত? মই কি তোমাৰ জীৱনৰ প্ৰেৰণা হ'ব নোৱাৰিম?

অসীমাৰ কথাত নয়নে দুখেৰে কৈছিল, আচলতে আমি কোনোৱেই কাৰো চিনাকি নহয়। তথাপি কিয় জানো চিনাকি বুলি ভুল কৰিয়েই ভাল লাগে। মোৰ এনে লাগিল যেন কথাযাৰ মই কৰবাত পঢ়িছিলো।

অসীমা মোৰ মাহীৰ ছোৱালী, মোৰ সমবয়সীয়া। পঢ়াত অৱশ্যে মোতকৈ এবছৰ তল। মোৰ নিজৰ ভনী নাই যদিও অসীমা থকা বাবে এই ভাব মনলৈ নাহে। মোৰ মুখত নয়নৰ কথা শুনি শুনি তাক এবাৰো নেদেখাকৈয়ে অসীমা নয়নৰ প্ৰেমত পৰিছিল। নয়নে কিন্তু এইবোৰৰ প্ৰতি সম্পূৰ্ণ উদাসীন আছিল।

কিছুমান কল্পনা আছে। যিবোৰ কেৱল কল্পনা কৰিয়েই ভাল লাগে। ময়ো প্ৰেয়সী ৰূপত কাৰোবাক কল্পনা কৰো। কিন্তু তেওঁনো কোন বা কত থাকে মই নাজানো। মই তেওঁক নিবিচাৰোও। কাৰণ তেওঁক বিচাৰি ফুৰাৰ মোৰ সময়ৰ অভাৱ। তথাপি কেতিয়াবা তেওঁ নিজেই আহি মোৰ ওচৰত ধৰা দিয়ে, তেতিয়া কথাটো বেলেগ।

বুৰ্বক কৰবাৰ। নয়নৰ এনে কথা শুনিলে খং উঠে। প্ৰেমত উদাসীন হৈয়ো নয়নে কেনেকৈ যে ধুনীয়া প্ৰেমৰ কবিতা লিখে ভাবি আচৰিত লাগে। অসীমাই এদিন মোক কৈছিল নয়নৰ সতে চিনাকি কৰি দিবলৈ।

একো লাভ নহ'ব। তাতকৈ মোৰ লগত চিৰিয়াখানালৈ ওলাবি। ভালুক দেখুৱাই আনিম।

মোৰ কথাত খঙত উচাৎ মাৰি অসীমা গুচি গৈছিল মোৰ ওচৰৰ পৰা।

অসীমাৰ অনুৰোধ এৰাব নোৱাৰি এদিন নয়নৰ সতে সিহঁতৰ ঘৰলৈ গৈছিলো। নয়নক দেখাৰে পৰা অসীমাৰ কল্পনাবোৰ প্ৰাণ পাই উঠিছিল, তাই বাউলী হৈ পৰিছিল তাৰ বাবে। আৰু সেইদিনা উভতি অহাৰ পথত নয়নৰ কথা শুনি মই আশ্বৰ্য্যত অভিভুত হৈ পৰিছিলো।

সি কৈছিল "অসীমাৰ সৈতে মই বহু কিবা কিবি যেন মিল বিচাৰি পাইছো বন্ধু" মোৰ কল্পনাৰ সতে। পিছে বাদ দিব লাগিব। সিহঁতৰ সতে তোৰ এটা সম্বন্ধ আছে। তই আৰু মোক সিহঁতৰ ঘৰলৈ যাবলৈ লগ নধৰিবি।

তাৰ এইষাৰ কথাৰ বাবেই মই অপেক্ষা কৰি আছিলো ইমান দিন। কেৱল তাক কোৱাৰ সাহস গোটাব পৰা নাছিলো। অসীমা

নয়নৰ হলে মই সবাতকৈ সুখী হ'ম। এনেদৰেই মোৰ জৰিয়তেই সুত্ৰপাত হৈছিল নয়ন-অসীমাৰ প্ৰেমৰ।

সকলো কামতেই পৰিকল্পনা কৰি আগ বঢ়া নয়নে প্ৰেমৰ ক্ষেত্ৰতো ভৱিষ্যত পৰিকল্পনা কৰিয়েই আগ বাঢ়িছিল অসীমাক সি পাচ বছৰ অপেক্ষা কৰিবলৈ কৈছিল।

লাহে লাহে নয়নে বি.এ পাৰ্ট ওৱান পৰীক্ষা দিলে ৰিজাল্ট ভালেই হ'ল। এনেতে নয়নৰ দেউতাক বিচনাত পৰিল। প্ৰথমে এনেয়েই কিবা সৰু অসুখ বুলি ভাবি চিকিৎসা কৰিও কোনো সুফল নোপোৱাত নয়ন চিন্তিত হৈ পৰিল। ডাক্তৰে ভেলোৰলৈ নিয়াৰ পৰামৰ্শ দিলে। ডাক্তৰৰ কথা শুনি নয়নৰ মূৰত স্বৰগ ভাগি পৰিল। চিকিৎসাৰ বাবদ ইমান টকা সি ক'ত পাব। অগত্যা আন উপায় নাপাই তাৰ ভৱিষ্যত সপোনৰ আধাৰ পাচ বছৰৰ বহু কষ্টে উপাৰ্জিত ধনখিনি শেষ সম্বল ৰূপে লৈ দেউতাকক ভেলৰলৈ নিলে। কিন্তু নয়নৰ ক্ষেত্ৰত নিয়তিয়ে যেন এইবাৰো নিষ্ঠুৰ হৈ পৰিল। দেউতাক নাবাচিল।

দেউতাকৰ লগতে তাৰ সাচতীয়া সপোনবোৰ এনেদৰে শেষ হৈ যোৱাত নয়ন স্বাভাৱিক হৈ থাকিব পৰা নাছিল। ক্ৰমে ক্ৰমে সি উদাসীন হৈ পৰিছিল। মানুহৰ পৰা আতৰি ফুৰা হৈছিল। পঢ়া পাতি টিউচন সকলো বাদ দিছিল। মই, অসীমা কোনেও তাক বুজাব পৰা নাছিলো।

নয়ন গুপ্ত ঘাটকৰ বলি হোৱাৰ কাৰণ সি এটা সন্ত্ৰাসবাদী সংগঠনৰ সক্ৰিয় সদস্য হৈছিল। অথচ এটা সময়ত নয়ন সেই সশস্ত্ৰ বিপ্লৱৰ ঘোৰ বিৰোধী আছিল। সি আছিল সকলো অন্যায় অবিচাৰ নীৰৱে সহ্য কৰি এনে এটা দিনলৈ বাট চাই থকা বিধৰ যিদিনা সকলোৱে নিজৰ দোষ বুজি অনুতাপত দগ্ধ হ'ব। তাৰ বিশ্বাস এজন মানুহ যিমানেই বেয়া নহওঁক তাৰ অন্তৰৰ কৰবাত অলপ হলেওঁ কোমল ঠাই থাকে, য'ত সঞ্চিত হৈ থাকে মানবীয় অনুভূতি। শান্তিপূৰ্ণ ভাৱে প্ৰতিবাদ জনালেই সিহঁতে এদিন নিজৰ ভুল বুজি উঠিব।

এই সংগঠনটোৰ আদৰ্শবোৰ নীতিগত নহয়। বন্দুক-বাৰুদেৰে সমস্যা সমাধান নহয়। বৰং বিদেশী ৰাষ্ট্ৰক ধনী কৰি প্ৰশ্ৰয় দিয়াহে হয়। সিহঁতে সংগঠনৰ ধনবোৰ যদি দুখীয়া নিচলাৰ সাহাৰ্য্যত, গৰীব, ছাত্ৰ-ছাত্ৰীৰ শিক্ষা দানত, অৰ্থৰ অভাৱত অনাহকতে মৃত্যুক আকোৱালী লব লগা জনৰ হিতত খৰচ কৰিলেহেঁতেন তেনেহলে দেশ প্ৰগতিৰ পথত আগবাঢ়িল হেতেন। সিহঁতে পথ ভ্ৰষ্ট হৈছে, ইয়াৰ বাবে নিশ্চয় এদিন অনুতপ্ত হ'ব।

সংগঠনটোৰ সপক্ষে এদিন মই যুক্তি দিয়াত নয়নৰ মুখত এনেদৰে বক্তৃতাৰ ফুলজাৰি আখৈ ফুটা দি ফুটিছিল।

নয়নৰ দেউতাক মৰাৰ পিছৰ পৰা সি যেন মোৰ পৰা পলাই ফুৰা হ'ল। অসীমাৰ লগতো কোনো যোগাযোগ নাই। মই বহুদিন বিচাৰিও তাক লগ ধৰিব নোৱাৰিলো। কেতিয়াবা দেখা পালেও কাম থকা বুলি আতৰি যায়। তাৰ কাণ্ড কাৰখানত অসীমা ম্ৰিয়মান হৈ পৰিল। নয়নৰ ওপৰত তাইৰ অভিমান উপজিল। এদিন তাই নয়নক লগ ধৰি স্পষ্টভাৱে সুধিলে নয়নক "তুমি মোৰ বিষয়ে কি ভাবিছা?"

"তোমাৰ বিষয়ে ভাবিব লগা কিটো আছে?" নয়নৰ এয়া আছিল উদাসীন উত্তৰ।

নয়নৰ কথা শুনি অসীমা সিদিনা ভাঙি পৰিছিল। কান্দি কান্দি তাই কৈছিল "তুমি মোৰ প্ৰথম আৰু একমাত্ৰ প্ৰেমৰ স্বাক্ষৰ। তোমাক মই কেতিয়াও নাপাহৰো।"

মই কিন্তু তোমাক কেতিয়াবাই পাহৰি পেলাইছো। নয়নে অসীমাক আঘাতৰ পিছত আঘাত দি গৈছিল কঠোৰ বাক্যবাণেৰে।

তাৰ কিছুদিন পিছতেই বিহ খাই অসীমাই আত্মহত্যা কৰিছিল। নয়নৰ প্ৰতি সিদিনা মোৰ মন ঘৃণাৰে উপচি পৰিছিল। মোৰ নিজৰ ওপৰত ধিক্কাৰ উপজিছিল তাক ইমান দিনে চিনিব নোৱাৰাৰ বাবে। মোৰ আগতো এবাৰ সন্দেহ হৈছিল বিশ্বাস জীয়াই থাকে জানো পৃথিৱীত?

অসীমাৰ মৃত্যুৰ কেইদিনমান পিছত মই নয়নৰ পৰা এখন চিঠি পাইছিলো। সি লিখিছিল—

মৰমৰ

বন্ধু

তোৰ ওচৰত বন্ধু বুলি পৰিচয় দি ক্ষমা খুজিবলৈও মোৰ আজি লাজ লাগিছে। তথাপি মোৰ বিশ্বাস আছে চিঠিখন তই নিশ্চয় পঢ়িবি।





অসীমাৰ মৃত্যুৰ বাবে মই নিজকে কেতিয়াও ক্ষমা কৰিব নোৱাৰো। আত্মহত্যা কৰিবলৈও মোৰ লাজ লাগে। সেয়ে পৰিকল্পিতভাৱেই মই এতিয়া খোজ দিছো মৃত্যুৰ পথত। মই এটা সংগঠনত ভৰ্তি হৈছো। তই হয়তো বিশ্বাস কৰিবলৈ টান পাবি, অসীমাক মই কেতিয়াও পাহৰা নাছিলো। কিন্তু আউল লগা এই জীৱনটোৰ সতে সাঙোৰ খুৱাই তাইকো দুখী কৰাৰ মোৰ মন নগল। তই জানই তাইক মই বান্ধি দিয়া পাচ বছৰ সময়সীমা কেতিয়াবাই উকলি গৈছিল। তাই কথা ৰাখিছিল কিন্তু মই নোৱাৰিলো। অসীমালৈ মোৰ সংকোচ হৈছিল, নিজকে অপৰাধী যেন লাগিছিল তাইৰ ওচৰত। ভাবিছিলো মই তাইক প্ৰতাৰণা কৰিলে তাইও নিশ্চয় আনক আকোৱালি লৈ সুখী হ'ব। সেয়ে সিদিনা তাইক অপমান কৰিছিলো। তাৰ বাহিৰে মোৰ আৰু আন কোনো উপায় নাছিল। মইতো জনা নাছিলো মই মোৰ ওপৰত এনেদৰে চৰম প্ৰতিশোধ লব বুলি। পাৰিলে ক্ষমা কৰি দিবি মোক।

ইতি

তোৰ বন্ধু নয়ন

তাৰ পিছত নয়ন ঘৰলৈ আহিছিল যদিও মোৰ সতে সাক্ষাত হোৱা নাছিল। শুনিছিলো কেতিয়াবা মাজ নিশাহে ঘৰলৈ আহে।

কথাবোৰ এটাৰ পিছত এটাকৈ মোৰ মনৰ পৰ্দাত ভাহি উঠিছে। বাহিৰত ফেঁচা এটাই কুৰুলিয়াই উঠিল। মই উচপ খাই উঠিলো মাজ নিশাই হ'ল চাগে। হাত দুখন দুচকুলৈ গ'ল। চকু দুটা আকৌ সেমেকি উঠিছে। □□

---

*সৰু বুলি কাকো অৱহেলা নকৰিবা। তুমি সৰু বুলি ভবা বস্তু এটাই কেতিয়াবা বিৰাট সত্যৰ সন্ধান দিব। — গ্যেটে*

---

*সাক্ষৰতা অতিশয় আৱশ্যকীয়। কিন্তু কেৱল সাক্ষৰতহে শিক্ষা নহয়। যদি শিক্ষাৰ মাজেদি মানুহে জ্ঞান লাভ নকৰে তেন্তে সেই শিক্ষাৰ কোনো মূল্য নাই। সেই শিক্ষা মানুহৰ বাবে অভিশাপহে হ'বলৈ।*

*ৰাধাকৃষ্ণন*

---

*"প্ৰেম আৰু মনৰ শান্তি নোহোৱাকৈ, বলী অথবা ক্ষমতাবান হ'ব পাৰে কিন্তু সুখী নোৱাৰে। প্ৰেম দয়া শান্তি বিহীন স্বৰ্গও স্বৰ্গ নহয়।*

*এভাৰ বেৰী*

# প্ৰতিশ্ৰুতি

জয়দেৱ দাস
স্নাতক ৩য় বৰ্ষ

পশ্চিমৰ দিগন্তত তেজ-ৰঙা বেলিটি ডুব যোৱাৰ বেছি সময় হোৱা নাই। ক্ষীন পোহৰত আকাশত বগলী জাকে দিনটোৰ ভাগৰুৱা জীৱন লৈ নিজ বাঁহলৈ বুলি ধাপলি মেলিছে। পথাৰৰ দাঁতিত থকা আঁহত জুপিৰ খোৰঙৰ পৰা ফেঁচাটো ওলাই আহি বিশেষ চিনাকি চিঞৰটো মাৰি সন্ধিয়াৰ আগ জাননী দিলে। কৰবাৰ পৰা অহা এছাটি বতাহে আঁহত জুপিৰ পাতত ঠেকা খাই সোঁ-সোৱাই উঠিল আৰু লাগিল আহতৰ গুৰিত বহি অস্তগামী দিগন্তলৈ একেথৰে দৃষ্টি নিক্ষেপ কৰা পৰাশৰ গাত। সন্ধিয়াৰ প্ৰাক-গমনৰ সেই বতাহ জাকে পৰাশৰ গাত জগাই তুলিলে এক অনাবিল শিহৰণ। লগে লগে কল্পনা-কুঁৱৰীৰ কোলাত তন্দ্ৰাচ্ছন্ন হৈ সি ৰোমন্থন কৰিলে অতীতৰ মধুৰ দিনবোৰৰ কথা। বতাহাৰ সোঁ-সোৱনিৰ মাজতে পৰাশৰ কানত শ্ৰুতিগোচৰ হ'ল এটি মিঠা মাত, চকুত ভাহি উঠিল পূৰ্ণিমাৰ জোনটোৰ দৰে এখন চিনাকি মুখৰ প্ৰতিচ্ছবি। পিছ মুহুৰ্ত্ততে সি অনুভৱ কৰিলে দুচকুৰ পৰা ওলোৱা চকুপানীয়ে তাৰ বুকুখন তিয়াই পেলাইছে।

গাওঁখনৰ ভিতৰতেই পৰাশহঁত দুখীয়া। দেউতাক কৃষি কৰ্মী হলেও পঢ়াৰ মোল বুজে। নিজৰ জীৱনত একো কৰিব নোৱাৰিলেও একমাত্ৰ ল'ৰা পৰাশক পঢ়াই শুনাই মানুহ কৰি পদুলি পোহৰ কৰাৰ আশা। অতি কষ্টৰ মাজেৰে স্কুলীয়া শিক্ষাৰ দেওনা পাৰ হৈ উচ্চ শিক্ষা আহৰণৰ বাবে পৰাশ ভৰ্ত্তি হৈছিল ঘৰৰ পৰা চাৰি মাইল আৰত থকা চহৰৰ মহাবিদ্যালয়ত। কলেজীয়া জীৱনৰ প্ৰথম দিনাখনেই পৰাশে লগ পাইছিল ৰুমী বৰুৱাক। ধনী ঘৰৰ ছোৱালী হলেও ৰুমীৰ আছিল এখনি অকৃত্ৰিম হিয়া। সেইখিনিতেই পৰাশৰ সৈতে আছিল তাইৰ মিলৰ কাৰণ। ৰুমিয়ে পৰাশক যথেষ্ট সহায় কৰিছিল। কিতাপ কাগজ কিনিবলৈ আনকি মহাবিদ্যালয়ৰ মাচুল দিবলৈও তাই পৰাশক আৰ্থিক ভাবে সহায় কৰিছিল। পৰিবৰ্ত্তনশীল সময়ৰ চাকনৈয়াত পৰি সহপাঠী বন্ধুত্বতাৰ সীমা চেৰাই গৈ সিহঁত উভয়ে প্ৰতিশ্ৰুতিৰে ওচৰ চাপি গৈছিল। উভয়ে উভয়ক চিৰদিনৰ বাবে ওচৰত পাব বিচাৰিছিল।

মহাবিদ্যালয়ৰ সন্মুখৰ ৰাস্তাটোৰে এক কিলোমিটাৰ গলেই ৪ নং ওৱাৰ্ডত ৰুমী হঁতৰ ঘৰ। ৰুমীৰ দেউতাক এজন চৰকাৰী চাকৰিয়াল। বাহিৰা টকা পইচা ভালেই পায়। এদিন সহকৰ্মী এজনৰ মুখৰ পৰা ৰুমী আৰু পৰাশৰ বিষয়ে সকলো কথা গম পালে। সহকৰ্মীজনৰ মুখত গাওঁৰ ল'ৰা এজনৰ লগত জীয়েকৰ হলি গলিৰ কথা গম পাই তেওঁ বৰ লাজ পালে আৰু খঙতে অগ্নি শৰ্মা হৈ সেইদিনাই ঘৰলৈ আহি ৰুমীৰ মাকক সকলো কথা বিৱৰি কৈ এমাহৰ ভিতৰত জীয়েকক অইন দৰা চাই বিয়া দিয়াৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিলে। কথা মতেই কাম আৰম্ভ হ'ল।

সচা-সচিকৈয়ে এসপ্তাহৰ ভিতৰত ৰুমীৰ দেউতাকে তেওঁৰ বিভাগৰে গুৱাহাটী শাখাৰ জুনিয়ৰ ইঞ্জিনিয়াৰ এজনৰ লগত ৰুমীৰ বিয়াৰ বন্দোবস্ত কৰিলে। কথাটোত ৰুমীৰ মাকে প্ৰথমতে বাধা দিছিল। মাতৃসকলে সদায় ছোৱালীৰ মনৰ কথা বুজে। ৰুমীৰ মাকে দেউতাকক কলে "ছোৱালীৰ পছন্দ মতে বিয়া দিলেহে সিহঁত ভবিষ্যতে সুখী হ'ব।" কিন্তু অহঙ্কাৰী, দাম্ভিক মনৰ দেউতাকে মাকৰ কথালৈ কোনো ভ্ৰুক্ষেপ নকৰিলে।

দেউতাকে ৰুমীক ঘৰৰ পৰা ওলোৱা বন্ধ কৰি দিলে। আনকি কলেজৰ পঢ়া শুনাও সামৰিব লগা হ'ল। বিয়াৰ দিন লাহে লাহে ওচৰ চাপি আহিল। ৰুমী বৰ বিপাঙত পৰিল। ভাবিলেই তাইৰ বুকুখন গৰম হৈ উঠে, মূৰ আচন্দ্ৰাই কৰে। 'পৰাশ'ক বাদ দি তাই অন্য কথা কল্পনাই কৰিব নোৱাৰে।



সেইফালে মহাবিদ্যালয়ৰ চকিদাৰ জনৰ পৰা পৰাশে সকলো কথা গম পালে। কিন্তু সি কি কৰিব? ৰুমীহঁতৰ ঘৰলৈ গৈ তাইক লগ কৰা কথাটো পৰাশৰ বাবে আকাশ কুসুম। জুইত আধাপোৱা চগাৰ দৰে সি চট-ফটাবলৈ ধৰিলে। সি দৃঢ়মনা হৈ সঙ্কল্প কৰিলে যে বিয়াৰ দিনা গোলমালৰ মাজতে ছদ্মবেশে ৰুমিক দেখা কৰিব আৰু তাৰ পাছত দুয়ো আলোচনা কৰি কোনেও গম নোপোৱাকৈ এনে এখন ঠাইলৈ গুচি যাব য'ত এই এলান্ধু কলীয়া সমাজৰ কোনোজনে সিহঁতক বিচাৰি নাপায়।

এই কেইদিন পৰাশৰ বাবে এদিনেই এযুগ যেন হৈছে। চাওতে চাওতে সচা-সচিকৈ আঘোন মাহৰ ৫ তাৰিখটো আহি পালে। কাইলৈ ৰুমীৰ জোৰণ, পৰহিলৈ বিয়া। পৰহিৰ দিনটোৰ বাবে সি সকলোফালৰ পৰা প্ৰস্তুত। কলেজত টকা দিব লাগে বুলি সি তিনিদিন আগতে ঘৰৰে তোলনীয়া ৰঙা দমৰা হাল বিক্ৰী কৰি চাৰে চাৰি হাজাৰ টকা পাইছে। যোৱা কালি সি বৃত্তিৰ টকাৰ প্ৰথম কিস্তিটো, ওঠৰশ টকা পাইছে। গতিকে সি টকালৈ ভয় কৰা নাই। তাৰ আত্মবিশ্বাস আছে বাহিৰলৈ ওলালে কিবা এটা মেনেজ কৰিব পৰা যাব।

'পৰাশ'ৰ মনটো ভাল নহয়। সকলো কথা ভাবি চিন্তি বিচনাতে আছে। খোৱ-লোৱাৰ প্ৰতিও অনীহা জন্মিছে। মাত্ৰ অপেক্ষা কৰিছে সেই সন্ধিক্ষণলৈ।

ৰুমিৰ জোৰোণৰ আগদিনাৰ সন্ধিয়াটো। পৰাশৰ চোতালত দেউতাক আৰু দুজন মানুহে মৰণা মাৰি আছে। মাক ৰান্ধনীশালত। মৰণাৰ ধানত গৰুৰ খোজৰ খচ্‌খচনি, গৰু খেদা দুই এটা দিঘলীয়া চিঞৰ, তাৰ মাজতে বাটচ'ৰাৰ পৰা ভাহি আহিল চাইকেলৰ বেলৰ কিলিং, কিলিং শব্দ। লগৰ কোনোবা অহা বুলি পৰাশ বাটচ'ৰালৈ ওলাই আহিল।

'অ ভবেন দা, এই সন্ধিয়া সময়ত যে, কিবা খবৰ আছে নেকি? ভবেন মানে কলেজৰ চকীদাৰ জন। অইন দিনা ভবেনে আগতেই 'পৰাশ'ক মাতে। কিন্তু আজি সি নিৰ্বাক। 'পৰাশ'ৰ ভুল হোৱা নাইটো? নে সি কাৰোবাক মাতিছে। এন্ধাৰত ভুল হব পাৰে বুলি সি মানুহজনৰ একেবাৰে কাষলৈ গ'ল। দিনৰ পোহৰৰ স্পষ্টতা নাথাকিলেও তেতিয়াও সম্পূৰ্ণ এন্ধাৰ হলেওঁ কিছু সময় বাকী। সি ঠিকেই অনুমান কৰিছে। ক'তা তাৰটো ভুল হোৱা নাই। এই যে তাৰ চিনাকি মুখখন ভবেন দাৰ। কিন্তু 'ভবেন' দাই ফেকুৰিছে কিয়? সি আৰু ৰ'ব নোৱাৰিলে। পৰাশে 'ভবেন'ৰ বাহুত ধৰি জোকাৰি দিলে। "কি হৈছে ভবেন দা..........? আপুনি নকয় কিয়..........?

কপা কপা মাতেৰে ভবেনে মাত্ৰ কেইটামান শব্দ উচ্চাৰণ কৰিলে — "সকলো শেষ.........., ৰুমীয়ে আজি আত্মহত্যা কৰিলে............।"

কিন্তু কিয়...? কিয়....? পৰাশে ভবেনৰ চাইকেলখনৰ হেণ্ডেলত জোকাৰি প্ৰশ্ন কৰিলে।

নাজানো পৰাশ। ৰুমীয়ে কিয় অপেক্ষা কৰিব নোৱাৰিলে বাস্তৱৰ সৈতে যুজিবলৈ। লোৱা এই চিঠিখন লোৱা। ৰুমীয়ে তাইৰ বিয়াৰ দিনা এইখন তোমাক দিব কৈছিল। সেইবাবে মই কথা ৰাখি দিয়া নাছিলো। মই সপোনতো ভবা নাছিলো তাইৰ দৰে ছোৱালীজনীয়ে এনে কাম কৰিব...।

ভবেনৰ পৰা ৰুমীয়ে লিখা চিঠিখন পঢ়িবলৈ খামটো চিঙিবলৈ ললে। ভবেনে তাৰ হাতত থকা টৰ্চৰে পোহৰ দেখুৱালে।

মৰমৰ পৰাশ,

মই তোমাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলো। অৰ্থৰ গৰালত বুৰ যোৱা সমাজ ব্যৱস্থাৰ লগত যুঁজি যুঁজি মই ভাগৰি পৰিলো। টকাৰ গোন্ধত মতলীয়া হোৱা দেউতাৰ আকাঙ্খাত জুনিয়ৰ ইঞ্জিনিয়াৰ জনৰ লগত মোক দেহ, মন, অৰ্পণ কৰাটো সপোনতো ভাবিব নোৱাৰো। সেয়ে আত্মহত্যাৰ দৰে এটা ঘৃণনীয় পথ মই বাচি ল'লো। তাৰ বাবে তুমি মোক ক্ষমা কৰিবা।

মই জানো পৰাশ, তোমাৰ শান্ত, সৌম্য মনটোৰে ধৃতি হেৰুৱাব। কিন্তু মোৰ অনুৰোধ তুমি বাচি থাকিব লাগিব। এলান্ধুকলীয়া সমাজ ব্যৱস্থাৰ লৌহ ডাঙ্ আতৰাই তুমিয়েই মোৰ দৰে হেজাৰজনী ৰুমীক ৰক্ষা কৰিব লাগিব। মোৰ আধৰুৱা কামখিনি পূৰ্ণ কৰিব পাৰিলে মোৰ আত্মা চিৰ কৃতজ্ঞ হ'ব।

পৰাশে আৰু পঢ়িব নোৱাৰিলে। সি কিমান জোৰেৰে তাৰ মূৰটো ভবেনৰ চাইকেলৰ হেণ্ডেলত খুন্দিয়াই দিছিল সি নিজেই নাজানে।

তিনিটা চিলাই পৰা কপালৰ দাগটো খেপিয়াই আজিও সি অস্তগামী ৰবিৰ ফালে চাই প্ৰতিশ্ৰুতিৰে ৰিঙিয়াই উঠিল তোমাৰ আধৰুৱা কাম মই পূৰ্ণ কৰিম ৰুমী। মাথো তুমি মোক সময় দিয়া। তোমাৰ প্ৰেৰণাৰে তোমাৰ আশা এদিন মই নিশ্চয় বাস্তবায়িত কৰিম।

□□

# আশাৰ স্মৃতি

শ্ৰীতৰণী ৰাজবংশী
উঃ মাঃ ২য় বৰ্ষ

সূৰ্য্যৰ প্ৰখৰ ৰ'দ। পঙ্গু ৰাজুৱে চহৰৰপৰা ভিক্ষা মাগি আহি এজোপা আহঁত গছৰ তলত জিৰণী লৈছে। সি ভাগৰত ক্লান্ত তথা শান্ত ভাগৰুৱা দেহেৰে সি ৰোমন্থন কৰিছে তাৰ অতীতৰ স্মৃতিবোৰ, অনুভৱ কৰিছে হাঁহি ধেমালীৰে ভৰা তাৰ শৈশৱৰ দিনবোৰ। আজি তাৰ বৰকৈ মনত পৰিছে পাচ বছৰ অগতে এৰি অহা মৰমৰ ৰংপুৰ গাওঁখনলৈ মনত পৰিছে তাৰ মাক, মৰমৰ ভায়েক বিজিত আৰু ভনীয়েক নীলালৈ। আমনি কৰিছে তাক অন্তৰত দকৈ শিপাই যোৱা প্ৰেয়সী অনামিকাৰ স্মৃতিয়ে। সিহঁতক চাবলৈ আজি তাৰ বৰ হেপাহ হৈছে। কিন্তু সময় বৰ নিষ্ঠুৰ। সিহঁতৰ ওচৰলৈ সি আজি যাবলৈ অক্ষম। এটি দুখৰ হুমুনীয়াহেৰে অতীতৰ তাৰ আশা ভৰা স্মৃতিবোৰ মনত আকৌ এবাৰ জুকীয়াই চালে।

ৰাজু ৰংপুৰ গাওঁৰ এটি দুখীয়া পৰিয়ালৰ ল'ৰা আছিল। সিহঁতৰ পৰিয়ালত পাচজন সদস্য আছিল। মাক, দেউতাক, ভাতৃ বিজিত, ভনীয়েক নীলা আৰু সি। দেউতাকে হাজিৰা কৰি পৰিয়ালটো কোনোমতে পোহপাল দিছিল। মাকেও পৰৰ ঘৰত কাম কৰি পৰিয়ালটো চলাত সহায় কৰিছিল। ৰাজু আৰু তাৰ ভায়েক ভনীয়েক দুটি পঢ়া শুনাত অতি চোকা আছিল। সেইবাবে সিহঁতক ওচৰ চুবুৰীয়া তথা স্কুলৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে অতি মৰম কৰিছিল। শ্ৰেণীত সিহত সদায়েই প্ৰথম হৈছিল। কোনোমতে চলি থকা পৰিয়ালটোলৈ হঠাতে এদিন অমানিশা নামি আহিছিল। মেলেৰীয়া জ্বৰত আক্ৰান্ত হৈ দেউতাক হঠাৎ সিহতৰ পৰা চিৰ বিদায় ল'লে। দেউতাকৰ মৃত্যুত সিহতৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। তথাপিও মাকজনীয়ে অতি বেচি পৰিশ্ৰম কৰি ধৈৰ্য্য সহকাৰে সিহতক পোহপাল দিছিল আৰু পঢ়া শুনাৰ প্ৰতি লক্ষ্য ৰাখিছিল। মাকে জানিছিল যে বিপদৰ সময়ত ধৈৰ্য্যৰ বাহিৰে আন কোনো উপায় নাই। নিজে নাখাইও ল'ৰা ছোৱালী কেইটাক পঢ়াই মানুহ কৰিব লাগিব।

এইদৰে দিনৰ পিছত দিন বাগৰিল। মাকে আগতকৈ অধিক পৰিশ্ৰম কৰিব ধৰিলে। দিনক ৰাতি, ৰাতিক দিন কৰিছে। ৰাজুৱে মাকৰ কষ্টবোৰ দেখি আজিকালি বুজা হৈ আহিছে। সি চিন্তা কৰে মাকৰ স্বাস্থ্যও বেয়া হৈ আহিছে লগতে ভাই-ভনী দুজনলৈও। সেয়েহে সি সময় উলিয়াই মাজে সময়ে আনৰ ঘৰত কাম কৰি দুই এপইচা উপাৰ্জন কৰে। এতিয়া ৰাজু দশম শ্ৰেণীৰ ছাত্ৰ। স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে আশা কৰে তেওঁলোকৰ হাইস্কুলৰ পৰা সি ভালদৰে উত্তীৰ্ণ হ'ব। তাৰ মাকৰো সেয়াই আশা। ইফালে স্কুলৰ বাচনি পৰীক্ষাও আহিছে। সেয়েহে মাকে তাক এইকেইদিন ঘৰৰপৰা ওলাব দিয়া নাই। কিন্তু পৰীক্ষাৰ লগতে তাৰ ঘৰখনৰো চিন্তা। বাচনি পৰীক্ষা ভালে ভালে হৈ গ'ল। খবৰ ওলাল সি ভালদৰে উত্তীৰ্ণ হৈছে।

ৰাজুৰ এতিয়া প্ৰবেশীকা পৰীক্ষা আহিল। পৰীক্ষাৰ বাবে সি ভালদৰে প্ৰস্তুতি চলাইছে। অতি কষ্টেৰে বহু সময় ধৰি সি পঢ়িছে। মাজে সময়ে সি নোৱাৰা কথাখিনি স্কুলৰ শিক্ষকে সহায় কৰি দিয়ে। প্ৰৱেশিকা পৰীক্ষা সি ভালদৰে দিলে। পৰীক্ষা হৈ যোৱাৰ পিছত ৰাজুৱে মাকক কিছু পৰিমানে কামত সহায় কৰিব ধৰিলে। কিয়নো মাকৰ স্বাস্থ্যৰ দিনক দিনে অৱনতি ঘটিছে। তাৰ মাকলৈ বৰ বেয়া লাগে। কিমান যে কষ্ট কৰিছে সিহতৰ বাবে মাকজনীয়ে। এতিয়া সি মাকক কাম কৰিবলৈ প্ৰায়ে বাধা দিয়ে। তাৰ ভায়েক বিজিত অষ্টমমান শ্ৰেণীৰ আৰু ভনীয়েক ষষ্ঠমান শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী। কম বয়সীয়া হেতুকে সিহঁতে ঘৰৰ বেয়া পৰিস্থিতিৰ কথা ভালদৰে ধৰিব পৰা হোৱা নাই। কিন্তু ঘৰৰ সম্পূৰ্ণ কথা বুজি পোৱা ৰাজুৱে মাকৰ সমানে সমানে কষ্ট কৰে।

আজি ৰাজুৰ প্ৰৱেশিকা পৰীক্ষাৰ খবৰ ওলাব তাৰ লগৰ সকলোৱে খবৰ আনিবলৈ গৈচে, কত আশাৰে। তাৰো যাবৰ ইচ্ছা





আছিল, কিন্তু তাৰ পিন্ধিবলৈ এযোৰ ভাল কাপোৰ নাই, যাবলৈ এখন চাইকেল নাই। সেইবাবে সি মনটোক বহু বাধা দি ৰাখিছে। মনটোত বৰ ভয়ো হৈছে। জানোচা সি আশা কৰা ধৰণে ফল নেপায়। মনত তাৰ ধিক্কাৰ আহে, কাৰণ দুখীয়া হৈ জন্ম গ্ৰহণ কৰিলে দুখ কষ্টৰ বোজা কঢ়িয়াবই লাগিব। বেচেৰা আজি সকলো পিনৰ পৰাই অসহায়। দিনৰ একমান বজাত স্কুলৰ শিক্ষক এজনে তাক খবৰটো দি গ'ল। সি দুটা বিষয়ত লেটাৰলৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এক দীঘল নিঃশ্বাস এৰি দিলে ৰাজুৱে দুখৰ মাজতো যেন সি আজি জীৱনৰ এটি বিৰাট সাফল্য পালে। আনন্দত তাৰ লগতে ঘৰৰ সকলোটিৰে আত্মহাৰা হৈ পৰিল। মাকৰ দুচকুৰে দুধাৰি আনন্দৰ লোটক বাগৰি আহিল। মাকে মনতে উপলব্ধি কৰিলে যদি আজি ৰাজুৰ দেউতাক থাকিলহেতেন মনত কিমান আনন্দ পালেহেতেন।

ৰাজু বৰ্ত্তমান উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ কলা বিভাগৰ ছাত্ৰ। অলপ দূৰৰ কলেজ এখনত সি নাম ভৰ্ত্তি কৰিছে। তাক নাম ভৰ্ত্তিৰ বাবে স্কুলৰ দুই চাৰিজন শিক্ষকে আৰু গাওঁৰ দুই এজনে সহায় কৰিলে এতিয়া তাৰ ঘৰৰ লগতে কলেজৰ চিন্তাও বহুখিনি বাঢ়িল। সময় অতিবাহিত হ'ল। কলেজৰ ল'ৰা ছোৱালীবোৰৰ দৰে সি সমানেই খোজ দিব লগা হ'ল। এই ল'ৰা ছোৱালীবোৰ দেখি দেখি তাৰ অন্তৰতো এদিন অনামিকাই ভূমুকি মাৰিলে। অনামিকা সিহতৰ গাওঁৰে এজন ধনী মানুহৰ ছোৱালী। বৰ সহজ সৰল তাই, মৰম লগা। তাই দশম শ্ৰেণীৰ ছাত্ৰী। সদায় কলেজলৈ আহোতে দুয়োৰে দেখা দেখি হয়। দুয়ো দুয়োৰে প্ৰতি আকৰ্যন আছে ভালপায়। কিন্তু ইজনে সিজনক ভাল পাওঁ বুলি কবলৈ সাহস গোটাব পৰা নাই। ৰাজু হৈছে দুখীয়া ঘৰৰ ল'ৰা। এনেকৈয়ে এবছৰ পাৰ হ'ল। ৰাজুৱে উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল আৰু অনামিকাইও প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'ল। তাৰ মনলৈ বহু কথাই আহে। মোৰ যদি এটি চাকৰি হয় তেতিয়া হলে মই সাহসেৰে অনামিকাৰ দেউতাকক তাইক ভাল পাওঁ বুলি কম আৰু তাইক এদিন নিজৰ আপোন কৰি ল'ম। এইদৰে দুয়োৰে বহুদিন পাৰ হ'ল।

বিপদে মানুহক লগ দিলে চাৰিওপিনৰ পৰাই জুমুৰ দি ধৰে। ৰাজুৰ জীৱনটো সেয়াই হ'ল। মাকৰ অসুখ, ডাক্তৰে কৈছে বেমাৰটো টান। সি পঢ়া শুনা সিমানতে বাদ দিলে। মাকৰ দায়িত্ব ভায়েক ভনীয়েকৰ দায়িত্ব সকলো তাৰ ওপৰতে পৰিল। যথেষ্ট পৰিশ্ৰম কৰিব ধৰিলে ৰাজুৱে। বহুতৰ ওচৰলৈ গৈ সি সহায় বিচাৰিলে। কিন্তু কাৰোপৰা সি প্ৰয়োজনীয় সহায় নাপালে। ধোৱা ধোৱা দেখিলে সি। অনুভৱ হ'ল তাৰ বাবে জীৱনটো বৰ দুৰহ। মাকৰ চিকিৎসাৰ বাবদ বহুত টকাৰ প্ৰয়োজন হ'ল। উপায় নেপায় সি চহৰলৈ গল আৰু ৰিক্সা চলাব ধৰিলে ৰিক্সা চলাই সি কোনোমতে ঘৰৰ খৰচ পাতি আৰু মাকৰ ঔষধ পাতি যোগান ধৰিব ধৰিলে। তাৰ আশা সি যিকোনো উপায়ে মাকক সুস্থ কৰি তুলিব, ভায়েক ভনীয়েকহঁতক পঢ়াই শুনাই মানুহ কৰিব আৰু যে ক'ত। এইদৰে ৰাজুৱে দুটি বছৰ পাৰ কৰি দিলে। মাক লাহে লাহে সুস্থ হ'ল। বিজিতে এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা দিব। তাৰ মৰমৰ অনামিকাক বহুদিন ধৰি সি দেখা নাই। ক'ত যে আশাৰ সপোন ৰচিছিল সি অনামিকাক লৈ। এদিন সি উচ্চ শিক্ষা লৈ ভাল চাকৰি কৰিব, ভনীয়েক নীলাক এজন ভাল দৰালৈ বিয়া দিব। এই মিঠা মিঠা লগা সপোনবোৰ ভাঙি চুৰমাৰ হ'ল। কল্পনাবোৰ ৰিক্সাৰ গতিপথৰ ভাজত কেনিবা হেৰাই গ'ল। সাগৰৰ মাজত বৈ থকা বঠাহীন নাওঁৰ দৰে তাৰ জীৱনটো ওলমি থাকিল।

কিছুদিন পিছত এদিন ৰাজুৰ জীৱনটোলৈ নামি আহিল অমাৱস্যাৰ ঘোৰ অন্ধকাৰ। ৰিক্সা চলাই গৈ আছে সি, আশাবোৰ প্ৰাণোচ্ছল কৰাৰ অদ্যম হেপাহেৰে। হঠাৎ পিছপিনৰ পৰা অহা এক উন্মত্ত চিটিবাছে তাৰ ৰিক্সাত খুন্দা মাৰিলেহি। চুৰ্ণাকৃতি হ'ল ৰিক্সাখন আৰু মুল চালিকা শক্তি স্বৰূপ তাৰ সো ভৰিখন চিৰদিনৰ বাবে ঘুনীয়া হ'ল। তাৰ দুৰ্ঘটনাটোৱে গোটেই পৰিয়ালটোত অশান্তি বিৰাজ কৰিলে। মাকে তালৈ চাই কান্দি থাকে। মাকে ভৱিষ্যতৰ আশাবোৰৰ কথা ভাবি আৰু তাৰ পিনে চাই সদায় কান্দি থাকে। এইবোৰ ৰাজুৰ একেবাৰে সহ্য নহল। সি মনতে স্থিৰ কৰিলে ঘৰৰ পৰা বহু দুৰলৈ গুছি যাব।

এদিন ৰাতি কাকো একো নোকোৱাকৈয়ে সি ঘৰৰ পৰা ওলাই আহিল। এৰি আহিল ঘৰৰ মায়া আৰু অনামিকাৰ স্মৃতি। হেৰাই গ'ল অস্তগামী সূৰুযৰ দৰে তাৰ মনৰ আশাৰ স্মৃতিবোৰ কোনোৱা দূৰ দিগন্তত......।

□□

# N. H. COLLEGE STAFF



প্ৰথম শাৰীৰ (*বহি বাওফালৰ পৰা*) — শ্ৰীগীতাশ্ৰী গোস্বামী প্ৰৱক্তা, শ্ৰীকল্যানী দেৱী প্ৰৱক্তা, শ্ৰীনিৰ্মালি মহন্ত চৌধুৰী প্ৰৱক্তা, শ্ৰীসাবিত্ৰী বেজবৰুৱা প্ৰৱক্তা, শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ প্ৰৱক্তা, শ্ৰীৰূপলেখা দেৱী প্ৰৱক্তা, ড° ৰমেশ চন্দ্ৰ শৰ্মা (*অধ্যক্ষ, সভাপতি, নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা*), শ্ৰীমাণিক চন্দ্ৰ দাস প্ৰৱক্তা, শ্ৰীমোহন চন্দ্ৰ কলিতা, (*তত্বাৱধায়ক, নিৰ্মল হালৈ মহাবিদ্যালয়, ছাত্ৰ একতা স ভা*), শ্ৰীপ্ৰণৱ দাস প্ৰৱক্তা, শ্ৰীতপন কুমাৰ কাকতি প্ৰৱক্তা।

দ্বিতীয় শাৰীত (*থিয় হৈ, বাওঁফালৰ পৰা*) — শ্ৰীঘনকান্ত ৰয় (*চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী*), শ্ৰীপ্ৰভাত চন্দ্ৰ ৰয় (*পিয়ন*), মনোৰঞ্জন শৰ্মা (উচ্চবৰ্গ সহায়ক) শ্ৰীসদানন্দ কলিতা (*উচ্চবৰ্গ সহায়ক*), শ্ৰীঅনুপ কুমাৰ শৰ্মা (*তত্বাৱধায়ক, প্ৰাগ্‌জ্যোতি*), শ্ৰীৰুদ্ৰ কলিতা প্ৰৱক্তা, শ্ৰীতপন কলিতা প্ৰৱক্তা, শ্ৰীকংকন শৰ্মা (*সম্পাদক, প্ৰাগ্‌জ্যোতি*)।



**১৯৯৭-৯৮ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন ক্ষেত্ৰত শ্ৰেষ্ঠ সফলতা অৰ্জন কৰা প্ৰতিযোগী তথা খেলুৱে সকল।**




মনোৰঞ্জন দাস
স্নাতক ২য় বাৰ্ষিক
*শ্ৰেষ্ঠ খেলুৱৈ*



ববিতা ভূঞা
উচ্চতৰ ২য় বাৰ্ষিক
*শ্ৰেষ্ঠা অভিনেত্ৰী*


## সম্পাদনা সমিতি
# প্ৰাগজ্যোতি
## ১৯৯৭-৯৮ বৰ্ষ


ডঃ প্ৰবোধ গোস্বামী, *প্ৰৱক্তা*


শ্ৰীমনোজ শৰ্মা, *প্ৰৱক্তা*


শ্ৰীসাবিত্ৰী বেজবৰুৱা, *প্ৰৱক্তা*


শ্ৰীঅনুপ কুমাৰ শৰ্মা, *প্ৰৱক্তা*
তত্বাৱধায়ক


শ্ৰীকমল শৰ্মা, *সদস্য*


শ্ৰীকঙ্কন শৰ্মা, *সম্পাদক*



**১৯৮৮ চনৰ পৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকৰ নাম সমূহ তলত উল্লেখ কৰা হ'ল**

| আলোচনী সম্পাদক | সাধাৰণ সম্পাদক |
|---|---|
| ১৯৮৮-৮৯ বিনয় দত্ত | ১৯৮৮-৮৯ অনিল চন্দ্ৰ ৰয় |
| ১৯৮৯-৯০ প্ৰদীপ ঠাকুৰীয়া | ১৯৮৯-৯০ সুৰেন কলিতা |
| ১৯৯০-৯১ ৰঞ্জিত কুমাৰ ৰয় | ১৯৯০-৯১ চমেন দাস |
| ১৯৯১-৯২ মনোৰঞ্জন পাঠক | ১৯৯১-৯২ হেমন্ত কুমাৰ ৰয় |
| ১৯৯২-৯৩ তপন ৰয় | ১৯৯২-৯৩ ভবেশ পাঠক |
| ১৯৯৩-৯৪ নয়ন কুমাৰ মেধী | ১৯৯৩-৯৪ পৰেশ ডেকা |
| ১৯৯৪-৯৫ বিবেকানন্দ দাস | ১৯৯৪-৯৫ হিতেশ ৰয় |
| ১৯৯৫-৯৬ গনেশ শৰ্মা | ১৯৯৫-৯৬ উৎসৱ ৰয় |
| ১৯৯৬-৯৭ চন্দ্ৰ হালৈ | ১৯৯৬-৯৭ দীপেন্দ্ৰ নাথ দাস |
| ১৯৯৭-৯৮ কংকন শৰ্মা | ১৯৯৭-৯৮ হেমেন কলিতা |

## ১৯৯৭-৯৮ ইং বৰ্ষত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহৰ, আলোচনী বিভাগত হোৱা প্ৰতিযোগিতা সমূহৰ সফলতা অৰ্জন কৰা প্ৰতিযোগি সকলৰ নাম সমূহ

*থিতাতে লিখা কবিতা প্ৰতিযোগিতা*

প্ৰথম ঃ মিচ্ প্ৰতিভা বসু, *স্নাতক ১ম বাৰ্ষিক।*
দ্বিতীয় ঃ মিচ্ মধুমিতা গোস্বামী, *স্নাতক ২য় বাৰ্ষিক।*
তৃতীয় ঃ শ্ৰীঅনুপম তালুকদাৰ, *স্নাতক ১ম বাৰ্ষিক।*

*ঠাইতে লিখা গল্প প্ৰতিযোগিতা*

প্ৰথম, দ্বিতীয় ঃ নিচুকনি বটা ঃ শ্ৰীৰমেন বৰুৱা, *স্নাতক ১ম বাৰ্ষিক।*

*অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা*

প্ৰথম ঃ শ্ৰীকিশোৰ গোস্বামী, *স্নাতক ২য় বাৰ্ষিক।*
দ্বিতীয় ঃ শ্ৰীৰীতামণি চৌধুৰী, *স্নাতক ৩য় বাৰ্ষিক।*
তৃতীয় ঃ শ্ৰীপ্ৰতিভা বসু, *স্নাতক ১ম বাৰ্ষিক।*

*আকস্মিক বক্তৃতা প্ৰতিযোগিতা*

প্ৰথম ঃ শ্ৰীমধুমিতা গোস্বামী, বিষয় বেজী, *স্নাতক ৩য় বাৰ্ষিক।*
দ্বিতীয় ঃ শ্ৰীকিৰণ শৰ্মা, বিষয় কম্পিউটাৰ, *স্নাতক ৩য় বাৰ্ষিক।*
তৃতীয় ঃ শ্ৰীমৃদুল শৰ্মা, বিষয় এইড্‌ছ, *স্নাতক ১ম বাৰ্ষিক।*
নিচুকনি বটা ঃ পবিত্ৰ কুমাৰ হালৈ, বিষয় অনুপ চাৰৰ স্কুটাৰ, *স্নাতক ১ম বাৰ্ষিক।*

*বাতৰি পঢ়া প্ৰতিযোগিতা*

প্ৰথম ঃ শ্ৰীকিশোৰ গোস্বামী, *স্নাতক ২য় বাৰ্ষিক।*
দ্বিতীয় ঃ শ্ৰীবাবুল দাস, *উচ্চতৰ ২য় বাৰ্ষিক।*
তৃতীয় ঃ শ্ৰীৰীতামণি চৌধুৰী, শ্ৰীমধুমিতা গোস্বামী, *স্নাতক ৩য় বাৰ্ষিক।*
যুটিয়া ভাবে

অন্যান্য বহুতো প্ৰতিযোগিতা প্ৰতিযোগিৰ অভাৱৰ বাবে বাতিল কৰা হৈছে



## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে মোৰ অসমী আইৰ বুকুত, অসমীয়া জাতিৰ অস্তিত্ব, সংস্কৃতি, নিজৰ ভাষা, লোষিত নিষ্পেষিত জনসাধাৰণৰ স্বকীয় অস্তিত্বৰ হকে মাত মাতোতে যি সকল অসমৰ সন্তানে প্ৰাণ বিসৰ্জন দিলে সেই সকল জাতীয় বীৰ শ্বহীদলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিছো।

সম্পাদকীয় প্ৰতিবেদনৰ পাতনিতে যি সকল শুভাকাংক্ষী, বন্ধু-বান্ধৱীয়ে ১৯৯৭-৯৮ ইং শিক্ষাবৰ্ষৰ বাবে মোক এই মহান শিক্ষানুষ্ঠানটিৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ তথা মৰ্য্যাদাসম্পন্ন পদবীত অধিষ্ঠিত কৰিলে সেই সকল সুহৃদলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিছো। বৃহত্তৰ পাটাছাৰকুছি অঞ্চলত নিৰ্মল হালৈ মহাবিদ্যালয় হ'ল কলেজীয়া শিক্ষা লাভ কৰাৰ একমাত্ৰ অনুষ্ঠান। এইখন মহাবিদ্যালয়ত বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভৰ বাবে ভিৰ কৰে যদিও আজিও এই অনুস্থানটোৱে ছাত্ৰ-ছাত্ৰীৰ সকলোবোৰ অভাৱ সম্পূৰ্ণৰূপে পূৰণ কৰিবলৈ সমৰ্থ হোৱা নাই।

বয়সৰ পিনৰ পৰা চালে এই অনুস্থানটো তেনেই চালুকীয়া। ১৯৯৬ চনৰ ১১ জানুৱাৰীৰ পৰা কাৰ্য্যকৰী হোৱাকৈ মহাবিদ্যালয়খন চৰকাৰী বিভাগীয় নিয়ম অনুযায়ী ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অধীনলৈ অনা হয়। ঘাটি মঞ্জুৰী প্ৰাপ্তিৰ ফলত মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী সকলৰ বেতনৰ সমস্যাৰ সমাধান হ'ল যদিও ছাত্ৰ-ছাত্ৰীসকলে কিন্তু খেল পথাৰৰ অভাৱ, পুথি ভঁড়ালত কিতাপৰ অভাৱ, Reading Roomৰ অভাৱ আদিৰ দৰে এশ এবুৰি সমস্যাৰ পৰা আজিও মুক্ত নহ'ল। ছাত্ৰ-ছাত্ৰীৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এনেবোৰ অসুবিধা আতৰ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লবলৈ আমাৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগত কেবাখনো আলোচনা কৰা হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ ওচৰত আবেদন নিবেদন কৰাও হয়।

আমাৰ এই কাৰ্য্যকালৰ সময়ছোৱাত অসমৰ কেবা গৰাকীও স্বনাম ধন্য ব্যক্তিৰ মৃত্যুত শোকসভা অনুষ্ঠিত কৰা হয়। যথাৰীতি অনুসৰি আমাৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন আৰু নবাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। আমাৰ কাৰ্য্যকালৰ অন্যতম কৃতিত্ব হ'ল ছাত্ৰ একতা সভাৰ সদস্য সকলৰ প্ৰথমবাৰৰ বাবে ইউনিফৰ্মৰ ব্যৱস্থা কৰা হয়। যিটো ব্যৱস্থা ইয়াৰ আগলৈকে মহাবিদ্যালয়ত প্ৰবৰ্তন হোৱা নাছিল। ভবিষ্যৎ বিষয়ববীয়াৰ বাবে আমাৰ পৰামৰ্শ হ'ল ছাত্ৰ একতা সভাৰ সংবিধানখন অতি সোনকালে প্ৰস্তুত কৰি উলিওৱা।

মহাবিদ্যালয় স্বাৰ্থত দু-আষাৰ কবলৈ যাওঁতে কেতিয়াবা আবেগৰ বশবৰ্ত্তী হৈ ভুলো কৰিব পাৰো তাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিক্ষক কৰ্মচাৰীৰ ওচৰত ক্ষমা মাগিছো। মোৰ কাৰ্য্যকালৰ সময় ছোৱাত

বিভিন্ন দিহা পৰামৰ্শ দি মোক উৎসাহিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক শ্ৰীযুত মোহন কলিতা আৰু শ্ৰীঋদ্ৰ কলিতা দেৱলৈ মোৰ বিশেষ কৃতজ্ঞতা থাকিল।

অৱশেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ দৰে এটা পবিত্ৰ শিক্ষানুষ্ঠানত সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত কৰি মোৰ কাৰ্য্যকাল ছোৱাত দেহে কেহে সহায় সহযোগিতা আগ বঢ়োৱাৰ বাবে মোৰ সতীৰ্থ যথাক্ৰমে সৰ্ব্বশ্ৰী — ফুলেন, ৰবীন, উৎপল, জগদীশ, মুকুন্দ, ভূপেন, ধ্ৰুৱ, কমল, সুৰেন, উৎসৱ, প্ৰাণজিৎ, দেৱজিত, পৰাণ, বিনয়, দ্বীপ, জয়ধন (শীবা) এওঁলোকৰ লগতে স্বৰ্গীয় নৃপেন শৰ্মালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছো।

সদৌ শেষত অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অনাগত ভবিষ্যৎৰ প্ৰতিটো পলতে অংশীদাৰ হোৱাৰ আশিষ বিচাৰি বিশ্ব বিখ্যাত নাট্যকাৰ ছেক্সপীয়েৰৰ ভাষাত প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"FRAIL CREATURES WE ARE ALL,
TO BE THE BEST
THE FEWEST FAULTS TO HAVE"

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

ধন্যবাদেৰে
**শ্ৰীহেমেন কলিতা**
সাধাৰণ সম্পাদক
নিৰ্মল হালৈ মহাবিদ্যালয়
ছাত্ৰ একতা সভা (পাটাছাৰকুছি)



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভনিতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যি সকল শ্বহীদে নিজৰ কলিজাৰ কেচা তেজেৰে মাতৃৰ চৰণ সিক্ত কৰি অসমক চিৰদিনৰ বাবে কন্দুৱাই গুচি গ'ল সেই সকল শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো লগতে শত সহস্ৰ পংগু যুৱক-যুৱতী লৈ মোৰ হিয়া ভৰা সমবেদনা জ্ঞাপন কৰিছো।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰি কাৰ্য্যনিৰ্বাহ কৰিবলৈ এই সুবিধাকন দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মৰমৰ ভাইটি ভন্টি সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। অৱশ্যে এই দায়িত্ব কিমান কৃতকাৰ্য্যতাৰে তথা দক্ষতাৰে পালন কৰিব পাৰিছো সেইখিনি আপোনালোকৰহে বিচাৰ্য্য।

মহাবিদ্যালয়ৰ উপযুক্ত সা-সজুলিৰ অভাৱত ছাত্ৰ-ছাত্ৰীসকলে খেল ধেমালীৰ প্ৰতি অমনোযোগিতাৰ পৰিলক্ষিত হৈছে। মহাবিদ্যালয়ৰ কতৃপক্ষৰ অনুৰোধ জনাওঁ এখন উন্নত মানদণ্ডৰ খেল পথাৰৰ ব্যৱস্থা কৰি প্ৰতি বছৰে খেলুৱৈ সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰে যেন।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ তত্বাবধায়ক শ্ৰীযুত জীতেন ভাগৱতী আৰু লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ সপ্তাহত লঘু খেল বিভাগৰ প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সৰ্বশ্ৰী বিনয় ৰয়, ধীৰাজ ৰয়, মনিন শৰ্মা, ত্ৰৈলোক্য ৰয়লৈ ধন্যবাদেৰে শলাগৰ শৰাই আগবঢ়াইছো।

সদৌ শেষত অতি চেনেহৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়
"জয় আই অসম"
ধন্যবাদেৰে
**শ্ৰীমুকুন্দ ৰয় দাস**
লঘু খেল বিভাগৰ সম্পাদক
নিৰ্মল হালৈ মহাবিদ্যালয়
১৯৯৭-১৯৯৮ ইং চন

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৭-১৯৯৮ ইং চন



প্ৰতিবেদনৰ আৰম্ভনিতে আমাৰ মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংক্ৰান্তত প্ৰাণ আহুতি দিয়া সকলো বীৰ শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। ১৯৯৭-৯৮ ইং চনৰ গুৰু খেল বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ অৰ্পন কৰা ছাত্ৰ ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদিছো। গুৰু খেল বিভাগৰ সম্পাদকৰূপে এই মহান অনুষ্ঠানটিলৈ কিমানখিনি সেৱা আগবঢ়াব পাৰিছো সেয়া বিচাৰ ছাত্ৰ-ছাত্ৰীৰ হাতত গটালো।

খেল শিক্ষাৰ অবিচ্ছেদ্য অংগ। খেল ধেমালীয়ে মানুহৰ মাজত ঐক্য শান্তি আৰু বন্ধুত্ব ভাব গঢ়ি তোলে। আনহাতে মানসিক উৎকৰ্য সাধনৰ লগতে এটি সু-স্বাস্থ্য গঢ়ি তুলিব পাৰি। সেয়েহে আমি শিক্ষাৰ লগতে খেল ধেমালীৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ত থকা নূনতম খেলৰ সামগ্ৰীৰ বাবে বিভিন্ন খেল পৰিচালনত অসুবিধাৰ সন্মুখীন হৈছিলো। অতি দুখৰ বিষয় এয়ে যে এতিয়ালৈকে মহাবিদ্যালয়খনত এখন খেল পথাৰ গঢ়ি উঠা নাই। ইমানবোৰ সমস্যা থকা স্বত্বেও ছাত্ৰ ছাত্ৰীৰ মানসিক উৎকৰ্য সাধনলৈ লক্ষ্য ৰাখি মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। বিভিন্ন খেল ধেমালীৰ মাজেৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰিছিল। সেয়ে কাৰ্য্যকাল ছোৱাৰ ভিতৰত বিভিন্ন দিশত সু-পৰামৰ্শ দি মোৰ কাম নিয়াৰিকৈ পৰিচালনা কৰাত সহায় কৰা তত্বাৱধায়ক মাননীয় শিক্ষাগুৰু শ্ৰীযুত তপন কাকতিদেৱলৈ মোৰ শ্ৰদ্ধা নিবেদিছো। যি সকল বন্ধুৱে মোৰ দায়িত্বখিনিত সহায় সহযোগীতা আগবঢ়ালে তেখেতসকল সৰ্ব্বশ্ৰী বনমালী পাঠক, দীনেশ ৰাজবংশী, অনুপ তালুকদাৰ, উৎপল কলিতা, প্ৰতুল বৰ্মন, মনোজ শৰ্মা, ৰাজু ৰামছিয়াৰী, এই সকললৈ মই কৃতজ্ঞতা যাচিছো।

প্ৰতিবেদনৰ শেষত মোৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়ত্ৰী লগতে কৰ্মকৰ্তা আৰু বন্ধু-বান্ধৱীসকলৰ ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি ইমানতে প্ৰতিবেদন সামৰিছো।

ধন্যবাদ
*জয়তু নিঃ হাঃ মহাবিদ্যালয়*
**শ্ৰীপ্ৰহলাদ ৰাজবংশী**
*সম্পাদক গুৰু খেল বিভাগ*



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে ১৯৯৭-৯৮ ইং বছৰটোৰ বাবে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে মোক নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমুহ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ আৰু বন্ধু বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে যি সকলে বিগত দিনবোৰত অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত অসমী আই মাতৃৰ পূজাৰ বেদীত হাঁহি হাঁহি নিজৰ জীৱন বিসৰ্জন দিলে, যি সকল চিৰ দিনৰ বাবে পঙ্গু হ'ল আৰু যি সকল মাতৃয়ে বিধৱা জীৱন হাঁহি হাঁহি আকোৱালি ললে, সেই সকললৈ মই মোৰ অশ্ৰু ভৰা শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। মহাবিদ্যালয়ৰ চাৰ-বাইদেউ আৰু অগ্ৰজ দাদা-বাইদেউসকলৰ পৰামৰ্শ আৰু বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকলৰ অকুণ্ঠ সহায় সহযোগিতাত মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগটো চলাবলৈ সক্ষম হৈছিলো। মোৰ তৰফৰ পৰা বিভিন্ন প্ৰতিযোগীতা অনুষ্ঠিত কৰিছিলো। ছাত্ৰীসকলে এই বোৰত অতি আগ্ৰহেৰে ভাগ লৈছিল, কিন্তু অতি দুখৰ কথা যে পুস্পসজ্জাত মাত্ৰ কেইজনমান প্ৰতিযোগীয়েহে ভাগ লৈছিল। গতিকে মই বিনম্ৰ অনুৰোধ কৰো যে ছাত্ৰীসকলে আগ্ৰহেৰে অনুষ্ঠানত ভাগ ল'বলৈ আগবাঢ়ে। মই মোৰ কাৰ্য্যকালছোৱাৰ ভিতৰতে মোৰ দায়িত্ববোৰ নম্ৰভাৱে চলাবলৈ চেষ্টা কৰিছিলো, কিন্তু সফল হৈছো নে নাই তাৰ বিচাৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এৰি দিছো। বৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উন্নতিৰ কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিছো।

**শ্ৰীৰীতা বৰুৱা**
ছাঃ জিঃ কোঃ সম্পাদিকা
নিৰ্মল হালৈ মহাবিদ্যালয়

## ছাত্ৰৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



হে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল। মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকল আৰু মোৰ মৰমৰ তথা শ্ৰদ্ধাৰ কৰ্মচাৰী সকল। বিগত বছৰত আমি একেটা পৰিয়ালৰে শুভাকাংক্ষী সদস্য আছিলো। আজি মোৰ কাৰ্য্যকালৰ শেষ সময়তো মই আপোনাসকলৰ স'তে নিবিৰ সম্পৰ্ক ৰাখিব খোজো।

প্ৰতিবেদনৰ প্ৰাৰম্ভণীতে মই আপোনাসবলৈ জনাইছো আন্তৰিক সশ্ৰদ্ধ প্ৰণাম। লগতে নিষ্ঠুৰ বাস্তৱৰ স'তে মুখামুখি হৈ মানৱতাৰ হত্যাকাৰি গুপ্তঘাটক সন্ত্ৰাসবাদী সকলৰ প্ৰাণ হেৰুওৱা অসমৰ বীৰপুত্ৰ সকল আৰু নৃসংশতাত কাৰ্গিল যুদ্ধত প্ৰাণ বিসৰ্জন দিয়া 'মোৰ দেসৰ অতন্দ্ৰ প্ৰহাৰী' শ্বহীদ সকললৈ মোৰ আন্তৰিক পুস্পাৰ্ঘ্য আৰু শ্বহীদ পৰিয়ালবৰ্গৰ প্ৰতি হিয়া ভৰা সমবেদনা জনালো। যি সকলে জীৱনৰ বাবে পংগু হৈ যুদ্ধক্ষেত্ৰৰ পৰা উবতি আহিব লগা হ'ল তেওঁলোকৰ মংগলৰ বাবেও পৃথিৱীত যুদ্ধৰ বিৰুদ্ধে শান্তি স্থাপন কৰিব বিচৰাসকলৰ সমৰ্থনত ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ বিভাগীয় কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচতে সামান্য অভিজ্ঞতাৰে "মহাবিদ্যালয় সপ্তাহ" চলাই নিবলৈ সক্ষম হৈছিলো মোৰ শুভকাংক্ষী সকলৰ সহযোগ আৰু চাৰ সকলৰ আশিৰ্বাদত।

বৰ্তমানৰ প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ লগতে শাৰিৰীক দক্ষতা বিকাশৰ প্ৰশিক্ষণৰ আৰশ্যকতা আছে। মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ বাবে এই বিভাগটোৰ জৰিয়তে তেনে কিছু কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। কিন্তু দুখৰ বিষয় আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰৰ জিৰণি কোঠাটোত ছাত্ৰৰ প্ৰয়োজনীয়তা পুৰাব পৰাকৈ বহাৰ সু-ব্যৱস্থাই নাই। এইবিলাক বিষয়ত মই আমাৰ অধ্যক্ষ মহোদয়ৰ স'তে আলোচনা কৰিছিলো। কিন্তু সময় মতে অৰ্থ মঞ্জুৰি নোপোৱাত গতানুগতিক কাৰ্য্যবোৰত বাদে বিশেষ কোনো কামেই কৰিব নোৱাৰিলো। তথাপিও আশা ৰাখিছো মহাবিদ্যালয় কতৃপক্ষই অতি সোনকালে ছাত্ৰৰ অভাৱৰ প্ৰতি দৃষ্টি দি এটা সুন্দৰ আৰু সৰ্বাধুনীক জিৰণি কোঠাৰ ব্যৱস্থা কৰিব।

মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক শ্ৰীযুত ৰুদ্ৰ কলিতা ছাৰ দেৱ আৰু মোহন কলিতা ছাৰ দেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মোৰ কাৰ্য্যকালত সকলো দিশতে প্ৰেৰণা যোগোৱা আৰু সহায় কৰি অহাৰ বাবে সৰ্বশ্ৰী — হিমাংশু, বিপুল, নৱ, তিলক, গিতাঞ্জলী, হেমেন, ববিতা আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্য বৃন্দ আৰু মহাবিদ্যালয় ছাত্ৰ সন্থা গোটৰ সমূহ সদস্যলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

প্ৰতিবেদনৰ শেষ প্ৰান্তত মোৰ কাৰ্য্যকালত অজানিত আৰু অনিচ্ছাকৃতভাৱে হোৱা ত্ৰুটি-বিচ্যুতিৰ বাবেও ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। ধন্যবাদসহ

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

**শ্ৰীহোমেন ৰাজবংশী**
*সম্পাদক, ছাত্ৰ জিৰণি কোঠা*

# ENGLISH SECTION

# BAPIRAM (Translated) LAXMINATH BEZBARUAH

**Sri Anup Kr. Sarma**
Lecturer, Deptt. of English

## CHAPTER-I

During the regime of "Barti Saheb" a man named Sidhai Khataniar lived in Joktali Mauza. He was familiar with people of Rangpur. The Khataniar family was the prominent family in the ensure Assam with all its rituals like Doljatra, Durgatsav, Hariseva and so on. He was blessed by God in every way but for a one. Sonless Khataniar had a nymph like daughter who wore widow's garments in the morning of her life. All his hopes and aspirations rested on her and he heaved a sigh of relief by tying her nuptial knot with the bridegroom of a noble family; but what an irony of fate, Khataniar's only son-in-law fell a victim to epidemic and left Khataniar with his innocent daughter for his heavenly abode within a month of the marriage. The only son-in-law's demise became unbearable to him and left for his heavenly abode six months later.

Tiloka is now a deserted woman. Tiloka, i.e. Khataniar's widowed daughter, is living with her uncle and aunt. Bhudhar, i.e. Tiloka's uncle is in possession of a little knowledge in English and is an aspirant for a job under the foreign tea planters rather than carrying on his forefathers' independent business. In the then Upper Assam, the British tea planters, breathlessly founded tea gardens and scattered abundant wealth which took the humble villagers by amazement. The budding youths, acquiring some knowledge in English, were encouraged to go for the jobs in tea plantations and the same wave swept over the cold-blooded gray hairs. The latter encouraged the former to amass abundant wealth by absorbing themselves in the tea plantations. Bhudhar also fell into the web and gladly accepted the job of a head clerk at Dighaliting Tea Plantation under Assam Company.

Naturally Khataniar's demise provided Bhudhar, presently the head clerk of Dighaliting Tea Plantation, with the unique opportunity of becoming the head of the prominent Khataniar family. He performed his dual responsibilities of the Mauza and Tea Plantation flawlessly. In his absence the household works were run by the family's most trusted ageing servant, Bapiram, an unordodox servant. Bapiram was a servant in the pre-British sense, i.e. a time when there was a cordial relationship between the Lord and his servants. Though a servant by profession, Bapiram was an integral part of the family. He considered the Khataniar family as his won, though he left his wife and children at Saokhat, In a way, guest at Saukhat, the host at Joktali, an alien at Saikhat, a native at Joktali, distant at Saokhat, near at Joktali, Bapiram was a peculiar servant.

Tilaka reached her youth under the love and care of Bapiram. Bapiram felt much more in timacy with this Tiloka than his own son Dukhiram

who was living at Saikhat. In his mind's balance-beam tilaka appeared to be heavier than Dukhiram. All her feelings, doings, hope, fulfilment were his. "Tilaka had become a widow"– this very thought used to haunt him and he felt an enmity with God. He turned his back to "Kalia Janardan", the household god of the Khataniar family and longed for salvation from all cares. He became vindictive against God for His apathy to his fervent appeal.

Time's winged chariot moves ceaselessly in vales an hills. It is indifferent to human joy and despair, weal and woe and taking them on its back moves on and on. The Khataniar family and ageing Bapiram meekly yield to this unassailable cruel time. Tilaka, an embodiment of youth and beauty, is now in her penultimate teen. The whirl of tranquillity and chaos, hope and despair, affluence and dearth, attachment and detachment, anxiety and indifference drives her on its wings. Everything in the world seems to him a miracle. He is beckoned by innumerable hands from all directions. But he feels like an enchained and inanimate being. He is bewildered over the thought of his inability to show her a little affection out of those abundantly stored in his heart. When a strong impulse is about to sway him, something buzzes in his ears, "Be ware, You are powerless your beauty and youth are not yours. All your aspirations, emotions and inspiration are not meant for others, your fiery love is not for the common good of the people, it will only gradually reduce you to ashes. The lamp filled with paraffin has spread its light all around, though her mind's temple is a godless one.

## CHAPTER-II

It is quite amazing how Mr. Scoot, the Barsaheb of Dighaliting Tea Estate under Assam Company, is aware that the head clerk of his Estate has an incomparably beautiful niece whose beauty even stops the sun in the middle of the sky. So one evening Mr. Scott sends some messenger to bring Bhudhar to his Bunglow. On the latter's arrival the following conversation takes place :

*Scott* : Well, Bhudhar, it has come to my notice that you've a widowed niece living with you?

*Bhuddar* :Yes, Huzoor.

*Scott* : It has also come to my notice that she is lovely.

*Bhudhar* : Yes, Huzoor.

*Scoot* : I want to marry her.

These words of Mr. Scott bewildered Bhudhar and he stood like a thunderstruck person putting his fingers into his ears.

*Scott*: Hey, why do you stop talking? Any way, I must have your niece.

*Bhudhar* : Fie, fie. It is a great sin to hear such foul words on the part of the Hindu Brahmins. We'll directly go to hell and lose Brahminism. I pray you not to insist on my committing such sinful deeds.

Bhudhar knelt down and once more requested him to withdraw his proposal.

Scott : No. no. I must marry her, if needs I'will offer you plenty of money and promote you in your office. Shun your fright.

Bhudhar : No, my Lord, don't insists on my doing such evil deeds. I'll avoid doing it if I am torn piecemeal.

Scott : Damnfool! You don't understand what type of a person I am. I'll shoot you kill you, discharge you. But obeying my order you could elevate your status. Look, Bhudhar. I'll not spare you. You must carryout my instruction.





Englishman Scott adheared to his demand. Defeat had no place in his dictionary. Initially a bit frightened, finally such sharpened weapons like temptation, flattery, threat compelled Bhudhar to agree to Scott's instruction, thus bringing disgrace upon his own race.

So at length Bhudhar left for Joktali. He lied Tilaka and returned to his working place with his wife and niece Tilaka. Bapiram, too, against his will, accompanied him on the tour. Bapiram, prior to Tilaka's departure for Joktali, raised much protestation. Bhudhar's wife, too, joined the exodus out of compulsion. But Bhudhar made them agree to his wish by telling her 'Your stay at Joktali will be a temporary one'. Tiloka, on the contrary, became impatient to see the new place.

## CHAPTER-III

Ignorant and innocent Tiloka, thus, pushed herself into the intricacy of masculinity. It happened because Bhudhar was her bread giver and guardian. Tiloka gradually discovered herself in the intricacy of her dearest uncle. Bhudhar's conspiracy of offering Tiloka to the Barsaheb of Dighaliting Tea Estate came to Bapiram like a bolt from the blue. He trembled in shame, disgrace and fury. He made up his mind that no one could take away his Lord's daughter during his tenure on the earth. He rushed out of the room and asked *Bhudhar* :

Bapiram : Is it true, dad?

Bhudhar : What? what?

Bapiram : Do you secretly plan to hand-over our dearest Tiloka to the Barsaheb of Dighaliting Tea Estate?

Bhudhar : Who tells yu?

Bapiram : Who ever the informer may be, I only want to know whether it is true or not?

Bhudhar : Look Bapiram, as a servant your duty is to manage the household afairs, not the look into this matters.

Bapiram : Why not? Please listen to my few words. You should not forget that this poor Bapiram has brought you since your infancy. I've served three generations of the Khataniar family. This poor body is constituted by your family's food.

So I did not expect such disgraceful words. But what is to happen has happened. In any case, I affirm you that I'll not let you commit such sins till the last drop of blood in my vein. In my presence, the age old Khataniar family will not be defiled. O moon and sun, be my witnesses. Don't forget, my Lord, that Bapiram, though a poor servant, is never a promise breaker.

Bhudhar : OK, I'm not mad to utter such rubbish words and act such disgraceful deeds.

Trying to pacify Bapiram's wrath, Bhudhar met Mr. Scott in the evining and told him that Bapiram, on knowing his plan, made great fuss.

Scott : Oh, Bhudhar, You're really timid. Being scared of a mere servant, don't you disgrace your status? Aren't you ashamed of it?

Bhudhar : No, me Lord, don't understimate Bapiram, he is deterimined to create obstacles in our plan.

Scott : You the natives are fool and scared of your wives. But the whites are not going to flatter their wives. Look, it is my ultimate order to you to send your old servant to my Bungalow in the evening. I'll send my orderly. If you decline to abide by order, you will be sacked from your service.

Bhudhar : Well, my Lord, I'll send him.

## CHAPTER-IV

Bapiram : (to Bhudhar) My Lord, are you aware

that I was taken by Mr. Scott's orderly to his Bungalow where I was terribly tortured by him because of my poor birth. I've no regret for it, since I'm used to such treatment of my employers. But I canot approve of an alien proudly saying that he is determined to marry our dearest Tiloka. His shameless words have pierced my heart. Physical torture being over, I warned him that his desire would never be fulfilled during my tenure on the earth. It is my fervent appeal to you to dispense with the serivce of a reprobate.I'ld like you to take your wife and Tiloka back to Joktali from this hellish atmosphere. I want you not to stay for a moment inthis place. The world has still some place for religion. Go to your place and devote yourself to sustaining your forefathers' tradition. Take Tiloka for your own daughter. Don't go to hell by handing toiloka over to the notorious foreigners. I beg your pardon for making this imploration. Once again I solicit you to leave this horrible place for your native place.

Bhudhar : You, bloodyfool. Being a servant you dare suggest your master. Get out of the room at once.

Bapiram : Well, then.

## CHAPTER-V

Bhudhar : (*tohimself*) Every syllable uttered by Bapiram pierced my heart, though at length my threats complited him to go away from my sight. I am unware of his where about. But it would be wrong to underestimate him. I feel I tread in the Path of evil and sin. Oh I'm ruined, but what then? It would be the act of a shrewd man to avail of the blessings in this birth defying the existence of rebirth. Wealth, rank and power will command respect from others and poor Bapiram, deserving to fight with fire, will only ruin himself.

While Bhudhar was floating in the world of imagination, Saruram, a clerk of Dighaliting Tea Estate in charge of disburshing wages to the labourers, ran madly to him and said, some miscreant assaulted Mr. Scott when he was returning to his bungalow after surveying the Plot No. 10. The miscreant did not spare his horse either and it was writting near Mr. Scott. Come quickly to the garden, there is great uproar among the labourers and they are bewildered by the identity of the miscreant and have run in different directions in his search.

Saruram's account gave Bhudhar a clue that the attacker was none other than Bapiram. Keeping this in mind Bhudhar rushed to the spot of the riot. Mean while Bapiram arrived at the Rangpur Police Station and confessed that he had murdered Mr. Scott, the owner of Dighaliting Tea Estate. He offered himself for any severe punishment including hanging.

## CHAPTER-VI

Bapiram, though he heaved a sigh of relief that he had done away with Mr. Scott, was convalescing and in less than a month he was cured. But he got a crippled physic and left the scene for good. Bapiram served three years' imprisonment. Bhudhar, too, dispensed with his service and made a safe return to Joktali where he resettled and resumed a pious and tranquil life. Tilaka, too, bacame matured in knowledge. She used to pass her time in prayer and in service to her fellow human beings. Bapiram came out of his captivity and rejoined his service in the khataniar family. On seeing Bapiram, Bhudhar embraced him saing? Bapiram, I admit your greatness."



# A NOTE. ON THE SĀṀKHYA THEORY OF THE PLURALITY OF THE PURUSA

**Dr. Prabodh Chandra Goswami**
Lecturer, Deptt. of Sanskrit

It is commonly known that the sāṁkhyāites and the Yoga thinkers are the advocates of the Plurality of the self. One of the special features of the sāṁkhya system is the plurality of souls. According to Adva ita Vedānta there is one universal soul abiding in all bodies. But the sāṁkhya system does not accept this. According to sāṁkhya, there are many selves, each body is inhabited by an independent self. This doctrine of Sāṁkhya is known as the doctrine of the plurality of self (Puruṣa bahuta). We find about this in the Samkhya Sutra of Kapila.

Īs'varakṛṣna Mis'ra, in his Sāṁkhya-Kārikā, mentions the arguments in support of establishing this doctrine. According to him the arguments are : (1) there is definite adjustment of birth, death and the sense organs, (2) there is non simultaneity of activity and (3) there is diversity due to the three attributes.

Vācaspati Mis'ra while commenting on the Kārikā of Īs'varakṛṣna referring to the doctrine of plurality of soul, elaborates the arguments. The birth of puruṣa consists in its connection with a new set of body, sense organ, mind etc. formed of a composite particular character. It does not mean modification inasmuch as puruṣa is essentially unchangeable. In this way death also consists in giving up of the body and rest. It cannot mean destruction as puruṣa is unchangeably eternal. The sense organs are thirteen beginning with great principle. The definite adjustment of these, birth and the rest stands for the fact that one set of these-body etc. are connected only with the spirit or puruṣa. This cannot be explained on the hypothesis of there being only one puruṣa. For, if the puruṣa were one and the same in all body, then on the birth of one all would be born, on the death of one, all would die. So, there would be no adjustment. On the otherhand, if there is a distrnet spirit belonging to each set of body etc. adjustment becomes secured. The adjustment cannot be explained by attributing it to the single spirit.

Secondly, since activity is not simultaneous spirit must be different with different bodies. Though activity is not simultaneous the form of affort is a function of the internal organs, yet it is here attributed to this spirit. If this spirit were one the activity of one man would lead to the similar activity in all other men. But this is not so. Therefore, plurality of the self is to be admitted.

Thirdly, the self must be many as there is diversity because of the three attributes. Here diversity of this means differentiation. Some persons abounding in the Sattva represents aggregates of that atribute. Others again abound in the Rajas and same others again abound in Tamas. This diversity due to the distribution of the attribute in various entities could not be explained if the self were one and the same in all.

Inspite of the Sāṁkhya efforts to establish the theory of many selves, it appears that the

Sāṁkhya arguments for the plurality of selves have not established the theory beyond doubt. Birth, death, sense etc. are the characteristics of the body, and not of the self. The self, according to Sāṁkhya's own admission, is neither the agent nor the enjoyer. The arguments of the Sāṁkhya for the existence of many selves prove only the manynees of the body and not the many-ness of the self. The Sāṁkhya description of the nature of the self goes against its many-ness. If the self is, in nature, pure consciousness beyond change and activity, it can never be many.

According to Dr. Rādhākrishnan the Sāṁkhya view of puruṣa is determined by the conception of Ātman in the Upaniṣads. It is without beginning or end, without any qualities, subtle and omnipresent, an eternal seer, beyond the senses, beyond the mind, beyond the sweep of intellect, beyond the range of time, space and causality, which form the warp and woof of the mosaic of the empirical world. It is unproduced and unproducing. Its eternity is not merely everlastingness, but immutability and perfection. It is for the form of consciousness (cidrūpa), though it does not know all things in the empirical sense, for empirical cognition is possible only through the limitations of body. When the self is set free from these limits, it has no cognition of modifications, but remains in its own nature. Puruṣa is unrelated to prakṛti. It is mere withness, a solitary, in different, passive spectator. The charactaristics of prakrti and purusa are opposed in nature. Prakṛti is non-consciousness (sacetanam). Pakrti is active and ever-revolving, while pakrti is so alterably. Prakṛti is characterised by the three Gunas, while puruṣa is devoid of the Guṇas; prakṛti is the object, while puruṣa is the subject.

As rightly observed by prof. K.P. Sinha, the Sāṁkhya theory of the plurality of the empirical selves may lead to different position regarding the transcedental existence of the selves, and it is risky to say that some or the other is the real position of the Sāṁkhyāits. Hence, it is better to state plainly that the Sāṁkhyāits accept the plurality of the empirical selves, but are silent on the problem whether the transcendental self is one or many.


References :

1. Janmādivyavathātaḥ puruṣabahutvam. Sāṁkhya Sūtra. 1.149.
2. Jananamaraṇakaranānāṁ pratiniyamāday-ugapatpravrttes'ca / puruṣabahutvam siddam traiguṇyaviparyayaccaiva/ Sāṁkhya Kārikā 18.
3. Tesām janmamaraṇakaranānām pratiniyamo khalviyaṁ Sā vyavasthā. sarvas'ari'reṣvekasmin pureṣe nopapadyate. tadā khalvekasmin puruṣe jāyamāne sarve jāyeran, mṛyamāne ca mryeran. Sāṁkhya-Tattva-Kaumudī under SK.K.18.
4. Tathā ca tasminnekātra sarīre prayatamāne, sa eva sarvasariresveka iti sarvatra prayateta, tatas'ca sarvānyeva sarīrāṇi yugapaccālyet. Ibid.
5. Kecitkhalu sattvanikāyāḥ sattvabahulāh, yathā yathordhasrotasaḥ; kecidrajobahulāḥ, yathā manusyāh; kecittamobahulāḥ pruṣabhede tvayamadoṣa iti. Ibid.
6. Bṛhadāranyakopaniṣad IV. 3.16; S'vetās'vataropaniṣad VI.II and 19.
7. Sāṁkhyapravacanasūtra-vṛtti VI. 59.
8. Bṛh. Up. Iv. 3. 15.
9. Tasmāa viparyāsātsiddham sāmkṣitvamasya puruṣasya/kaivalyammādhyasthyaṁ draṣṭṛtvam-akartṛbhāvas'ca//SK.K.19. amūrtas'cetano bhogī nityaḥ sarvagato kriyaḥ/ akarta nirguṇaḥ sūkṣma ātmā kāpiladars'ane// cp. Manibhadra on Haribhadra's ṣaḍdarsanasamuccaya, 41.
10. Reflexions on Indian Philosophy, P. 173.